www.asombarta.in

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

অসম বাৰ্তা

PRGI REGD. NO. : ASASS/25/A2361

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

জীৱনত কোনো সুযোগ, সুবিধা নাপালোঁ বুলি কোনো মহৎ লোকে আপত্তি কৰাৰ উদাহৰণ নাই। – আৰ. ডব্লিউ. এমাৰছন

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

দ্বিতীয় বছৰ ❑ সংখ্যা- ৫৩ ❑ সোমবাৰ ❑ ০২ নৱেম্বৰ, ২০২৬ চন ❑ Volume/Year- II ❑ Issue- 53 ❑ Monday ❑ 02nd November, 2026 ❑ Asom Barta, Majuli ❑ PRGI Reg. No.- ASASS/25/A2361 ❑ Price- Rs. 10 ❑ Total Page-8

ভোট চুৰিৰ অভিযোগ; মুখ্য নিৰ্বাচনী আয়ুক্ত জ্ঞানেশ কুমাৰৰ পদত্যাগৰ দাবী

ভোট বচাও, দেশ বচাও শ্ল'গানেৰে কঁপিল দিল্লী

■ ৰামলীলা ময়দানত ইণ্ডিয়া মিত্ৰজোঁটৰ প্ৰতিবাদী কাৰ্যসূচীত অংশ অসমৰ বিৰোধী শিবিৰৰো ■



নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১ নৱেম্বৰ ঃ নিৰ্বাচনী অনিয়ম আৰু ভোটাৰ তালিকাক লৈ উত্থাপিত অনিয়মৰ বিৰুদ্ধে নিজৰ শক্তি প্ৰদৰ্শন কৰাৰ লক্ষ্যৰে দেওবাৰে ৰাষ্ট্ৰীয় ৰাজধানীৰ ঐতিহাসিক ৰামলীলা ময়দানত বিৰোধী 'ইণ্ডিয়া' (INDIA) জোটৰ উদ্যোগত এক বিশাল প্ৰতিবাদী সমাৱেশ অনুষ্ঠিত হয়। মুখ্য নিৰ্বাচনী আয়ুক্ত (CEC) জ্ঞানেশ কুমাৰৰ পদত্যাগৰ দাবীত আয়োজিত এই সমাৱেশত অংশগ্ৰহণ কৰিবলৈ দেশৰ বিভিন্ন প্ৰান্তৰ পৰা বিৰোধী দলৰ শীৰ্ষ নেতা আৰু হাজাৰ হাজাৰ সমৰ্থক ইতিমধ্যে দিল্লীত উপস্থিত হৈছিল। লোকসভাৰ বিৰোধী দলপতি ৰাহুল গান্ধী, প্ৰিয়ংকা গান্ধী, অখিলেশ যাদৱকে ধৰি ইণ্ডিয়া ব্লকৰ অন্যান্য নেতাসকল ৰামলীলা ময়দানত উপস্থিত হৈছিল। সমগ্ৰ সমাৱেশ সুকলমে পৰিচালনা কৰাৰ বাবে দিল্লী আৰক্ষী আৰু বিভাগীয় কৰ্তৃপক্ষই অভূতপূৰ্ব নিৰাপত্তা ব্যৱস্থা গঢ়ি তুলিছিল। ৰামলীলা ময়দানক ১৪টা জ'নত ভাগ কৰি নিৰীক্ষণ চলোৱা হয়। ২০০ৰো অধিক চিচিটিভি কেমেৰা স্থাপন কৰা হয়; ইয়াৰ লগতে ড্ৰ'ন আৰু বডি কেমেৰাও স্থাপন কৰা হয়। সমগ্ৰ মধ্য আৰু নতুন দিল্লীত দিল্লী আৰক্ষী, কেন্দ্ৰীয় সশস্ত্ৰ ❑ ৬ পৃষ্ঠাত

২০২৪ৰ লোকসভা নিৰ্বাচন 'ভোট চুৰিৰ নিৰ্বাচন' ঃ ৰাহুল গান্ধী

দিল্লীৰ ৰামলীলা ময়দানত জ্ঞানেশ কুমাৰক তীব্ৰ আক্ৰমণ



নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১ নৱেম্বৰ ঃ দিল্লীৰ ৰামলীলা ময়দানত অনুষ্ঠিত বিৰোধী দলসমূহৰ সমাৱেশত ভাষণ দি কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰৰ বিৰুদ্ধে তীব্ৰ আক্ৰমণ চলায়। তেওঁ ২০২৪ চনৰ সাধাৰণ নিৰ্বাচনক 'ভোট চুৰিৰ নিৰ্বাচন' বুলি অভিহিত কৰে। ৰাহুল গান্ধীয়ে কয় যে দেশত বহু বছৰ ধৰি ভোট চুৰি হৈ আহিছে। তেওঁ উল্লেখ কৰে যে মমতা বেনাৰ্জীয়ে পশ্চিমবংগৰ উদাহৰণ দাঙি ধৰিছে; মধ্যপ্ৰদেশ, ❑ ৬ পৃষ্ঠাত

কহঁৰাত বন বিভাগৰ ১০টা আৰু বাগৰিত ৩৩টা ব্যক্তিগত হাতীৰে আৰম্ভ চাফাৰী

কাজিৰঙাত ২০২৬-২৭ পৰ্যটন বৰ্ষৰ হাতী চাফাৰীৰ শুভাৰম্ভ



ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১ নৱেম্বৰ ঃ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত দেওবাৰে পৰম্পৰাগত হাতী পূজা সম্পন্ন কৰি ২০২৬-২৭ পৰ্যটন বৰ্ষৰ হাতী চাফাৰী আনুষ্ঠানিকভাৱে আৰম্ভ কৰা হয়। পুৱাই উদ্যানখনৰ কহঁৰা বনাঞ্চলৰ মিহিমুখত ফিতা কাটি পূৰ বন্যপ্ৰাণী সংমণ্ডলৰ প্ৰাধিকাৰী অৰুণ ভিগণেশে বন বিভাগৰ হাতী চাফাৰী মুকলি কৰে। একে সময়তে বাগৰি বনাঞ্চলতো ব্যক্তিগত হাতী চাফাৰী আৰম্ভ হয়। প্ৰথম দিনটোতে কহঁৰা বনাঞ্চলত বন বিভাগৰ ১০টা হাতী আৰু বাগৰি বনাঞ্চলত ৩৩টা ব্যক্তিগত হাতীৰে পুৱাৰ ভাগতে চাফাৰী আৰম্ভ হয়। হাতীৰ পিঠিত উঠি কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ মনোমোহা প্ৰাকৃতিক সৌন্দৰ্য্য উপভোগ কৰিবলৈ দেশ-বিদেশৰ বহু পৰ্যটকে উদ্যানখনলৈ আহে। আমেৰিকা যুক্তৰাষ্ট্ৰ, অষ্ট্ৰেলিয়া, বেলজিয়াম, থাইলেণ্ড আৰু ইংলেণ্ডকে ধৰি বিভিন্ন দেশৰ বিদেশী পৰ্যটকৰ লগতে দেশৰ বিভিন্ন প্ৰান্তৰ পৰ্যটকেও প্ৰথম দিনটোতে হাতী চাফাৰীত অংশ লয়। ❑ ৬ পৃষ্ঠাত

'মক পাৰ্লামেণ্ট'ক লৈ কেন্দ্ৰীয় গৃহমন্ত্ৰীৰ তীব্ৰ কটাক্ষ

ৰাহুল গান্ধীয়ে জীৱনত প্ৰধানমন্ত্ৰী হ'ব নোৱাৰে ঃ অমিত শ্বাহ



নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১ নৱেম্বৰ ঃ কংগ্ৰেছ নেতা তথা লোকসভাৰ বিৰোধী দলপতি ৰাহুল গান্ধীৰ ৰাজনৈতিক ভৱিষ্যত আৰু তেওঁৰ প্ৰধানমন্ত্ৰী হোৱাৰ হেঁপাহক লৈ কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে তীব্ৰ কটাক্ষ কৰিছে। কংগ্ৰেছ সভাপতি মল্লিকাৰ্জুন খাৰ্গেৰ বাসগৃহত বিৰোধী দলসমূহে আয়োজন কৰা 'মক পাৰ্লামেণ্ট' বা প্ৰতীকী সংসদক কেন্দ্ৰ কৰি কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে ৰাহুল গান্ধীক তীব্ৰ আক্ৰমণৰ লক্ষ্য কৰি লয়। চণ্ডীগড়ৰ এক অনুষ্ঠানত ❑ ৬ পৃষ্ঠাত

শিখ সমাজৰ বুকুৰ ঘাঁতত নিমখ ছটিয়াইছে কংগ্ৰেছে ঃ হিমন্ত বিশ্ব শৰ্মা

১৯৮৪ চনৰ শিখ বিৰোধী সংঘাতৰ দিনটোতে দিল্লীত কংগ্ৰেছৰ প্ৰতিবাদক লৈ তীব্ৰ সমালোচনা



নিউজ ডেস্ক, অসম বাৰ্তা, ১ নৱেম্বৰ ঃ ১৯৮৪ চনৰ শিখ বিৰোধী সংঘাতৰ দিনটোতে দিল্লীত কংগ্ৰেছে ভোট চুৰিৰ অভিযোগ তুলি প্ৰতিবাদী সমদল উলিওৱা ঘটনাক লৈ অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই তীব্ৰ সমালোচনা কৰিছে। তেওঁ অভিযোগ কৰে যে এই দিনটোতে দিল্লীত এনে হুলস্থূল সৃষ্টি কৰাটো শিখ সমাজৰ বুকুৰ ঘাঁতত নিমখ চটিওৱাৰ সমান। মুখ্যমন্ত্ৰীগৰাকীয়ে ৰাহুল গান্ধী আৰু ইণ্ডিয়া ব্লকৰ নেতাসকলক শিখ সমাজৰ ওচৰত ক্ষমা বিচাৰি দুই মিনিট মৌনতা অৱলম্বন কৰি তেওঁলোকৰ আত্মাৰ শান্তিৰ বাবে প্ৰাৰ্থনা কৰিবলৈ আহ্বান জনায়। দেওবাৰে কংগ্ৰেছে ভোট চুৰিৰ অভিযোগ তুলি মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰৰ পদত্যাগৰ দাবীত দিল্লীত প্ৰতিবাদী সমদল উলিয়ায়। সেই একেই দিনা বিজেপিয়ে ১৯৮৪ চনত তদানীন্তন প্ৰধানমন্ত্ৰী ❑ ৬ পৃষ্ঠাত

বীৰ লাচিত সেনা, অসমৰ স্থায়ী সভাপতি ৰণ্টু পানীফুকন, মুখ্য সচিব শৃংখল চলিহা

নতুন সমিতি গঠন; সাংগঠনিক সচিব বিকাশ বৰুৱা আৰু প্ৰশাসনিক সচিব হৰকুমাৰ গগৈ

ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১ নৱেম্বৰ ঃ যোৰহাটত অনুষ্ঠিত বীৰ লাচিত সেনা, অসমৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহকৰ বৈঠকত সংগঠনটোৰ নতুন কেন্দ্ৰীয় কমিটি গঠন কৰা হয়। নতুন কমিটিত ৰণ্টু পানীফুকনক স্থায়ী সভাপতি, শৃংখল চলিহাক মুখ্য সচিব, বিকাশ বৰুৱাক সাংগঠনিক সচিব আৰু হৰকুমাৰ গগৈক প্ৰশাসনিক সচিব হিচাপে দায়িত্ব অৰ্পণ কৰা হৈছে। সংগঠনটোৰ নতুন কেন্দ্ৰীয় কমিটিৰ গঠনক লৈ যোৰহাটত ❑ ৬ পৃষ্ঠাত

হেলেনা ভৰালীৰ মাতৃ তুংগলতা ভৰালীৰ দোষীক কঠোৰ শাস্তিৰ দাবী

বিলাস ইন হত্যাকাণ্ডৰ অভিযুক্ত ঘনকান্ত গগৈৰ পত্নী জোনমণি গগৈ পল্টনবজাৰ থানাত হাজিৰ



ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১ নৱেম্বৰ ঃ দেশ জোকাৰি যোৱা গুৱাহাটীৰ হোটেল বিলাস ইন হত্যাকাণ্ডৰ পিছতে প্ৰথমবাৰৰ বাবে নিহত হেলেনা ভৰালীৰ মাতৃ তুংগলতা ভৰালীয়ে সংবাদ মাধ্যমৰ আগত মুখ খুলিছে। পুত্ৰ, কন্যা, নাতি আৰু নাতি-বোৱাৰীয়েক হেৰুওৱাৰ শোকৰ মাজতে বৃদ্ধাগৰাকীয়ে দোষীৰ কঠোৰ শাস্তিৰ দাবী জনাইছে। সংবাদ মাধ্যমৰ আগত তুংগলতা ভৰালীয়ে কয় যে অভিমন্যুক চক্ৰবেহুত আবদ্ধ কৰি হত্যা কৰাৰ দৰে তেওঁৰ পুত্ৰ, কন্যা, নাতি আৰু ❑ ৬ পৃষ্ঠাত

ৰেচ কোৰ্ছ এয়াৰ ফোৰ্ছ ষ্টেচনত আনুষ্ঠানিক গাৰ্ড অৱ অনাৰ প্ৰদান

এয়াৰ চীফ মাৰ্শ্বেল আশুতোষ দীক্ষি ভাৰতীয় বায়ুসেনাৰ নতুন মুৰব্বী



নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১ নৱেম্বৰ ঃ এয়াৰ চীফ মাৰ্শ্বেল আশুতোষ দীক্ষিয়ে শনিবাৰে ভাৰতীয় বায়ুসেনাৰ (IAF) নতুন মুৰব্বী হিচাপে দায়িত্ব গ্ৰহণ কৰে। তেওঁ অৱসৰ গ্ৰহণ কৰা এয়াৰ চীফ মাৰ্শ্বেল এ পি সিঙৰ স্থানত এই দায়িত্ব গ্ৰহণ কৰে। ইফালে, ❑ ৬ পৃষ্ঠাত

হিমাচলত বিজেপিৰ 'গণতন্ত্ৰ ৰক্ষা কৰক-অৰাজকতা দূৰ কৰক' পদযাত্ৰাত অংশ অসমৰ মুখ্যমন্ত্ৰীৰ

বাবৰ-ঔৰংজেৱৰ দৰে অনুপ্ৰৱেশকাৰীক সুৰক্ষা দিবলৈ কংগ্ৰেছে চেষ্টা কৰিছে ঃ মুখ্যমন্ত্ৰী



নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১ নৱেম্বৰ ঃ দিল্লীত ইণ্ডিয়া ব্লকৰ বিশাল ৰেলীৰ পটভূমিত বিভিন্ন ৰাজ্যত বিজেপিয়ে প্ৰতিবাদ কাৰ্যসূচী আৰম্ভ কৰিছে। এই ক্ৰমত দেওবাৰে হিমাচল প্ৰদেশৰ ছিমলাত বিজেপিয়ে 'গণতন্ত্ৰ ৰক্ষা কৰক-অৰাজকতা দূৰ কৰক' শীৰ্ষক পদযাত্ৰা আয়োজন কৰে। কংগ্ৰেছ শাসিত ৰাজ্যখনত এই পদযাত্ৰাই বিজেপিৰ এক প্ৰকাৰ শক্তি প্ৰদৰ্শন হিচাপে পৰিগণিত হয়। ❑ ৬ পৃষ্ঠাত

চৰকাৰৰ বিৰুদ্ধে প্ৰতিবাদ কৰি থকা লোকসকলক সমালোচনা

গণতন্ত্ৰই প্ৰতিবাদৰ অধিকাৰ দিয়ে, কিন্তু হিংসাৰ অধিকাৰ কাকো নিদিয়ে: অনু কাপুৰ

নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১ নৱেম্বৰ ঃ স্পষ্টবাদী শৈলী আৰু স্পষ্ট বক্তব্যৰ বাবে পৰিচিত বলীউড অভিনেতা অনু কাপুৰে পুনৰবাৰ প্ৰতিবাদ আৰু গণতন্ত্ৰৰ ওপৰত নিজৰ মতামত প্ৰকাশ কৰিছে। অভিনেতাগৰাকীয়ে সদায় সম্পূৰ্ণ স্পষ্টতাৰে নিজৰ মত প্ৰকাশ কৰি আহিছে। এইবাৰ তেওঁ চৰকাৰৰ ❑ ৬ পৃষ্ঠাত

প্ৰায় ৫৫০ পৰিয়াল স্থানচ্যুত হোৱাৰ আশংকা

ধুবুৰীৰ ৬৫০ বিঘা মাটিত চলিল উচ্ছেদ অভিযান



ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১ নৱেম্বৰ ঃ বেদখলৰ বিৰুদ্ধে অসম চৰকাৰৰ উচ্ছেদ অভিযান অব্যাহত আছে। ধুবুৰী জিলাৰ গৌৰীপুৰ চক্ৰৰ আলমগঞ্জ খণ্ড-৯ত প্ৰায় ৬৫০ বিঘা বা প্ৰায় ২১৫ একৰ মাটি বেদখলমুক্ত কৰাৰ লক্ষ্যৰে দেওবাৰে পুৱাৰ পৰা প্ৰশাসনে উচ্ছেদ অভিযান আৰম্ভ কৰে। এই অভিযানত প্ৰায় ৫৫০টা পৰিয়াল স্থানচ্যুত হ'ব বুলি বিষয়াসকলে জানিবলৈ দিয়া বুলি বাতৰিত উল্লেখ আছে। ধুবুৰী জিলাৰ আয়ুক্ত দিবাকৰ নাথে জানিবলৈ দিয়া অনুসৰি, গৌৰীপুৰ চক্ৰৰ আলমগঞ্জ খণ্ড-৯ত বেদখল মুক্ত কৰাৰ বাবে দেওবাৰে পুৱা প্ৰশাসনে উচ্ছেদ অভিযান আৰম্ভ কৰে। তেওঁ পিটিআইক জনোৱা মতে, ৮০০ বিঘা মাটি বেদখল কৰা প্ৰায় ৭০০ পৰিয়ালৈলৈ জাননী প্ৰেৰণ কৰা হৈছিল। ইয়াৰে প্ৰায় ১৫০ বিঘা মাটিত বাস কৰা ১৫০জন লোকে সকাহ বিচাৰি আদালতৰ কাষ চাপিছে। বিষয়টো উপ-ন্যায়িক হোৱাৰ বাবে সেই অংশত উচ্ছেদ অভিযান চলোৱা হোৱা নাছিল। বাকী থকা ৬৫০ বিঘা মাটিত প্ৰশাসনে উচ্ছেদ অভিযান আৰম্ভ ❑ ৬ পৃষ্ঠাত

৩০ সংখ্যক ইবেৰো-আমেৰিকান সন্মিলনত ভাৰতীয় প্ৰতিনিধি দলক দিব নেতৃত্ব

কাইলে তিনিদিনীয়া ভ্ৰমণসূচীৰে স্পেইনলৈ কেন্দ্ৰীয় ৰাজ্যিক মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা



নিউজ ডেস্ক, অসম বাৰ্তা, ১ নৱেম্বৰ ঃ ভাৰত চৰকাৰৰ বৈদেশিক পৰিক্ৰমা আৰু বস্ত্ৰ মন্ত্ৰালয়ৰ ৰাজ্যিক মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই অহা ৩ নৱেম্বৰৰ পৰা ৫ নৱেম্বৰ (২০২৬)লৈকে চৰকাৰী কাৰ্যসূচীৰে স্পেইনলৈ ভ্ৰমণ কৰিব। তিনিদিনীয়া এই ভ্ৰমণকালত কেন্দ্ৰীয় ৰাজ্যিক মন্ত্ৰীগৰাকীয়ে স্পেইনত অনুষ্ঠিত হ'বলগীয়া ❑ ৬ পৃষ্ঠাত

দিল্লী-গুৱাহাটী যাত্ৰা আঠ ঘণ্টাতকৈ কম সময়ত সম্ভৱ হ'ব ঃ মুখ্যমন্ত্ৰী

গুৱাহাটীলৈ সম্প্ৰসাৰিত হ'ব উত্তৰ হাইস্পীড ৰে'ল কৰিড'ৰ ঃ মুখ্যমন্ত্ৰী



নিউজ ডেস্ক, অসম বাৰ্তা, ১ নৱেম্বৰ ঃ প্ৰস্তাৱিত উত্তৰ হাইস্পীড ৰে'ল কৰিড'ৰ গুৱাহাটীলৈ সম্প্ৰসাৰণ কৰা হ'ব বুলি অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই দেওবাৰ, ১ নৱেম্বৰত জানিবলৈ দিয়ে। এই কৰিড'ৰ সম্প্ৰসাৰণৰ ফলত গুৱাহাটী আৰু দিল্লীৰ মাজত আঠ ঘণ্টাতকৈও কম সময়ত যাত্ৰা কৰাৰ সম্ভাৱনা সৃষ্টি হ'ব। সামাজিক মাধ্যমত প্ৰকাশ কৰা এক পোষ্টত মুখ্যমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে যে এই কৰিড'ৰটো প্ৰথমতে শিলিগুৰিত অন্ত পেলাবলৈ পৰিকল্পনা কৰা হৈছিল যদিও পৰৱৰ্তী সময়ত ইয়াক উত্তৰ-পূবলৈ সম্প্ৰসাৰণ কৰা হৈছে। এই সিদ্ধান্তৰ বাবে তেওঁ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ৰে'লমন্ত্ৰী অশ্বিনী বৈষ্ণৱক ধন্যবাদ জনায়। উল্লেখযোগ্য ❑ ৬ পৃষ্ঠাত

ৰাজহুৱা ধনৰ হিচাপ ৰাজহুৱা কৰা, ৰাষ্ট্ৰীয় ঘাইপথৰ সুৰক্ষা আৰু পৰ্যাপ্ত শৌচাগাৰৰ ব্যৱস্থা নিশ্চিত কৰাৰ দাবী

কেটেলা খেলপথাৰৰ কালীপূজাৰ মেলাক কেন্দ্ৰ কৰি ব্যাপক অনিয়মৰ অভিযোগ

বিশ্বনাথ জিলা আয়ুক্তক স্মাৰকপত্ৰ বিশ্বনাথ জিলা অনুসূচিত জাতি ছাত্ৰ সন্থাৰ

অসম বাৰ্তা, গহপুৰ, ১ নৱেম্বৰ ঃ বিশ্বনাথ জিলাৰ বিহাগ সমজিলাৰ অন্তৰ্গত কেটেলা খেলপথাৰত অনুষ্ঠিত হ'বলগীয়া কালীপূজাৰ সৈতে সংগত বাখি আয়োজিত মেলাখনক কেন্দ্ৰ কৰি বিভিন্ন অনিয়মৰ অভিযোগ উত্থাপন কৰিছে সদৌ অসম অনুসূচিত জাতি ছাত্ৰ সন্থাৰ বিশ্বনাথ জিলা সমিতিয়ে। মেলাৰ নামত ব্যৱসায়ীসকলৰ পৰা অত্যধিক পৰিমাণৰ ধন সংগ্ৰহ, বাজহুৱা ধনৰ হিচাপৰ স্বচ্ছতাৰ অভাৱ, ১৫নং ৰাষ্ট্ৰীয় ঘাইপথত যান-বাহনৰ চলাচলত বাধা সৃষ্টি, মীনাবজাৰৰ মনোৰঞ্জনমূলক অনুষ্ঠানৰ অত্যাধিক প্ৰৱেশ মাছুল আৰু পৰ্যাপ্ত শৌচাগাৰৰ ব্যৱস্থা নথকাৰ অভিযোগ উত্থাপন কৰা অভিযোগ অনুসৰি, মেলাত দোকান-পোহাৰ স্থাপন কৰিবলৈ অহা ব্যবসায়ীসকলৰ পৰা স্থানভেদে ২,০০০-৩,০০০ টকাৰ পৰা ১৫,০০০-২০,০০০ টকা পৰ্যন্ত স্থান ভাড়া বা মাছুল হিচাপে আদায় কৰা হয়। কিন্তু এইবেৰ উল্লেখ কৰা অনুসৰি, কেটেলা খেলপথাৰত প্ৰতি বছৰে অনুষ্ঠিত হৈ অহা কালীপূজাত যথেষ্ট সংখ্যক ভক্তপ্ৰাণ বাইজৰ সমাগম হয়। ধৰ্মীয় পৰম্পৰা আৰু সামাজিক সম্প্ৰীতিৰ প্ৰতি সন্মান জনাই সংগঠনটোৱে স্পষ্ট কবি দিছে যে তেওঁলোক ধৰ্মীয় অনুষ্ঠান বা পূজা-পাৰ্বণৰ বিৰোধী নহয়। কিন্তু ধৰ্মীয় অনুষ্ঠানৰ নামত যদি কোনো ধৰণৰ অনিয়ম, অবৈধ ধন সংগ্ৰহ অথবা জনসাধাৰণৰ ওপৰত অযথা আৰ্থিক বোজা জাপি দিয়া হয়, তেন্তে তাৰ বিৰুদ্ধে প্ৰশাসন দৃষ্টি আকৰ্ষণ কবাটো তেওঁলোকৰ নৈতিক দায়িত্ব। স্মাৰকপত্ৰখনত উত্থাপন কৰা অভিযোগ অনুসৰি, মেলাত দোকান-পোহাৰ স্থাপন কৰিবলৈ অহা ব্যবসায়ীসকলৰ পৰা স্থানভেদে ২,০০০-৩,০০০ টকা পৰা ১৫,০০০-২০,০০০ টকা পৰ্যন্ত স্থান ভাড়া বা মাছুল হিচাপে আদায় কৰা হয়। কিন্তু এইবেৰ সংগৃহীত ধনৰ মুঠ পৰিমাণ, আয়-ব্যয়ৰ হিচাপ আৰু ধন সংগ্ৰহৰ ভিত্তি বাজহুৱা কৰা হিছে নে নাই, সেই সম্পৰ্কত প্ৰশ্ন উত্থাপন কৰিছে সংগঠনটোৱে। ব্যৱসায়ীসকলৰ পৰা সংগৃহীত প্ৰতিটো ধনৰ বিপৰীতে যথাযথ বচিদ প্ৰদান আৰু মেলাৰ আয়-ব্যয়ৰ সম্পূৰ্ণ হিচাপ পৰীক্ষা কৰাৰ দাবী জনাইছে। ইয়াৰ উপৰি চাবিলেনযুক্ত ১৫ নং ৰাষ্ট্ৰীয় ঘাইপথৰ কোনো কোনো অংশত মেলাৰ নামত যান-বাহনৰ চলাচলত বাধাৰ সৃষ্টি হোৱা বুলিও সংগঠনে উত্থাপন কৰিছে সংগঠনটোৱে। ৰাষ্ট্ৰীয় ঘাইপথৰ স্বাভাৱিক চলাচল ব্যাহত হ'লে পথ দুৰ্ঘটনা আৰু যান-জটিৰ আশংকা বৃদ্ধি পাব পাৰে বুলি উল্লেখ কৰি সংশ্লিষ্ট ৰাষ্ট্ৰীয় ঘাইপথ কৰ্তৃপক্ষ আৰু যান-বাহন আৰক্ষীক বিষয়টো পৰীক্ষা কৰি প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে। আনহাতে, মেলাত থকা মীনাবজাৰৰ বিভিন্ন মনোৰঞ্জনমূলক অনুষ্ঠানৰ প্ৰৱেশ মাছুল অত্যধিক বুলি বাইজৰ মাজত অভিযোগ উত্থাপিত হোৱাৰ কথাও স্মাৰকপত্ৰখনত উল্লেখ কৰা হৈছে। সাধাৰণ আৰু আৰ্থিকভাবে দুৰ্বল পৰিয়ালসকলে যাতে এনে মনোৰঞ্জনৰ সুবিধা লাভ কৰিব পাৰে, তাৰ বাবে মূলাৰ তালিকা স্পষ্টভাবে প্ৰদৰ্শন আৰু প্ৰৱেশ মাছুলৰ ক্ষেত্ৰত স্বচ্ছতা বজাই ৰখাৰ দাবী জনোৱা হৈছে। মেলাখনত বহুৎ সংখ্যক লোকৰ সমাগম হোৱা সত্তেও পৰ্যাপ্ত আৰু পৰিষ্কাৰ শৌচাগাৰ তথা প্ৰস্ৰাবাগাৰৰ ব্যৱস্থা নথকাৰ অভিযোগেও বিশেষ উদ্বেগৰ সৃষ্টি কৰিছে। বিশেষকৈ মহিলা, শিশু, জ্যেষ্ঠ নাগৰিক আৰু দিব্যাংগ লোকসকলৰ অসুবিধাৰ প্ৰতি লক্ষ্য ৰাখি পৰ্যাপ্ত শৌচাগাৰ, খোৱাপানী, নিয়মীয়া পৰিষ্কাৰ-পৰিচ্ছন্নতা আৰু আৱশ্যকীয় নিৰ্ম্মাণৰ ব্যৱস্থা নিশ্চিত কৰাৰ দাবী জনাইছে সংগঠনটোৱে।

স্মাৰক পত্ৰখনৰ জৰিয়তে সংগঠনটোৱে মেলাখনৰ অনুমতি-পত্ৰ, ভূমি ব্যৱহাৰ, অগ্নিনিৰ্বাপণ ব্যৱস্থা, বিদ্যুৎ সংযোগ, জনসমাগম নিয়ন্ত্ৰণ আৰু সামগ্ৰিক নিৰাপত্তা ব্যৱস্থাবে প্ৰশাসনিক পৰীক্ষণৰ দাবী জনাইছে। লগতে উত্থাপিত অভিযোগসমূহৰ নিৰপেক্ষ তদন্ত কৰি অনিয়ম প্ৰমাণিত হ'লে দায়ী ব্যক্তিৰ বিৰুদ্ধে বিধিসম্মত ব্যৱস্থা গ্ৰহণ, আয়-ব্যয়ৰ হিচাপ পৰীক্ষা আৰু তদন্তৰ ফলাফল সংগঠনটোক লিখিতভাবে জনোৱাৰ দাবী উত্থাপন কৰিছে। সদৌ অসম অনুসূচিত জাতি ছাত্ৰ সন্থাৰ বিশ্বনাথ জিলা সমিতিৰ সভাপতি নিলোৎপল দাস আৰু সম্পাদক তুলতুল দাসে স্মাৰক পত্ৰখনৰ জৰিয়তে ইতিমধ্যে বিশ্বনাথৰ জিলা আয়ুক্তক বিষয়টোৰ গুৰুত্ব উপলব্ধি কৰি শীঘ্ৰে বিহিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনাইছে। ধৰ্মীয় অনুষ্ঠানৰ পবিত্ৰতা অক্ষুণ্ণ কথাৰ লগতে সাধাৰণ বাইজৰ স্বাৰ্থ, ব্যবসায়ীসকলৰ অধিকাৰ আৰু বাজহুৱা সম্পদৰ সঠিক ব্যৱহাৰ নিশ্চিত কৰাই সংগঠনটোৰ মূল উদ্দেশ্য বুলি স্মাৰক পত্ৰখনত উল্লেখ কৰা হৈছে।

নগাঁও জিলা প্ৰশাসনৰ উদ্যোগত জিলা কৃষি বিভাগ আৰু কৃষি বিজ্ঞান কেন্দ্ৰ নগাঁৱৰ সহযোগত পিএম কিষাণ উৎসৱ দিৱস উদ্‌যাপন



অসম বাৰ্তা, বেৰেঞ্জীয়া, ১ নৱেম্বৰ ঃ নগাঁও জিলা প্ৰশাসনৰ উদ্যোগত জিলা কৃষি বিভাগ আৰু কৃষি বিজ্ঞান কেন্দ্ৰ নগাঁৱৰ সহযোগত শনিবাৰে পিএম কিষাণ উৎসৱ দিৱস (PM Kisan Utsav Diwas) উদযাপন কৰা হয়। অনুষ্ঠানটি আদৰনি ভাষণ প্ৰদান কৰি কৃষি বিজ্ঞান কেন্দ্ৰ নগাঁৱৰ মুৰব্বী ডাঃ ভবেশ চন্দ্ৰ ডেকাই "পিএম কিষাণ উৎসৱ দিৱস (PM-KISAN Utsav Diwas) ভাৰতৰ কৃষি খণ্ড আৰু কৃষকসকলৰ অৰ্থনৈতিক সবলীকৰণৰ ক্ষেত্ৰত এক অত্যন্ত গুৰুত্বপূৰ্ণ অনুষ্ঠান। দেশৰ অন্নদাতাসকলক সমাজত উচিত মৰ্যাদা আৰু স্বীকৃতি প্ৰদান কৰাটো এই উৎসবৰ অন্যতম উদ্দেশ্য। ই কৃষকসকলক বিত্তীয় সাহায্য দিয়াৰ উপৰিও তেওঁলোকৰ আত্মবিশ্বাস বৃদ্ধি কৰে।"বুলি প্ৰকাশ কৰে।কৃষি বিজ্ঞান কেন্দ্ৰ নগাঁৱৰ পশু বিজ্ঞান বিশেষজ্ঞ ডাঃ অনিমেশ ডেকাই তাঁৰ ধৰা অনুষ্ঠানটিত উপস্থিত থাকি নগাঁও জিলাৰ নগাঁও জিলাৰ অতিৰিক্ত জিলা আয়ুক্ত(কৃষি) গোপাল শৰ্মাই "অসম চৰকাৰে বাজাৰ কৃষি খণ্ডৰ বিকাশ আৰু কৃষকসকলক সবলীকৰণৰ বাবে গ্ৰহণ কৰা বিভিন্ন পদক্ষেপ সমূহৰ বিশ্লেষণ কৰি জলসিঞ্চনৰ সম্পত্তাৰণ, শস্য বৈচিত্ৰ্য আৰু বজাৰ দখল, ষ্টেল পাম, কৃষক কল্যাণ আৰু সহযোগিতা আদি বিষয়ৰ বিশ্লেষণ কৰে। অনুষ্ঠানটিত উ পস্থিত থাকি অসম কৃষি বিশ্ববিদ্যালয়ৰ সম্প্ৰসাৰণ শিক্ষা সঞ্চালক ডাঃ মনোৰঞ্জন নেওগে কৃষিক্ষেত্ৰ আগৰ দৰে হৈ থকা নাই। তথা প্ৰযুক্তিৰ বিকাশ আৰু প্ৰয়োগৰ ফলত দেশে কৃষিক্ষেত্ৰত আগগতি লাভ কৰিছে। পূৰ্বৰ ৫০ মিলিয়ন টন কৃষি খাদ্য সামগ্ৰী উৎপাদন বৰ্তমান বৃদ্ধি পাই, ৩৭৬ মিলিয়ন টন হৈছে। বুলি তথ্যসমৃদ্ধ ভাষণ প্ৰদান কৰে। অনুষ্ঠানটিত অংশগ্ৰহণ কৰি নগাঁও জিলা কৃষি বিষয়া নিখিল নাৰায়ণ বৰুৱাই ভাষণত সকলো কৃষকক শুভেচ্ছা জ্ঞাপন কৰি, কৃষি বিভাগৰ তৰফৰ পৰা সকলো ধৰণৰ সুবিধা প্ৰদান কৰা হব বুলি প্ৰকাশ কৰে। সভাত কৃষি বিজ্ঞান কেন্দ্ৰ নগাঁৱত বিগত দিনত অনুষ্ঠিত কাঠফুলা খেতৰ প্ৰশিক্ষণ গ্ৰহণ কৰা লোকসকলক প্ৰমাণ পত্ৰ প্ৰদান কৰা লগতে জিলাখনৰ দুখাৰকী প্ৰগতিশীল কৃষকক সম্বৰ্ধনা জনোৱা হয়। ইফালে আগন্তুক দিনত আৰম্ভ কৰিবলগীয়া সবিয়হ খেতিৰ বীজ বিতৰণ কাৰ্যসূচী আৰম্ভ কৰা হয়। গাঙীৰ্য্যপূৰ্ণ অনুষ্ঠানটিত সমাজকৰ্মী তথা দেৱাশিস শৰ্মাৰ প্ৰতিনিধি হিচাপে সাগৰ শৰ্মা, সমাজকৰ্মী তাবিক আহমেদ, কৃষি বিজ্ঞান কেন্দ্ৰ নগাঁৱৰ উদ্যান শস্য বিশেষজ্ঞা জুলি শৰ্মা, ভূমি বিজ্ঞান বিশেষজ্ঞ দিপেন চন্দ্ৰ নাথ, পথাৰ শস্য বিশেষজ্ঞা ডাঃ বন্তি গগৈ, সামুহিক বিজ্ঞান বিশেষজ্ঞা ডাঃ আছফিকা ইছলাম, প্ৰকল্প সহযোগী কপক কুমাৰ টায়ে, গ্ৰাম পৰিচালক শংকু নাথ শৰ্মা, কাৰিকৰী বিষয়া বিষ্ণু নাৰায়ণ ফুকন, শতাধিক প্ৰগতিশীল কৃষক উপস্থিত থকে।

বটদ্ৰৱা থানৰ নাটঘৰত গুৰুজনাৰ প্ৰথমখন অংকীয়া নাট 'পত্নী প্ৰসাদ'ৰ সফল মঞ্চায়ন



অসম বাৰ্তা, বেৰেঞ্জীয়া, ১ নৱেম্বৰ ঃ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জনমানসত ভক্তিৰ বাৰ্তা বিলাই কৃষ্ণলীলা মাহাত্ম্য সহজভাৱে উপস্থাপনৰ বাবে ৰচিত প্ৰথমখন অংকীয়া নাট 'পত্নী প্ৰসাদ' বৃহস্পতিবাৰে নিশা পবিত্ৰ জন্মস্থান বটদ্ৰৱা থানৰ ঐতিহ্যিক নাটঘৰত অভিনীত হয়। সত্ৰৰ ভকত-বৈষ্ণৱ আৰু শিশু শিল্পীসকলৰ সজীব অভিনয়, সুমধুৰ গায়ন-বায়ন আৰু ভক্তিৰসেৰে পূৰ্ণ পৰিবেশে সমগ্ৰ নাটঘৰৰ পৰিবেশ আধ্যাত্মিক কৰি তোলে। নাটকৰ আৰম্ভণি আৰু মূল বাৰ্তা "আহে সামাজিক লোক ঃ সোহি জগতক পৰম গুৰু: পুৰুষোত্তম..." বুলি সূত্ৰধাৰৰ পবিচয়মূলক গাঙীৰ্য্যপূৰ্ণ আবাহনেৰে নাটখনিৰ শুভাৰম্ভ কৰা হয়। মহাপুৰুষজনাই এই অনুপম সৃষ্টিখনিৰ জৰিয়তে কৰ্মমাৰ্গ আৰু ভক্তিমাৰ্গৰ সংঘাত সুন্দৰকৈ ফুটি উঠিছে। যাগ-যজ্ঞত আস্থাশীল, পাণ্ডিত্যাভিমানী আৰু ভক্তিবিৰোধী ব্ৰাহ্মণসকলৰ অহংকাৰ চূৰ্ণ কৰি, তেওঁলোকৰ ভক্তিপৰায়ণ পত্নীসকলৰ ঐশ্বৰিক কৃষ্ণভক্তি আৰু গোপবালকসকলৰ লীলা-খেলাৰ মাজেৰে শ্ৰীকৃষ্ণৰ মহত্ত্ব আৰু পৰম পুৰুষত্ব এই নাটকত প্ৰকাশ পাইছে। নাটৰ শেষত ব্ৰাহ্মণসকলেও নিজৰ ভুল উপলব্ধি কৰি শ্ৰীকৃষ্ণক শৰণ লয় আৰু কৃষ্ণভক্তিত গলদাৰ হৈ পৰে। বটদ্ৰৱা থানৰ শলগুৰি সত্ৰৰ প্ৰয়াত ভুবনেশ্বৰী আইৰ তিথি উপলক্ষে সত্ৰমগুলী বটদ্ৰৱাৰ নিবেদনত এই ভাওনাখনি মঞ্চস্থ কৰা হয়। আংকীয়া ভাওনাৰ প্ৰাচীন তথা মূল ৰূপটো অক্ষুণ্ণ ৰাখি নাটখনি পৰিচালনা কৰে বিশিষ্ট শিল্পী ৰঞ্জিত মহন্তই। নাটক খনত সূত্ৰধাৰৰ ৰাষ্ট্ৰিয় মনোৰঞ্জন গোস্বামী, গায়ন হৰদয়ানন্দ বৰা, অন্যান্য শিল্পী তথা ভাৰবীয়াসকল হ'ল- ইন্দ্ৰমোহন বৰুৱা, মন্টু বৰা, তুৰাবাম বৰুৱা, লক্ষজ্যোতি বৰুৱা, প্ৰাঞ্জল ডেকা, অনুজ বৰুৱা, ক্ষেত্ৰকমল ভূঞা, কমল কলিতা, হিয়ান দেৱ গোস্বামী, জ্যোতিষ্মৰ কলিতাকে ধৰি বহুকেইগৰাকী ভকত-বৈষ্ণৱ আৰু শিশু শিল্পী। কম কথা আৰু সংক্ষিপ্ত পৰিসৰৰ মাজেদি নাট্য কাহিনীৰ পৰিসমাপ্তি ঘটোৱা এই নাটখনিৰ চৰিত্ৰসমূহৰ নিখুঁত অভিনয়, নৃত্য আৰু সুন্দৰ অভিব্যক্তিয়ে উপস্থিত প্ৰতিশ্ৰাবকী দৰ্শককে মোহাচ্ছন্ন কৰি ৰাখে। গুৰুজনাৰ সৃষ্টিৰ অভিপ্ৰায় প্ৰাসংগিকতা আৰু প্ৰাচীন সাংস্কৃতিক ঐতিহ্যৰ এই অনন্য প্ৰকাশে বটদ্ৰৱা থানৰ নাটঘৰক এক অনন্যমুখৰ আৰু পবিত্ৰ পৰিবেশৰ সৃষ্টি কৰে।

'কৃষ্ণ চন্দ্ৰ গান্ধী বঁটা-২০২৬'ৰে সন্মানিত মেঘালয়ৰ আগশাৰীৰ সংগঠন 'ছেং খাছি'



ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ১ নৱেম্বৰ ঃ উত্তৰ-পূৰ্বাঞ্চলৰ জনজাতীয় সমাজৰ মাজত শিক্ষা, সামাজিক সচেতনতা আৰু সাংস্কৃতিক ঐতিহ্য সংৰক্ষণৰ ক্ষেত্ৰত উল্লেখযোগ্য অবদান আগবঢ়াই অহা মেঘালয়ৰ আগশাৰীৰ সংগঠন 'ছেং খাছি' (KMIE)ক ২০২৬ বৰ্ষৰ সম্মানিয় 'কৃষ্ণ চন্দ্ৰ গান্ধী বঁটা' প্ৰদানেৰে সম্মানিত কৰা হয়। উত্তৰ-পূব জনজাতি শিক্ষা সমিতিৰ উদ্যোগত ৩১ অক্টোবৰত উমিয়ামস্থিত চিপিজিএছএএছব প্ৰেক্ষাগৃহত আয়োজিত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত এই বঁটা প্ৰদান কৰা হয়। অনুষ্ঠানত উত্তৰ-পূব উন্নয়ন বিত্ত নিগম (NEDFi)ৰ অধ্যক্ষ তথা পৰিচালন সঞ্চালক পি.ভি.এছ.এল.এন. মূৰ্তি মুখ্য অতিথি হিচাপে উপস্থিত থাকে। ডাঃ দেবব্ৰত দাসে অনুষ্ঠানত সভাপতিত্ব কৰে। আনহাতে, বিদ্যা ভাৰতীৰ অখিল ভাৰতীয় সম্পাদক ব্ৰহ্মজাৰী ৰাও বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে। অতিথিসকলৰ পৰিচয় আৰু সম্বৰ্ধনাবে অনুষ্ঠানৰ কাৰ্যসূচী আৰম্ভ হয়। ডাঃ পৰন তিৰাবীয়ে উত্তৰ-পূব জনজাতি শিক্ষা সমিতিৰ পৰিচয় আৰু কৃষ্ণ চন্দ্ৰ গান্ধী বঁটাৰ তাৎপৰ্য সম্পৰ্কে আলোকপাত কৰে। তেওঁ উল্লেখ কৰে যে বিগত ১৯ বছৰে এই বঁটা প্ৰদান কৰি অহা হৈছে আৰু চলিত বৰ্ষত ইয়াৰ ২০ সংখ্যক সংস্কৰণ অনুষ্ঠিত হৈছে। ছেং খাছিৰ হৈ অগ্নিস্নৱ পিনৰলে বঁটা গ্ৰহণ কৰাৰ লগতে অনুষ্ঠানত নিজৰ অনুভৱ ব্যক্ত কৰে। অনুষ্ঠানত মূল ভাষণ প্ৰদান কৰি বিদ্যা ভাৰতীৰ অখিল ভাৰতীয় সম্পাদক ব্ৰহ্মজাৰী বাৰে ছাত্ৰ-ছাত্ৰীসকলক কৃষি আৰু বাণিজ্য শিক্ষাৰ প্ৰতি বিশেষভাৱে আগ্ৰহী হ'বলৈ আহ্বান জনায়। তেওঁ কয় যে আধুনিক প্ৰযুক্তি, গৱেষণা আৰু উদ্ভাবনৰ ফলত কৃষি এতিয়া কেবল পৰম্পৰাগত জীবিকাৰ মাধ্যম হৈ থকা নাই; বৰঞ্চ নিয়োগ, উদ্যোগশীলতা আৰু আত্মনিৰ্ভৰশীলতাৰ এক বিশাল সম্ভাবনাপূৰ্ণ ক্ষেত্ৰলৈ পৰিবৰ্তিত হৈছে। একেদৰে বাণিজ্য শিক্ষাই ছাত্ৰ-ছাত্ৰীৰ মাজত বিত্তীয় জ্ঞান, পৰিচালনাৰ দক্ষতা, ব্যাৱসায়িক বুদ্ধিমত্তা আৰু উদ্যোগ স্থাপনৰ সাৰথ্য গঢ়ি তোলে বুলি তেওঁ মন্তব্য কৰে। কৃষি আৰু বাণিজ্য উভয় ক্ষেত্ৰই দেশৰ অৰ্থনৈতিক বিকাশত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে বুলি উল্লেখ কৰি তেওঁ যুব প্ৰজন্মক গতানুগতিক কেৰিয়াৰৰ ধাৰণাৰ বাহিৰলৈ গৈ এই ক্ষেত্ৰসমূহত নতুন সম্ভাবনা বিচাৰিবলৈ আহ্বান জনায়। উত্তৰ-পূৰ্বাঞ্চলৰ অপাৰ সম্ভাবনাৰ কথা উল্লেখ কৰি ৰাবে কয় যে কৃষি, প্ৰাকৃতিক সম্পদ আৰু স্থানীয় উৎপাদিত সামগ্ৰীৰ বিকাশৰ ক্ষেত্ৰত এই অঞ্চলত যথেষ্ট সুযোগ আছে। শিক্ষা, দক্ষতা আৰু উদ্ভাবনী চিন্তাৰ জৰিয়তে স্থানীয় সম্পদৰ সঠিক ব্যবহাৰ কৰি যুব প্ৰজন্মই নিজৰ লগতে সমাজ আৰু দেশৰ উন্নয়নত অধিহণা যোগাব লাগে বুলিও তেওঁ মত প্ৰকাশ কৰে। মুখ্য অতিথি পি.ভি.এছ.এল.এন. মূৰ্তিয়ে ভাষণত উত্তৰ-পূৰ্বাঞ্চলৰ সামগ্ৰিক উন্নয়ন, জনজাতীয় সমাজৰ ভূমিকা আৰু শিক্ষাৰ গুৰুত্বৰ বিষয়ে আলোকপাত কৰে। শিক্ষা, স্থানীয় সম্পদৰ সঠিক ব্যবহাৰ আৰু অৰ্থনৈতিক কৰ্মকাণ্ডক তেওঁ আঞ্চলিক উন্নয়নৰ মূল আধাৰ হিচাপে অভিহিত কৰে। অনুষ্ঠানত বাষ্ট্ৰীয় শিক্ষা নীতি—২০২০, কৃষিৰ বিকাশ তথা জনজাতীয় সমাজৰ বৈশিষ্ট্যক আৰু সামাজিক উত্তৰণ সম্পৰ্কেও আলোচনা কৰা হয়। আধুনিক শিক্ষাৰ সুযোগ গ্ৰহণ কৰাৰ সমান্তৰালভাৱে জনজাতীয় সমাজৰ পৰম্পৰা, ভাষা, সাংস্কৃতিক ঐতিহ্য আৰু পৰম্পৰাগত জ্ঞান সংৰক্ষণৰ ওপৰতো বক্তাসকলে গুৰুত্ব আৰোপ কৰে। বিনোহ মো ছুংগোৱে শলাগ প্ৰকাশ কৰি আগবঢ়োৱা অনুষ্ঠানটোত শিক্ষা আৰু সামাজিক ক্ষেত্ৰৰ সৈতে জড়িত কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে। উল্লেখ্য যে উত্তৰ-পূব জনজাতি শিক্ষা সমিতিয়ে জনজাতীয় সমাজৰ মাজত শিক্ষা বিস্তাৰ, সাংস্কৃতিক ঐতিহ্য সংৰক্ষণ আৰু সামাজিক সচেতনতা বৃদ্ধিৰ ক্ষেত্ৰত কাম কৰি অহা সংগঠনসমূহক স্বীকৃতি প্ৰদানৰ উদ্দেশ্যে এই বঁটা প্ৰদান কৰি আহিছে। ইয়াৰ জৰিয়তে নৰপ্ৰজন্মক শিক্ষা, দক্ষতা বিকাশ, উদ্যোগশীলতা আৰু বাষ্ট্ৰ নিৰ্মাণৰ প্ৰতি উৎসাহিত কৰাৰ প্ৰয়াস কৰা হৈছে।

ডুমডুমা প্ৰেছ ক্লাবত অসমৰ 'সেউজ সোণ' চাহ উদ্যোগৰ পৰিৱেশগত প্ৰভাৱক লৈ ড° মাণিক কৰ ৰচিত গ্ৰন্থ উন্মোচন



অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ১ নৱেম্বৰ ঃ অসমৰ অৰ্থনীতিৰ অন্যতম চালিকাশক্তি তথা বিশ্বজুৰি ৰাজ্যখনৰ পৰিচয় বহন কৰা 'সেউজ সোণ' চাহ উদ্যোগৰ আকষণীয় কপোটৰ আঁবত লুকাই থকা পৰিবেশগত প্ৰত্যাহ্বান আৰু পাৰিপাৰ্শ্বিক সংকটৰ বিভিন্ন দিশ উন্মোচিত হৈছে বিশিষ্ট ভূ-আকৃতিবিজ্ঞানী ড° মাণিক কৰৰ শেহতীয়া গ্ৰন্থ 'The Green Gold of Assam: An Environmental Perspective'ত। শনিবাৰে ডুমডুমা প্ৰেছ ক্লাবত আয়োজিত এক ৰাষ্ট্ৰীয়পৰ্যা অনুষ্ঠানত গ্ৰন্থখন উন্মোচন কৰা হয়। ওৱাহাটীৰ ইবি এইচ পাব্লিছার্ছৰ দ্বাৰা প্ৰকাশিত গ্ৰন্থখনত অসমৰ চাহ উদ্যোগৰ পৰিৱেশগত আৰু পাৰিপাৰ্শ্বিক দিশসমূহৰ এক গভীৰ বিশ্লেষণ দাঙি ধৰা হৈছে। বাণিজ্যিক চাহ খেতিৰ সম্প্ৰসাৰণ, ভূমিৰ ব্যবহাৰৰ পৰিবৰ্তন, মাটিৰ গুণাগুণ, জলবায়ুৰ প্ৰভাব আৰু ব্ৰহ্মপুত্ৰ উপত্যকাৰ সামগ্ৰিক পৰিবেশতন্ত্ৰৰ মাজত থকা পাৰস্পৰিক সম্পৰ্কৰ ওপৰত গ্ৰন্থখনত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে। ৰাৰেন টি লিমিটেডৰ প্ৰাক্তন কাৰ্যবাহী সঞ্চালক তথা চাহ উদ্যোগৰ বিশেষজ্ঞ উদ্ভৱ চন্দ্ৰ শৰ্মাই গ্ৰন্থখন উন্মোচন কৰে। ডুমডুমা প্ৰেছ ক্লাবৰ সভাপতি অনুজ কলিতাৰ পৌৰোহিত্যত অনুষ্ঠিত অনুষ্ঠানটোৰ আঁত ধৰে ক্লাবৰ উপ-সভাপতি অভিজিৎ খাটনিয়াৰে। গ্ৰন্থখন উন্মোচন কৰি উদ্ভৱ চন্দ্ৰ শৰ্মাই ব্ৰিটিছ শাসনকালত অসমৰ চাহ বাগিচাৰ অবাধ সম্প্ৰসাৰণে ৰাজ্যখনৰ প্ৰাকৃতিক পৰিবেশৰ ওপৰত পেলোৱা বিৰূপ প্ৰভাবৰ বিষয়ে আলোকপাত কৰে। তেওঁ কয় যে সেউজ সোণ সময়ত ভাৰতীয় চাহ খেতিয়কসকলৰ মাজত লাভকেন্দ্ৰিক মানসিকতাৰ প্ৰসাৰ আৰু বহু ক্ষুদ্ৰ চাহ খেতিয়কৰ কাৰিকৰী জ্ঞানৰ অভাৱৰ ফলত ৰাসায়নিক সাৰৰ অবিচেচক ব্যৱহাৰ বৃদ্ধি পাইছে। এনে প্ৰবণতাই চাহ গছৰ স্বাস্থ্যৰ লগতে সামগ্ৰিক পৰিবেশৰ ওপৰতো নেতিবাচক প্ৰভাব পেলাইছে। এসময়ত অসমৰ প্ৰাকৃতিক পৰিবেশত প্ৰচুৰ পৰিমাণে দেখিবলৈ পোৱা বিভিন্ন প্ৰজাতিৰ চৰাই আৰু মূল্যবান গছ-গছনিৰ সংখ্যা হ্ৰাস পোৱাটো পৰিবেশৰ প্ৰতি অবহেলাৰ এক উদ্বেগজনক পৰিণতি বুলিও তেওঁ মন্তব্য কৰে। অনুষ্ঠানত লেখক ড° মাণিক কৰে পাবাৰপইন্ট উপস্থাপনৰ জৰিয়তে অসমৰ ভূমিকম্প, বানপানী আৰু গাৰখহনীয়াৰ সমস্যাৰ লগতে মহাবাহু ব্ৰহ্মপুত্ৰৰ নদী প্ৰক্ৰিয়াৰ জন্মস্থান ডুমডুমা। সভাপতিৰ ভাষণত অনুজ কলিতাই অসমৰ বানপানী আৰু গৰাখহনীয়া সমস্যাৰ ওপৰত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী আৰু গৱেষকসকলক সামৰি শীঘ্ৰে এক আলোচনা-চক্ৰ অনুষ্ঠিত কৰাৰ কথা ঘোষণা কৰে। এনে আলোচনাৰ জৰিয়তে বাজ্যখনৰ জ্বলন্ত পৰিবেশগত সমস্যাসমূহৰ বিষয়ে যুব প্ৰজন্মৰ মাজত বৈজ্ঞানিক চিন্তা-চৰ্চা আৰু সজাগতা বৃদ্ধিৰ প্ৰয়াস কৰা হ'ব বুলি তেওঁ জানিবলৈ দিয়ে। অনুষ্ঠানত বিভিন্ন সংগঠনৰ বিষয়বৰীয়া, শিক্ষাবিদ, বিশিষ্ট ব্যক্তি আৰু স্থানীয় সচেতন নাগৰিকসকল উপস্থিত থাকে।

ৰাইমনা ৰাষ্ট্ৰীয় উদ্যানৰ কাষৰীয়া গাঁৰত বক্সাৰ বাঘিনী, নিৰীক্ষণত অসম-বংগৰ বন বিভাগৰ যুটীয়া দল

অসমবাৰ্তা, গোসাঁইগাঁও, ১নৱেম্বৰ ঃ উত্তৰবংগৰ বক্সা ব্যাঘ্ৰ প্ৰকল্পৰ পৰা মুকলি হোৱা এটা বাঘিনীয়ে বৰ্তমান অসমৰ ৰাইমনা ৰাষ্ট্ৰীয় উদ্যানৰ পশ্চিম প্ৰান্তৰ জনবসতিপূৰ্ণ অঞ্চলত বিচৰণ কৰি থকাৰ খবৰ পোৱা যায়। বিহাৰৰ বাল্মিকী ব্যাঘ্ৰ প্ৰকল্পৰ পৰা আনা প্ৰায় তিনি বছৰীয়া বাঘিনীটোৰে প্ৰথমে বাজেন্দ্ৰপুৰ আৰু শৰইবিৰ অঞ্চলত বিচৰণ কৰাৰ পিছতেই বৰ্তমান নাৰায়ণপুৰ বোৰাগাড়ী অঞ্চলত অৱস্থান কৰাবুলি জানিব পৰা গৈছে। পৰবৰ্তী সময়ত আইনী ব্যবস্থাৰ বাবে ধৃত যুবক দুজনক স্থানীয় ৰিহ পুৰীয়া আৰক্ষী থানালৈ প্ৰেৰণ কৰে।

বাষ্ট্ৰীয় উদ্যানৰ পৰা প্ৰায় ২০ৰ পৰা ৩০ কিলোমিটাৰ দূৰত্বত উপস্থিত জানি পৰা গৈছে। ইফালে যোৰা কালি জনবসতিপূৰ্ণ অঞ্চলটোত বাঘিনীটোৰে প্ৰায় চাৰিটা ঘৰচীয়া গাহৰি আক্ৰমণ কৰি নিধন কৰাৰ তথ্য পোহৰলৈ আহিছে। ফলত অঞ্চলবাসীৰ মাজত আতংকৰ সৃষ্টি হৈছে। পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি অসম আৰু পশ্

সফল ৰূপায়ণৰ সংকল্প মন্ত্ৰী বামেশ্বৰ তেলীৰ

সমষ্টিৰ শৈক্ষিক বিকাশৰ বাবে ডুমডুমাৰ বিধায়কৰ ব্যতিক্ৰমী পদক্ষেপ

ক্ৰমাগত চতুৰ্থ বৰ্ষৰ বাবে অনুষ্ঠিত কৰিলে বিধায়ক প্ৰতিভা সন্ধানী পৰীক্ষা

নৱম শ্ৰেণীৰ ১৫১৫ গৰাকী শিক্ষাৰ্থী অৱতীৰ্ণ হ'ল এই পৰীক্ষাত



অসম বার্তা, ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ১ নৱেম্বৰ ঃ এক ব্যতিক্ৰমী পদক্ষেপত ডুমডুমা বিধানসভা সমষ্টিৰ বিধায়ক ৰূপেশ গোৱালীই সমষ্টিটোৰ শৈক্ষিক ক্ষেত্ৰমনৰ উত্তৰণৰ বাবে বিগত তিনিটা বছৰত ডুমডুমা বিধানসভা সমষ্টিৰ অন্তৰ্গত প্ৰাদেশীকৃত আৰু আপ্ৰাদেশীকৃত (ব্যক্তিগত খণ্ডৰ বিদ্যালয় বাদে) বিদ্যালয়ৰ নৱম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত 'বিধায়কৰ প্ৰতিভা সন্ধানী পৰীক্ষা' অনুষ্ঠিত কৰি আহিছে। এইবেলিও আজি অৰ্থাৎ ১ নৱেম্বৰ তাৰিখ দেওবাৰে ডুমডুমা সমষ্টিৰ অন্তৰ্গত প্ৰাদেশীকৃত আৰু আপ্ৰাদেশীকৃত বিদ্যালয়ৰ নৱম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলক অধ্যয়নৰ দিশত অধিক আগ্ৰহী কৰি তুলিবৰ বাবে "চতুৰ্থ বাৰ্ষিক বিধায়কৰ প্ৰতিভা সন্ধানী পৰীক্ষা-২০২৬" অনুষ্ঠিত কৰা হয়। বিগত তিনি বছৰৰ দৰে এই বাবো ডুমডুমা নগৰৰ চাৰিখনকৈ বিদ্যালয় ক্ৰমে পিএমশ্ৰী ঘনলাল উচ্চতৰ মাধ্যমিক বিদ্যালয়, ডুমডুমা উচ্চতৰ মাধ্যমিক বালিকা বিদ্যালয়,ডুমডুমা বংগীয় বিদ্যালয় আৰু লোটাছ একাডেমীত এই পৰীক্ষা অনুষ্ঠিত হয়। দিনব এঘাৰ বজাৰ পৰা এক বজালৈ অনুষ্ঠিত এই বাৰৰ পৰীক্ষাত ডুমডুমা বিধানসভা সমষ্টিৰ অন্তৰ্গত ২২খন বিদ্যালয়ৰ নৱম শ্ৰেণীৰ ১৫১৫ গৰাকী শিক্ষাৰ্থী এই পৰীক্ষাত অৱতীৰ্ণ হয়। দুৱণি বটীয়া বিদ্যালয় সমূহৰ শিক্ষাগীসকল পৰীক্ষা কেন্দ্ৰলৈ অহা যোৱা কৰিবলৈ বিধায়ক ৰূপেশ গোৱালীৰ তৰফৰ পৰা বাছৰ ব্যৱস্থা কৰি দিয়া হয় আৰু পৰীক্ষাৰ অন্তত তেওঁলোকৰ বাবে লঘু আহাৰৰো ব্যৱস্থা কৰা হয়। মুঠ ১০০ নম্বৰৰ এই পৰীক্ষাৰ প্ৰশ্নসমূহ বহু বিকল্পধৰ্মী হয় আৰু পৰীক্ষাৰ্থীসকলে OMR Sheet ত উত্তৰ কৰিব লাগে। প্ৰশ্নসমূহ ইংৰাজী, গণিত, সাধাৰণ বিজ্ঞান, সাধাৰণ জ্ঞান আৰু যুক্তি বিষয়ক হয়। সম্পূৰ্ণ পৰীক্ষাটো এখন পৰিচালনা সমিতিয়ে হাই স্কুল শিক্ষাত্ত পৰীক্ষাৰ আৰ্হিত পৰিচালনা কৰে। প্ৰতিটো পৰীক্ষা কেন্দ্ৰতে ডুমডুমা মহাবিদ্যালয় আৰু ডুমডুমাৰ বীৰ বাঘৰ মৰাণ চৰকাৰী আদৰ্শ মহাবিদ্যালয়ৰ একোগৰাকী অধ্যাপকক বহিঃ নিৰীক্ষক হিচাপে নিযুক্তি দিয়া হৈছিল। তদুপৰি পৰীক্ষা কেন্দ্ৰকেইটাত চিকিৎসা সেৱাৰ ব্যৱস্থা কৰাৰ লগতে সুৰক্ষাৰ বাবে আৰক্ষী মোতায়েন কৰা হৈছিল। পৰীক্ষাত যোগ্যতা অনুসৰি প্ৰথম ৫০টা স্থান লাভ কৰা শিক্ষাৰ্থীসকলক বিধায়ক ৰূপেশ গোৱালীৰ তৰফৰ পৰা বাছৰ ব্যৱস্থা কৰি দিয়া হয় আৰু কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে। শেষত পৰীক্ষা পৰিচালনা সমিতিৰ সদস্য সচিব তথা পৰীক্ষক ভাৰপ্ৰাপ্ত বিষয়া মহম্মদ অলিফ খানে শলাগৰ শবাই আগবঢ়ায়। সম্প্ততি এই পৰীক্ষাটোৱে ডুমডুমা বিধানসভা সমষ্টিৰ চৰকাৰী খণ্ড বিদ্যালয়সমূহৰ শিক্ষাৰ্থীসকলৰ মাজত বিপুল জনপ্ৰিয়তা অৰ্জন কৰা পৰিলক্ষিত হৈছে। আজি পু�ৰাই শিক্ষাৰ্থীসকল এই পৰীক্ষাত অৱতীৰ্ণ হ'বৰ বাবে নিজ নিজ বিদ্যালয়ত উপস্থিত হয়গৈ আৰু তাৰ পৰা নিৰ্দিষ্ট বাছসমূহেৰে তেওঁলোকক তেওঁলোকৰ নিৰ্দিষ্ট পৰীক্ষা কেন্দ্ৰলৈ লৈ আহে। পৰীক্ষাটোক লৈ অধিকাংশ শিক্ষাৰ্থীৰ মাজত ব্যাপক উৎসাহ দেখিবলৈ পোৱা যায়। এইবাৰ কেইবাগৰাকীও শাৰীবিক ভাবে অক্ষম পৰীক্ষাৰ্থীয়ে ষ্টেল চেয়াৰত বহি পৰীক্ষা দিবলৈ অহাও দেখিবলৈ পোৱা যায়। আনহাতে, আজি এই পৰীক্ষাতো সুচাৰুকৰূপে অনুষ্ঠিত কৰাৰ ক্ষেত্ৰত সহযোগিতা আগবঢ়োৱা সকলোকে বিধায়ক ৰূপেশ গোৱালীই আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছে।

অসম সাহিত্য সভাৰ দুলীয়াজান অধিৱেশন; আদৰণি সমিতিৰ সাধাৰণ সভাত প্ৰস্তুতিৰ পৰ্যালোচনা

অসম বার্তা, দুলীয়াজান, ১ নৱেম্বৰ ঃ অসম সাহিত্য সভাৰ আগন্তুক অষ্টসপ্ততিতম দ্বি-বাৰ্ষিক দুলীয়াজান অধিবেশনখন সুচাৰুৰূপে আৰু ঐতিহ্যিকভাবে সম্পন্ন কৰাৰ লক্ষ্যেৰে আজি আদৰণি সমিতিৰ এখন গুৰুত্বপূৰ্ণ সাধাৰণ সভা অনুষ্ঠিত হৈ যায়। দুলীয়াজান সাহিত্য সভা প্ৰাংগণত অবস্থিত অধিবেশনৰ অস্থায়ী কাৰ্যালয়ত অনুষ্ঠিত এই সভাই সাহিত্য প্ৰেমী ৰাইজ আৰু স্থানীয় জনসাধাৰণৰ মাজত জাতীয় মহোৎসৱটিক লৈ এক নতুন উৎসাহৰ সৃষ্টি কৰিছে। আদৰণি সমিতিৰ অন্যতম কাৰ্যকৰী সভাপতি আদিত্য গোস্বামীৰ সভাপতিত্বত অনুষ্ঠিত হোৱা এই গাম্ভীৰ্যপূৰ্ণ সভাখনৰ উদ্দেশ্য ব্যাখ্যা কৰে সাধাৰণ সম্পাদক ব্ৰজেন গগৈয়ে। তেওঁ আগন্তুক অধিবেশনখনৰ প্ৰস্তুতিৰ সামগ্ৰিক ৰূপৰেখা দাঙি ধৰাৰ লগতে বিভিন্ন উপ-সমিতিসমূহৰ কাম-কাজৰ পৰ্যালোচনাও বিষয়টো অবগত কৰে আৰু সকলোৰে সহযোগিতা কামনা কৰে। উক্ত সাধাৰণ সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকি অসম সাহিত্য সভাৰ অষ্টসপ্ততিতম দ্বি-বাৰ্ষিক দুলীয়াজান অধিবেশনৰ আদৰণি সমিতিৰ সভাপতি তথা অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী বামেশ্বৰ তেলিয়ে এক তাৎপৰ্যপূৰ্ণ ভাষণ প্ৰদান কৰে। মন্ত্ৰীগৰাকীয়ে দ্ৰুততাৰে বক্তব্য কৰে যে তেলেংগীয়া দুলীয়াজানত অনুষ্ঠিত হ'বলগীয়া এই অধিবেশনখন যাতে অসম সাহিত্য সভাৰ ইতিহাসত এক অন্যতম সফল আৰু স্মৰণীয় অধিবেশন হিচাপে পৰিগণিত হয়, তাৰ বাবে আদৰণি সমিতিয়ে সম্পূৰ্ণ প্ৰচেষ্টা চলাব। সকলোৱে সন্মিলিত প্ৰচেষ্টাৰে এই অনুষ্ঠানটিক এক অনন্য মাত্ৰা প্ৰদান কৰাৰ বাবে তেওঁ সকলোলৈকে আহ্বান জনায়। আনহাতে, সভাখনত উপস্থিত থাকি অসম সাহিত্য সভাৰ উপ-সভাপতি পদুম ৰাজখুৱাই নিজৰ ভাষণত অধিবেশনখন সৰ্বাঙ্গ সুন্দৰ আৰু শৃংখলাবদ্ধভাবে অনুষ্ঠিত কৰাৰ ক্ষেত্ৰত আদৰণি সমিতিক কেতবোৰ গুৰুত্বপূৰ্ণ দিহা-পৰামৰ্শ আগবঢ়ায়। তেওঁ সাহিত্য সভাৰ গৰিমা অক্ষুণ্ণ ৰাখি দুলীয়াজান অধিবেশনৰ আয়োজন নিখুঁত কৰাৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰে। আজিৰ এই সাধাৰণ সভাৰ জৰিয়তে দুলীয়াজান অধিবেশনৰ প্ৰস্তুতি পৰ্বই এক নতুন আৰু ক্ষিপ্ত গতি লাভ কৰা বুলি উদ্যোক্তাসকলে জানিবলৈ দিছে।

ৰৰপেটাৰোডত ঐতিহ্যমণ্ডিত ৯৮ সংখ্যক সৰ্বজনীন ৰাস মহোৎসৱৰ লাইখুঁটা স্থাপন

১৯ দিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে ৰাসমহোৎসৱৰ ব্যাপক প্ৰস্তুতি

অসম বার্তা, ৰৰপেটাৰোড, ১ নৱেম্বৰ ঃ ঐতিহ্যমণ্ডিত ৰৰপেটাৰোডৰ ৯৮ সংখ্যক সৰ্বজনীন ৰাস মহোৎসৱৰ লাইখুঁটা স্থাপন কাৰ্যসূচী আজি ধৰ্মীয় পৰম্পৰা আৰু মাংগলিক ধ্বনিৰ মাজেৰে সফলভাবে সম্পন্ন হয়। বিগত বৰ্ষসমূহৰ দৰেই এইবেলিও জাকজমকভাবে আৰু বৰ্ণাঢ্য কাৰ্যসূচীৰে ৰাস মহোৎসৱ উদযাপনৰ বাবে ব্যাপক প্ৰস্তুতি চলোৱা হৈছে। উদযাপন সমিতি ফালৰ পৰা জানিবলৈ দিয়া মতে, এইবাৰ ৯৮সংখ্যক ৰাস মহোৎসৱ অহা ২৪ নৱেম্বৰৰ পৰা ১২ ডিচেম্বৰলৈ মুঠ ১৯দিনীয়াকৈ আয়োজন কৰা হৈছে। ধৰ্মীয় পৰম্পৰা অক্ষুণ্ণ ৰাখি মহোৎসৱৰ মূল আকৰ্ষণ হিছাপে মনোমোহা মুখ্য মূৰ্তি প্ৰদৰ্শনৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে। এই সুদীৰ্ঘ ১৯দিনীয়া উৎসৱৰ সাংস্কৃতিক সন্ধিয়াসমূহত দেশ তথা ৰাজ্যৰ কেইবাগৰাকীও শিল্পীয়ে সংগীত পৰিবেশন কৰিব। এইবাৰৰ বিশেষ আকৰ্ষণ হিছাপে উপস্থিত থাকিবসাধনা স্বৰ্গমৰি বিশিষ্ট মুন্নাবৈৰ কণ্ঠশিল্পী), ছালমান আলী, জনপ্ৰিয় কণ্ঠশিল্পী জুবলী বৰুৱা, পাৰ্থপ্ৰতিম, মিষ্টাৰ আকাশ (কলকাতা) এওঁলোকৰ উপৰিও বাজাৰ কেইবাগৰাকীও জনপ্ৰিয় গায়ক-গায়িকাইসাংস্কৃতিক মঞ্চ গুৰজি কৰিব। ইয়াৰ সমাস্তৰাল ভাবে স্মৰণিকা 'কৃষ্ণাৰন' প্ৰকাশনৰ কাম পূৰ্ণ গতিত আগবাঢ়িছে। লাইখুঁটা স্থাপন কাৰ্যসূচীৰ লগত সংগতি ৰাখি উদযাপন সমিতিৰ বিষয়বৰীয়া সকলে ৰাইজৰ উপস্থিতি আৰু সৰ্বাত্মক সহযোগিতা কামনা কৰিছে।

গেলেকী ন-পুখুৰী স্বৰ্ণ শাখা সাহিত্য সভাৰ সহযোগত চিত্ৰাংকন প্ৰতিযোগিতা সম্পন্ন

অসম বার্তা, গেলেকী, ১ নৱেম্বৰ ঃ শিবসাগৰ জিলা সাহিত্য সভাৰ কুঁহি উপ-সমিতিৰ উদ্যোগত আৰু গেলেকী ন-পুখুৰী স্বৰ্ণ শাখা সাহিত্য সভাৰ সহযোগত জিলা ভিত্তিত আয়োজিত বিশাল প্ৰাই জমানি চিত্ৰাংকন প্ৰতিযোগিতাখনি আজি সফলতাৰে অনুষ্ঠিত হৈ যায়। উল্লেখ্য যে, এই প্ৰতিযোগিতা চলিত বৰ্ষৰ ৮ আগষ্ট তাৰিখে জিলাখনৰ সমূহ শাখাৰ সহযোগত অনুষ্ঠিত হোৱাৰ কথা আছিল যদিও উজনি অসমত হোৱা প্ৰলয়কাৰী বান পৰিস্থিতিৰ বাবে সেইদিনা অনুষ্ঠিত কৰা সম্ভৱ হৈ উঠা নাছিল আৰু সেয়েহে এই প্ৰতিযোগিতা আজি দিনটোত সফলতাৰেঅনুষ্ঠিত কৰা হয় জিলাখনৰ বিভিন্ন প্ৰান্তত। ন-পুখুৰী শাখা সাহিত্য সভাৰ সহযোগত গেলেকী-পুখুৰী এম, ভি, স্কুলত অনুষ্ঠিত এই প্ৰতিযোগিতা সৰমুঠ চাৰিটা শাখাত অনুষ্ঠিত এই প্ৰতিযোগিতাত মুঠ ১৯দিনীয়াকৈ ৬ষ্ঠ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে উৎসাহেৰে অংশগ্ৰহণ কৰে। প্ৰতিযোগিতাৰ নিয়ম অনুসৰি 'ক', 'খ', 'গ' আৰু 'ঘ'— এই চাৰিটা শাখাৰ বাবে নিৰ্দিষ্ট বিষয় নিৰ্ধাৰণ কৰা হৈছিল। তাৰ ভিতৰত প্ৰাক্-প্ৰাথমিকৰ পৰা প্ৰথম শ্ৰেণীলৈ আছিল 'ক' শাখা (স্ব-ইচ্ছাৰে চিত্ৰ অংকন), দ্বিতীয় শ্ৰেণীৰ পৰা চতুৰ্থ শ্ৰেণীলৈ 'খ' শাখাৰ বিষয় আছিল "তুমি ভালপোৱা এখন কিতাপ", পঞ্চম শ্ৰেণীৰ পৰা সপ্তম শ্ৰেণীলৈ 'গ' শাখাৰ বিষয় আছিল "কিতাপ পঢ়াৰ আনন্দ" আৰু অষ্টম শ্ৰেণীৰ পৰা দশম শ্ৰেণীলৈ 'ঘ' শাখাৰ বিষয় আছিল "চিৰ চেনেহী মোৰ ভাষা জননী" বাক্যাংশীয় আধাৰত এটি বেটুপাত। প্ৰতিগৰাকী প্ৰতিযোগীৰ বাবে ভৰ্তি মাছুল নিৰ্ধাৰণ কৰা হৈছিল ৫০/- টকা। ন-পুখুৰী স্বৰ্ণ শাখা সাহিত্য সভাৰ সহযোগত অনুষ্ঠিত আজিৰ এই চিত্ৰাংকন প্ৰতিযোগিতাত বহী নিৰীক্ষক হিচাপে হেম্ভ ৰাজখোৱা উপস্থিত থকাৰ লগতে ন-পুখুৰী স্বৰ্ণ শাখা সাহিত্য সভাৰ সভাপতি দিলীপ মহন্ত, বিষয়ৰবীয়া ক্ৰমে গুণ মৰাণ, হেম্ভ গগৈ, প্ৰতিস্মিতা গগৈ, অৱন্তী ৰাজখোৱা, দুৰ্লভ গগৈ, চম্পা ফুকন আৰু সাংবাদিক ৰাহিদ আলী প্ৰমুখে বহু কেইজন বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

পদুম পুখুৰী উঃ মাঃ বিদ্যালয়ৰ কৰ্মচাৰী খৰ্গেশ্বৰী কলিতাৰ বিদায় সম্বৰ্ধনা

অসম বার্তা, দেওমৰনৈ, ১ নৱেম্বৰ ঃ দেওমৰনৈ পাৰ্শবৰ্তী ছিপাঝাৰ শিক্ষা খণ্ডৰ অন্তৰ্গত পদুম পুখুৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ কৰ্মচাৰী খৰ্গেশ্বৰী কলিতাই চকৰীৰী নিয়ম অনুসৰি অৱসৰ গ্ৰহণ কৰাৰ পৰিপ্ৰেক্ষিতত আজি বিদ্যালয়ৰ সভাগৃহত এখন বিদায় সম্বৰ্ধনা সভা অনুষ্ঠিত কৰা হয়। বিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰী আৰু ছাত্ৰ একত্ৰা সভাৰ যুটীয়া উদ্যোগত অনুষ্ঠিত সভা সঞ্চালনা কৰে বিদ্যালয়ৰ প্ৰতিষ্ঠাপক অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক ফটিক চন্দ্ৰ চৰইয়াই। অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক ধীৰেশ্বৰ শৰ্মা, কানুবাম শইকীয়া, অৱসৰপ্ৰাপ্ত শিক্ষক ভদ্ৰ কলিতা, গোবিন্দ বৰুৱা, নলবাৰীস্থিত বিষ্ণুৰাম মেধি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক্ত্রী মনিষা চৰইয়া, মঙলদৈ বিদ্যাপীঠ উচ্চ মাধ্যমিক বিদ্যালয়ৰ শিক্ষয়িত্রী মিনাক্ষী নাথ প্ৰমুখে কেইগৰাকীও শিক্ষক, বিশিষ্ট ব্যক্তি উপস্থিত থকা সভাত বিদ্যালয়ৰ প্ৰধান শিক্ষক কমল গোস্বামী, অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক ধীৰেশ্বৰ শৰ্মা, মধ্য খণ্ডৰ প্ৰধান শিক্ষক লক্ষেশ্বৰ ডেকা, পাচকীয়া উচ্চ মাধ্যমিক বিদ্যালয়ৰ জ্যেষ্ঠ শিক্ষক ভূপেন চৰইয়াই খৰ্গেশ্বৰী কলিতাৰ কৰ্মনিষ্ঠা, নিয়মানবৰ্তিতা আৰু সততাক প্ৰশংসা কৰাৰ লগতে বক্তব্যৰ জৰিয়তে কলিতাৰ সুস্বাস্থ্য আৰু দীৰ্ঘায়ু জীৱন কামনা কৰে। সভাত স্থানীয় অনুষ্ঠান আৰু ব্যক্তি বিশেষে অনুকূল ধৰণে সম্বৰ্ধনা জনায়। ই পিনে বিদ্যালয়খনৰ পৰা ২০২৫ বৰ্ষৰ একত্ৰিশ ডিচেম্বৰত অৱসৰ গ্ৰহণ কৰা আন এগৰাকী জ্যেষ্ঠ শিক্ষক ঘনশ্যাম শৰ্মাকো আজিৰ সভাত সম্মান জনায়।

গোলাঘাটত তাই আহোম মঞ্চ আৰু আটাছু গোলাঘাট মহকুমা সমিতিৰ শপতগ্ৰহণ

অসম বার্তা, ষ্টাফ ৰিপৰ্টাৰ, গোলাঘাট, ১নৱেম্বৰ ঃ সদৌ তাই আহোম ছাত্ৰ সস্থা (আটাছু), গোলাঘাট জিলা সমিতিৰ উদ্যোগত আজি জিলা সমিতিৰ মুখ্য কাৰ্যালয়ত এখনি জিলা কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হোৱাৰ লগতে গোলাঘাট জিলা তাই আহোম মহিলা মঞ্চ আৰু আটাছু গোলাঘাট মহকুমা সমিতিৰ নবগঠিত সমিতি দুখনৰ শপত গ্ৰহণ অনুষ্ঠান সফলভাবে সম্পন্ন হয়। আটাছু গোলাঘাট জিলা সমিতিৰ সভাপতি পংকজ গগৈৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত আটাছু কেন্দ্ৰীয় সমিতিৰ মুখ্য সাংগঠনিক সম্পাদক কৃষ্ণ বৰুৱা, সহকাৰী সম্পাদক ধ্ৰুবজ্যোতি শইকীয়া, প্ৰচাৰ সম্পাদক গৌতম লাহন, জিলা সমিতিৰ মুখ্য উপদেষ্টা জ্যোতিপ্ৰসাদ গগৈ, কাৰ্যকৰী সভাপতি দিগন্ত গগৈ, যুটীয়া সম্পাদক অংকুৰ কোঁৱৰ আৰু ভাস্কৱজ্যোতি ফুকন, উপ-সভাপতি অনন্ত গগৈ, বিতোপন গগৈ আৰু জয়ন্ত গগৈ, সহকাৰী সম্পাদক পাৰ্থ প্ৰতীম কোঁৱৰ, শংকৰজ্যোতি বড়া, জগত গগৈকে প্ৰমুখ্য কৰি জিলা সমিতিৰ বিষয়ৰবীয়াসকল উপস্থিত থাকে। অনুষ্ঠানত গোলাঘাট জিলা তাই আহোম মহিলা মঞ্চৰ সভানেত্ৰী হিচাপে এলিজা ফুকন, কাৰ্যকৰী সভানেত্ৰী হিচাপে ৰ'জলীন বুঢ়াগোহাঁই আৰু যুটীয়া সম্পাদিকা হিচাপে মৌচুমী গোঁহাই আৰু নিজৰা সন্দিকৈ নেতৃত্বত নবগঠিত সমিতিদুখনে শপত গ্ৰহণ কৰে। একেদৰে, আটাছু গোলাঘাট মহকুমা সমিতিৰ সভাপতি হিচাপে দীপক গগৈ, কাৰ্যকৰী সভাপতি হিচাপে বন্ধপ্ৰতীম দুৱৰা আৰু যুটীয়া সম্পাদক হিচাপে প্ৰীতম কোঁৱৰ আৰু দিগাংকৰ গগৈৰ নেতৃত্বত নবগঠিত মহকুমা সমিতিখনেও শপত গ্ৰহণ কৰে। সভাখনত সংগঠনটোৰ সাংগঠনিক ভেটি অধিক সুদৃঢ় কৰা, তাই আহোম জনগোষ্ঠীৰ জাতীয় অস্তিত্ব, স্বকীয় পৰিচয়, ভাষা-সংস্কৃতি আৰু ঐতিহ্য সংৰক্ষণৰ ক্ষেত্ৰত ঐক্যবদ্ধভাবে কাম কৰা তথা জনগোষ্ঠীটোৰ সৰ্বাংগীণ উন্নয়নৰ বাবে অধিক সক্ৰিয় ভূমিকা গ্ৰহণ কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। নবগঠিত মহিলা মঞ্চ আৰু মহকুমা সমিতিৰ জৰিয়তে সাংগঠনিক কাম-কাজে নতুন গতি লাভ কৰাৰ লগতে জাতীয় দায়িত্ববোধৰে নবপ্ৰজন্মক সংগঠিত কৰি তাই আহোম জনগোষ্ঠীৰ ন্যায্য প্ৰাপ্য আৰু অধিকাৰ সাব্যস্ত কৰাৰ সংগ্ৰাম অধিক শক্তিশালী হ'ব বুলি আশা প্ৰকাশ কৰা হয়। আটাছু গোলাঘাট জিলা সমিতিয়ে সংগঠনৰ প্ৰতিগাঁৱকী বিষয়ৰবীয়া আৰু কৰ্মকৰ্তাক জাতীয় স্বাৰ্থক সৰ্বোচ্চ আগ্ৰাধিকাৰ দি নিষ্ঠা, সততা, ঐক্য আৰু দায়বদ্ধতাৰে সাংগঠনিক দায়িত্ব পালন কৰিবলৈ আহ্বান জনায়। জাতীয় অস্তিত্ব সুৰক্ষিত কৰা, স্বকীয় পৰিচয় অক্ষুণ্ণ ৰখা আৰু তাই আহোম জনগোষ্ঠীৰ সৰ্বাংগীণ উন্নয়নৰ লক্ষ্যৰে আটাছুৰ সংগ্ৰামী যাত্ৰা অব্যাহত ৰাখিবে বুলি আটাছুৰ গোলাঘাট জিলা সমিতিৰ মুখ্য প্ৰচাৰ সম্পাদক উপৰন গগৈয়ে এক প্ৰেছ বিজ্ঞপ্তি জৰিয়তে প্ৰকাশ কৰিছে।

আস্থা আৰু বিশ্বাসৰ প্ৰতীক গোলাঘাটৰ ঐতিহাসিক ৰৰগছজোপা; গৰখীয়া ভোগক কেন্দ্ৰ কৰি সমবেত হাজাৰ হাজাৰ ভক্তপ্ৰাণ ৰাইজ

৫০টা চৌকাত ২৫ হাজাৰৰো অধিক লোকৰ বাবে ১৫০ গৰাকী দেউৰীবে প্ৰস্তুত কৰিলে ভোগ; ভোগ আগবঢ়ালে মন্ত্ৰী অতুল বৰাই

অসম বার্তা, ষ্টাফ ৰিপৰ্টাৰ, গোলাঘাট, ১ নৱেম্বৰ ঃ গোলাঘাট জিলাৰ এজোপা বিশেষ বৰগছ। যিজোপা বৰগছক কেন্দ্ৰ কৰি গঢ় লৈ উঠিছে হাজাৰ হাজাৰ লোকৰ আস্থা আৰু বিশ্বাস। বাজাৰ বিভিন্ন প্ৰান্তৰ পৰা প্ৰতিবছৰে এই স্থানলৈ আগমন ঘটে অসংখ্য ধৰ্মপ্ৰাণ লোকৰ। বৰগছজোপাৰ তলত চাকি-বত্তি জ্বলোৱাৰ লগতে ভক্তিভাৱে আগবঢ়ায়ই আমবলি হাঁহ আৰু কোমোৱা। লোকবিশ্বাস অনুসৰি, এই বৰগছজোপাৰ তলত শ্ৰদ্ধা আৰু ভক্তিৰে চাকি-বত্তি জ্বলোৱাৰ লগতে ভোগ আগবঢ়ালে মনোবাঞ্ছা পূৰণ হয়। পাছ ডেৰশ বছৰীয়া এক পৰম্পৰা। যাঁত জড়িত হৈ আছে মানুহৰ গভীৰ আস্থা, বিশ্বাস আৰু ভক্তিৰ অনুভূতি। প্ৰতিবছৰে কাতি মাহৰ কোনোবা এটা দেওবাৰে এজোপা বিশেষ বৰগছক কেন্দ্ৰ কৰি অনুষ্ঠিত হয় পৰম্পৰাগত গৰখীয়া ভোগ। গোলাঘাট জিলাৰ খুমটিই সমষ্টিৰ অন্তৰ্গত অকামলুলা এঁতিহ্যিক সমন্বয় ক্ষেত্ৰৰ (বৰগুৰি) এই বৰগছজোপাক কেন্দ্ৰ কৰিয়েই পালন কৰি অহা হৈছে এই বিশেষ পৰম্পৰা। অসমীয়া হাঁহ আৰু কোমোৱাৰে প্ৰস্তুত কৰা আঞ্জাৰ লগতে বিভিন্ন খাদ্য-সামগ্ৰীৰে ভোগ আগবঢ়োৱা হয়। এই স্থানত ভক্তিভাৱে সেৱা আগবাঢ়ালে মনোবাঞ্ছা পূৰণ হয় বুলি ৰাইজৰ মাজত গভীৰ বিশ্বাস প্ৰচলিত হৈ আছে। প্ৰতিবছৰে দৰে এইছত্তৰো ব্যাপক আয়োজন কৰা হৈছে অকামলুলাৰ এঁতিহাসিক গৰখীয়া ভোগৰ। এইবাৰ প্ৰায় ২৫ হাজাৰৰো অধিক ভক্তপ্ৰাণ লোকৰ বাবে ৫০টা চৌকাত ১৫০ গৰাকী দেউৰীয়ে ভোগ প্ৰস্তুত কৰিছে। এই উপলক্ষে পুৱাৰে পৰাই উক্ত স্থানত ভক্তপ্ৰাণ ৰাইজৰ সমাগম পৰিলক্ষিত হৈছে। দুৰ-দুৰণিৰ পৰা অহা প্ৰতিগৰাকী ভক্তই চাকি-বত্তিৰ লগতে আমবলি হাঁহ আৰু কোমোৱা লৈ আহি বৰগছজোপাৰ তলত ভক্তিভাৱে আগবঢ়াইছে। এনেদেৰে প্ৰায় ডেৰশ বছৰীয়া পৰম্পৰা, লোকবিশ্বাস আৰু আধ্যাত্মিক আস্থাক বুকুত সামৰি আজিও অব্যাহত আছে অকামলুবাৰ এঁতিহ্যিক গৰখীয়া ভোগ। সময়ৰ পৰিবৰ্তনৰ মাজতো এই পৰম্পৰাই অঞ্চলটোৰ ধৰ্মীয় আৰু সামাজিক সমন্বয়ৰ এক বিশেষ নিদৰ্শন দাঙি ধৰিছে। এই সম্পৰ্কে গৰখীয়া ভোগৰ উদ্যোক্তাই কয় এই ভোগ আমাৰ আজোকাৰা, ককাৰ দিনৰে পৰা অনুষ্ঠিত কৰি আহিছে। প্ৰায় ডেৰশ বছৰ আগৰে পৰা ক্ৰমান্বয়ে চলি আহিছে এই অনুষ্ঠান। আমি এই গাঁৱৰ এশ ত্ৰিছ ঘৰ অসীদাৰে প্ৰতিবছৰে এই ভোগ প্ৰস্তুত কৰা হয় যাঁত আমলিৰ হাঁহ পাৰ চৰাই আদি প্ৰস্তুত কৰি এই বনভূমৰা তলত আগবঢ়োৱা হয়। ইয়াৰ উপৰিও বহু দূৰ দূৰণিৰ পৰা ভক্ত সকল ইয়ালৈ আহি নিজৰ মনোবাঞ্ছা পূৰণ অৰ্থে চাকি বত্তি জ্বলাই। আনহাতে এই সম্পৰ্কে এজন ভক্তই কয় আমি বিগত দহ বছৰৰ পৰা ইয়ালৈ আহোঁ আৰু হাঁহ আৰু কোমোৱা আগবাঢ়াওঁ আমাৰ লগত পৰিয়ালৰ লোকে আহি চাকি বত্তি জ্বলাই। আমি ইয়ালৈকে নাহিলে মন ভাল নালাগে। এই বৃহৎ অনুষ্ঠানৰ আয়োজন কৰাৰ বাবে যি সকলে দিনে নিশাই কষ্ট কৰে তেওঁলোকলৈ ধন্যবাদ জ্ঞাপন কৰিছোঁ। এই অনুষ্ঠানত অসমৰ বিভিন্ন প্ৰান্তৰ পৰা হাজাৰ হাজাৰ লোকৰ সমাগম হয়। এইসম্পৰ্কে এজন স্থানীয় লোকে কয় বৰগুৰি সমন্বয় ক্ষেত্ৰ গোলাঘাট জিলাৰ অকামলুবাত অবস্থিত। এই স্থানত থকা বৰগছ জোপাৰ প্ৰতি মানুহৰ বিশ্বাস আছে আতিজৰে পৰা। এইবৰগছ জোপা দুশ বছৰ বয়স অতিক্ৰম কৰিছে। ইফালে আজি এই পবিত্ৰ ভোগ অনুষ্ঠানত অসম গণ পৰিষদ দলৰ সভাপতি তথা মন্ত্ৰী অতুল বৰাই উপস্থিত থাকি ভোগ আগবঢ়ায়।

মাজগাঁও কিল্লাঝাৰত ফুটবল প্ৰতিযোগিতাৰ সফল সামৰণি; চেম্পিয়ন কোকিৰা ক্লাব

অসম বার্তা, কৃষ্ণাই, ১ নৱেম্বৰ ঃ গোৱালপাৰা জিলাৰ কৃষ্ণাই মাজগাঁও কিল্লাঝাৰ খেলপথাৰত বিগত কেইদিনমান ধৰি অনুষ্ঠিত হৈ থকা প্ৰতিযোগিতামূলক ফুটবল খেলনখৰ আজি সফল সামৰণি পৰে। হাৱাঘাট আঞ্চলিক ক্ৰীড়া সম্থাৰ সৌজন্যত অনুষ্ঠিত এই প্ৰতিযোগিতাখনত মুঠ ৩২টা দলে অংশগ্ৰহণ কৰিছিল। আজি অনুষ্ঠিত চূড়ান্ত খেলখন কোকিৰা ক্লাব আৰু গঁৰেমাৰী এফ.চি. দলৰ মাজত অনুষ্ঠিত হয়। তীব্ৰ প্ৰতিদ্বন্দ্বিতাপূৰ্ণ খেলখনত ট্ৰাই ব্ৰেকাৰ পদ্ধতিৰে কোকিৰা ক্লাবে চূড়ান্ত বিজয়ীৰ খিতাপ দখল কৰে। প্ৰতিযোগিতাৰ প্ৰথম পুৰস্কাৰ আছিল ৫০,১০১ টকাৰ লগতে এটা ট্ৰফী আৰু দ্বিতীয় পুৰস্কাৰ আছিল ৩১,১০১ টকাৰ লগতে এটা ট্ৰফী। প্ৰতিযোগিতাখন সুচাৰুৰূপে পৰিচালনাৰ বাবে ইউচুফ আলী আৰু মফাজুল হকক সভাপতি আৰু ৰুহুল ছইইন আৰু ৰিয়াজ আহমেদক সম্পাদক কৰি গঠিত শক্তিশালী পৰিচালনা সমিতি গঠন কৰা হৈছিল। এমাহজোৰা

সম্পাদকীয়

উচ্চ শিক্ষাৰ সংকট আৰু ACTAৰ প্ৰতিবাদ

ৰাজ্যৰ প্ৰাদেশীকৃত মহাবিদ্যালয়সমূহৰ শিক্ষক সমাজৰ দীৰ্ঘদিনীয়া ক্ষোভ আৰু অসন্তুষ্টিয়ে অৱশেষত এক ভয়াবহ ৰূপ লৈছে। অসম কলেজ শিক্ষক সংস্থা (ACTA)ৰ আহ্বানমতে ৰাজ্যজুৰি মহাবিদ্যালয়সমূহত ৰূপায়ণ কৰা দিনজোৰা 'কলম বন্ধ' আৰু ধৰ্ণা কাৰ্যসূচীয়ে আজি উচ্চ শিক্ষা খণ্ডত এক স্তব্ধিৰতা আনিছে। কেবিয়াৰ এডভান্সমেণ্ট স্কীম (CAS)ৰ অধীনত পদোন্নতিৰ দীৰ্ঘদিনীয়া পলম, চুক্তিভিত্তিক শিক্ষকৰ সেৱা নিয়মীয়াকৰণ, স্পষ্ট ছুটিৰ নীতি প্ৰণয়ন আদি গুৰুত্বপূৰ্ণ দাবীসমূহলৈ চকাৰ আৰু সাংশ্লিষ্ট বিভাগৰ উদাসীনতাই এই পৰিস্থিতিৰ সৃষ্টি কৰিছে। এক সভ্য সমাজত শিক্ষক সমাজ সৰ্বাধিক দায়িত্বশীল অংশ হ'লেও, তেওঁলোকে নিজৰ ন্যায্য প্ৰাপ্যৰ বাবে ৰাজপথলৈ ওলাই আহিবলগীয়া হোৱাটো অতি দুৰ্ভাগ্যজনক।

প্ৰথমতে, শিক্ষকসকলৰ মূল দাবীসমূহৰ প্ৰতি দৃষ্টি দিলে স্পষ্ট হয় যে এইবোৰ কোনো অবাস্তব দাবী নহয়, বৰঞ্চ তেওঁলোকৰ কৰ্মসংহতি আৰু আইনী প্ৰাপ্যৰ সৈতে ওতপ্ৰোতভাবে জড়িত। কেবিয়াৰ এডভান্সমেণ্ট স্কীম (CAS)ৰ জৰিয়তে যোগ্য শিক্ষকসকলৰ সময়মতে পদোন্নতি নিদিয়াটো তেওঁলোকৰ পেছাদাৰী বিকাশৰ প্ৰতি এক ডাঙৰ হেঙাৰ। একেদৰে, ফিউ-চে' আৰু চুক্তিভিত্তিকভাবে বহুবছৰ ধৰি সেৱা আগবঢ়াই অহা শিক্ষকসকলৰ চাকৰি নিয়মীয়াক�ৰণ নকৰাটো তেওঁলোকৰ প্ৰতি এক অন্যায়। ইয়াকোপৰি, কলেজ শিক্ষকসকলৰ বাবে এখন সুনিৰ্দিষ্ট আৰু সৰ্বাংগসুন্দৰ ছুটিৰ নীতি নথকাত তেওঁলোকে নানা প্ৰশাসনিক জটিলতাৰ সম্মুখীন হ'বলগীয়া হৈছে। এই সকলোবোৰ সমস্যাৰ তাৎক্ষণিক আৰু নমনীয় সমাধান নহ'লে ৰাজৰ উচ্চ শিক্ষাৰ মানদণ্ড যে ব্যাহত হ'ব, সেয়া নিশ্চিত। আনহাতে, এই সমগ্ৰ আন্দোলনটোৰ আনটো গুৰুত্বপূৰ্ণ দিশ হ'ল ইয়াৰ ফলপ্ৰসূ প্ৰভাৱান্বিত হোৱা শিক্ষাৰ্থীসকল। শিক্ষকসকলৰ এই 'কলম বন্ধ' কাৰ্যসূচীৰ বাবে মহাবিদ্যালয়সমূহত শ্ৰেণীকোঠাৰ পাঠদান সম্পূৰ্ণকৈ স্থবিৰ হৈ পৰে। বৰ্তমান সময়ত ছেমিষ্টাৰ পৰীক্ষা তথা পাঠ্যক্ৰম সম্পূৰ্ণ কৰাৰ গুৰুত্বপূৰ্ণ সময়ছোৱাত এনে প্ৰতিবাদে ছাত্ৰ-ছাত্ৰীসকলৰ ভবিষ্যতৰ ওপৰত এক প্ৰত্যক্ষ কুপভাব পেলাইছে। শিক্ষাৰ্থীসকলে বিগত বৰ্ষবোৰতো বিভিন্ন কাৰণত শৈক্ষিক লোকচানৰ সম্মুখীন হৈছে, আৰু বৰ্তমান শিক্ষক-চকাৰৰ সংঘাতৰ বলী হোৱাটো তেওঁলোকৰ বাবে কেতিয়াও কাম্য নহয়। অৱশ্যে, শিক্ষকসকলেও বাধ্য হৈহে এই কঠোৰ পথ বাছিল'বলগীয়া হৈছেবুলি স্পষ্ট কৰি দিছে।

এই পৰিস্থিতিত চকাৰ আৰু শিক্ষা বিভাগে কোনো ধৰণৰ জেদী মনোভাব প্ৰদৰ্শন নকৰি শীঘ্ৰেই আলোচনাৰ মাধ্যমেৰে সমাধানৰ পথ উলিয়াব লাগিব। কেবল প্ৰতিবাদৰ ভাষা বুজি পোৱাৰ পৰিবৰ্তে শিক্ষক সমাজৰ ন্যায়সংগত সমস্যাসমূহৰ স্থায়ী সমাধান কৰাটো চকাৰৰ সাংবিধানিক আৰু নৈতিক দায়িত্ব। শিক্ষাখণ্ডত আন্তঃগাঁথনি উন্নয়ন লগতে শিক্ষকসকলৰ মানসিক শান্তি আৰু সুৰক্ষা সুনিশ্চিত নহ'লে ৰাজ্যৰ ভবিষ্যৎ প্ৰজন্মক সঠিক দিশ প্ৰদৰ্শন কৰাটো অসম্ভৱ হৈ পৰিব।

আমাৰ আশা— চকাৰ আৰু ACTA কৰ্তৃপক্ষই এক ফলপ্ৰসূ আলোচনাত বহি অতিশীঘ্ৰেই এই দীৰ্ঘদিনীয়া সমস্যাসমূহৰ এক সন্মানসূচক সমাধান সূত্ৰ উলিয়াব। শিক্ষকৰ অধিকাৰ ৰক্ষা আৰু ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক ভবিষ্যত সুৰক্ষিত কৰাৰ মাজত এক সুন্দৰ ভাৰসাম্য ৰক্ষা কৰিয়েই ৰাজ্যৰ উচ্চ শিক্ষা ব্যৱস্থাক অধিক গতিশীল আৰু সবল কৰি তোলাটো বৰ্তমানৰ সময়ৰ আটাইতকৈ ডাঙৰ প্ৰয়োজনীয়তা।



সাহিত্য-সংস্কৃতিত বঁটাৰ ৰাজনীতি ঃ সৃষ্টিৰ সাধনা নে প্ৰভাৱৰ প্ৰদৰ্শন ?

এটা সময়লৈ একাকী কবি বা শিল্পী অথবা সাহিত্যিকৰ আত্মবিশ্বাস বৃদ্ধি কৰে, পূৰ্ব তুলনাত নিজৰ ক্ষেত্ৰখনত অধিক কাম কৰিবলৈ প্ৰেৰণা দিয়ে, পাঠকে নতুন লেখকৰ সাহিত্যৰ সৈতে পৰিচিত হয়, নতুন শিল্পীয়ে নিজৰ কামৰ বাবে উৎসাহ লাভ কৰে আৰু সমাজেও সৃষ্টিশীল কৰ্মৰ মূল্য উপলব্ধি কৰে। অৰ্থাৎ, সঠিক ব্যক্তি সঠিক সময়ত দিয়া এটা বঁটা ব্যক্তিৰ বাবে যেনেকৈ স্বীকৃতি, সমাজৰ বাবেও তেনেকৈ এক সাংস্কৃতিক বিনিময়ো। কিন্তু কেতিয়াবা এনে অনুভৱ হয় বঁটে যেন এতিয়া কেৱল যোগ্যতাৰ স্বীকৃতি নহয়, বৰ্তমান ই নিজৰ প্ৰভাৱ প্ৰদৰ্শনৰ এক মাধ্যমহে হৈ উঠিছে। বৰ্তমান সময়ত বঁটা-পুৰস্কাৰৰ এই মহৎ উদ্দেশ্য আৰু বাস্তৱ পৰিস্থিতিৰ মাজত কেতিয়াবা এক আচৰিত ব্যৱধান পৰিলক্ষিত হয়। বিভিন্ন দল-সংগঠন, সামাজিক মাধ্যমৰ গোট, অনুষ্ঠান বা ব্যক্তিগত উদ্যোগে সাহিত্য-সংস্কৃতিৰ নামত বিভিন্ন বঁটা প্ৰদান কৰি আহিছে। এনে উদ্যোগ নিশ্চয় প্ৰশংসনীয়। কিন্তু যেতিয়া কোনো সম্মানৰ মূল আধাৰ প্ৰতিভা, সাধনা, সৃষ্টিশীলতা আৰু অৱদানৰ সলনি ধন, ব্যক্তিগত চিনাকি, প্ৰভাৱ, গোষ্ঠীগত সম্পৰ্ক অথবা ক্ষমতাৰ সমীকৰণ হৈ পৰে, তেতিয়া বঁটাটোৱ উদ্দেশ্যই প্ৰশ্নৰ সম্মুখীন হয়। বঁটা যিমানেই আড়ম্বৰপূৰ্ণ নহওক কিয়, যদি সমাজে বিশ্বাস কৰে যে সম্মানটো যোগ্যতাৰ ভিত্তিত দিয়া হোৱা নাই, তেন্তে সেই বঁটাৰ বাহ্যিক জাকজমকতা থাকিলেও অন্তর্নিহিত মৰ্যাদা হ্ৰাস পায়।

সাম্প্ৰতিক সময়ত সামাজিক মাধ্যমৰ বিস্তাৰে সম্মান আৰু স্বীকৃতিৰ এক নতুন সংস্কৃতি সৃষ্টি কৰিছে। ফেচবুক গোট, অনলাইন সাহিত্য মঞ্চ, বিভিন্ন সাংস্কৃতিক সংগঠন, ব্যক্তিগত অনুষ্ঠান বা ক্ষুদ্ৰ-বৃহৎ সামাজিক প্ৰতিষ্ঠানে বিভিন্ন ব্যক্তিৰ নামত সম্মান-বঁটা প্ৰদান কৰা দেখা যায়। এই বোৰৰ বহুতো সঁচাকৈয়ে সমাজৰ প্ৰতি অৱদান আগবঢ়োৱা মানুহক উৎসাহিত কৰাৰ উদ্দেশ্যে প্ৰদান কৰা হয়। কিন্তু কথনো অনুষ্ঠানৰ ক্ষেত্ৰত একে মানদণ্ড বজাই ৰখা হয় বুলি ক'ব নোৱাৰি। কেতিয়াবা দেখা যায়, কোনো অনুষ্ঠানৰ সৈতে জড়িত হ'বলৈ বা সম্মান লাভ কৰিবলৈ বিভিন্ন ধৰণৰ মাছুল, অনুদান অথবা পৃষ্ঠপোষকতাৰ প্ৰয়োজন হয়। আন কিছুমান ক্ষেত্ৰত আয়োজকসকলৰ সৈতে ব্যক্তিগত ঘনিষ্ঠতা, পৰিচয় বা সামাজিক প্ৰভাৱ সম্মান লাভৰ এক গুৰুত্বপূৰ্ণ কাৰক হৈ পৰে। ফলত যিজনে বহুছৰ ধৰি সাহিত্য বা সংস্কৃতিৰ সাধনা কৰি আহিছে, তেওঁ পিছ পৰি ৰয়। আনহাতে তুলনামূলকভাবে কম অৱদান থকা ব্যক্তিয়েও কেৱল আৰ্থিক সামৰ্থ্য বা পৰিচয়ৰ জৰিয়তে সম্মান লাভ কৰিব পাৰে। ইয়াত মূল সমস্যাটো কোনো ব্যক্তিয়ে বঁটা লাভ কৰা নহয়। সমস্যাটো হ'ল বঁটাৰ নিৰ্বাচন প্ৰক্ৰিয়া কিমান স্বচ্ছ, ন্যায়সংগত আৰু যোগ্যতাভিত্তিক। যেতিয়া এই প্ৰশ্নৰ সন্তোষজনক উত্তৰ নাথাকে, তেতিয়াই বঁটাৰ বিশ্বাসযোগ্যতা ক্ষুণ্ণ হয়।

সাহিত্য-সংস্কৃতিৰ জগতখনো আমাৰ সমাজৰেই এটা অংশ। সেয়েহে ইয়াতো সামাজিক সম্পৰ্ক, পৰিচয় আৰু প্ৰভাৱৰ উপস্থিতি সম্পূৰ্ণকপে অস্বাভাবিক নহয়। কিন্তু এই সম্পৰ্ক যেতিয়া যোগ্যতাৰ ওপৰত প্ৰাধান্য লাভ কৰে, তেতিয়া সমস্যাৰ সৃষ্টি হয়। এজন ব্যক্তিৰ সৈতে আয়োজকৰ ব্যক্তিগত সম্পৰ্ক থাকিব পাৰে, কোনো শিল্পী কোনো সংগঠনৰ সৈতে দীৰ্ঘদিন ধৰি জড়িত হৈ থাকিব পাৰে, কোনো সাহিত্যিকৰ সামাজিক পৰিচিতি অধিক হ'ব পাৰে। কিন্তু বঁটাৰ মূল মাপকাঠী যদি সৃষ্টিশীল অৱদানৰ সলনি পৰিচয় আৰু প্ৰভাৱ হৈ পৰে, তেন্তে সেই ব্যৱস্থাই আন বহু যোগ্য ব্যক্তিৰ প্ৰতি অন্যায় কৰে। বিশেষকৈ সামাজিক মাধ্যমৰ যুগত 'চিনাকিৰ পৰিসৰ অধিক বিস্তৃত হৈছে। যাৰ অনলাইন উপস্থিতি অধিক, যিয়ে অধিক প্ৰচাৰ লাভ কৰে বা যাৰ সামাজিক নেটৱৰ্ক শক্তিশালী, তেওঁ সহজে দৃশ্যমান হৈ পৰে। কিন্তু দৃশ্যমানতা আৰু যোগ্যতা একে বস্তু নহয়। এজন সৃষ্টিকৰ্তাৰ প্ৰচাৰৰ পৰিমাণতকৈ তেওঁৰ সৃষ্টিৰ মান অধিক গুৰুত্বপূৰ্ণ হোৱা উচিত।

অচ্ছ বা পক্ষপাতিত্ব মূলক বঁটা ব্যৱস্থাই আটাইতকৈ বেছি ক্ষতি কৰে নীৰৱে কাম কৰি থকা সৃষ্টিশীল মানুহখিনিক। বহু প্ৰতিভাবান লেখক, কবি, শিল্পী, গৱেষক আৰু সাংস্কৃতিক কৰ্মী হয়তো সামাজিকভাৱে অতি সক্ৰিয় নহয়। তেওঁলোকে নিজৰ কামত মনোনিবেশ কৰে। সেয়েহে তেওঁলোকৰ পৰিচয়ৰ পৰিসৰ সীমিত হ'ব পাৰে। যদি সম্মান লাভৰ বাবে সৃষ্টিশীলতাৰ লগতে ব্যক্তিগত নেটৱৰ্ক, অৰ্থনৈতিক সামৰ্থ্য অথবা অনুষ্ঠানৰ সৈতে ঘনিষ্ঠতা প্ৰয়োজনীয় হৈ পৰে, তেন্তে এই নীৰব সাধকসকল পিছ পৰি যাব। তাতোকৈ গুৰুত্বপূৰ্ণ কথা, নতুন প্ৰজন্মৰ মাজত এক ভুল বাৰ্তা প্ৰচাৰিত হয় যে প্ৰতিভা আৰু পৰিশ্ৰমতকৈ পৰিচয় বা আৰু প্ৰভাৱ অধিক মূল্যবান। এই ধাৰণাই সৃষ্টিশীল সমাজৰ ভিতৰখন দুৰ্বল কৰি তোলে।

সাহিত্য-সংস্কৃতিৰ নামত বঁটা প্ৰদান কৰা প্ৰতিটো অনুষ্ঠানৰ এক নৈতিক দায়িত্ব আছে। সম্মান প্ৰদান অনুষ্ঠান কেৱল মঞ্চ, ফুলাম গামোচা, স্মাৰক আৰু আলোকচিত্ৰৰ সমষ্টি নহয়। ই সমাজৰ মূল্যবোধ নিৰ্ধাৰণৰ এক সক্ষ কিন্তু গুৰুত্বপূৰ্ণ প্ৰক্ৰিয়া। সেয়েহে বঁটা প্ৰদানৰ আগতে স্পষ্ট মাপকাঠী নিৰ্ধাৰণ কৰা উচিত। কোনে মনোনয়ন দিব পাৰিব, কোনে বাছনি কৰিব, কি কি ক্ষেত্ৰত যোগ্যতা মূল্যায়ন কৰা হ'ব, বিচাৰকসকলৰ ভূমিকা কি হ'ব এই বিষয়বোৰ যথাসম্ভৱ স্বচ্ছ হোৱা প্ৰয়োজন। সম্ভৱ হ'লে বিচাৰকৰ পৰিচয় আৰু নিৰ্বাচনৰ পদ্ধতিও স্পষ্ট কৰা উচিত। অবশ্যে প্ৰতিটো সম্মানৰ বাবে বৃহৎ প্ৰতিষ্ঠানিক ব্যৱস্থা সম্ভৱ নহ'ব পাৰে। কিন্তু অন্ততঃ নৈতিক সততা আৰু যোগ্যতাৰ প্ৰতি সম্মান থকা উচিত। কোনো ব্যক্তিক কেৱল অনুষ্ঠানৰ প্ৰচাৰ বৃদ্ধি, পৃষ্ঠপোষকতা লাভ বা ব্যক্তিগত সম্পৰ্কৰ বাবে সম্মানিত কৰিলে সম্মানটোৱে ব্যক্তিজনৰ নহয়, সমগ্ৰ অনুষ্ঠানটোৱ বিশ্বাসযোগ্যতাকেই প্ৰশ্নৰ সম্মুখীন কৰে।

সামৰণিত ক'ব পাৰি যে সাহিত্য আৰু সংস্কৃতিৰ ক্ষেত্ৰত বঁটা-পুৰস্কাৰ প্ৰয়োজনীয়তা আছে। কিন্তু বঁটাৰ প্ৰয়োজনীয়তাৰ সমানেই প্ৰয়োজনীয় ইয়াৰ বিশ্বাসযোগ্যতা। যোগ্যতাৰ ঠাইত যদি ধন, চিনাকি, ক্ষমতা, গোষ্ঠীগত সম্পৰ্ক বা ব্যক্তিগত প্ৰভাৱ প্ৰাধান্য লাভ কৰে, তেন্তে ক্ষতি কেৱল এজন যোগ্য সৃষ্টিশীল ব্যক্তিৰ নহয়, ক্ষতি হয় সমগ্ৰ সাহিত্য-সংস্কৃতিৰ পৰিবেশৰ। সম্মানৰ অৰ্থ হৈছে এজন ব্যক্তিৰ সাধনাক সমাজৰ সন্মুখত স্বীকৃতি দিয়া। সম্মান জনা কৰিব পৰা বস্তু হৈ পৰিলে 'সম্মান' শব্দটোৱেই নিজৰ অৰ্থ হেৰুৱাব। টকা দি লাভ কৰা কোনো স্মাৰক বা পৰিচয়ৰ ভিত্তিত পোৱা কোনো উপাধিয়ে হয়তো ক্ষণিকৰ আনন্দ দিব পাৰে, কিন্তু সাহিত্যৰ ইতিহাসত স্থায়ী স্থান সৃষ্টি কৰে সৃষ্টিয়েহে। সৃষ্টিশীল মানুহৰ প্ৰকৃত পৰিচয় তেওঁৰ বঁটাৰ সংখ্যা নহয়, প্ৰকৃত পৰিচয় তেওঁৰ সৃষ্টি। এজন কবিক তেওঁৰ কবিতাই জীয়াই ৰাখে, এজন ঔপন্যাসিকক তেওঁৰ উপন্যাসে, এজন শিল্পীক তেওঁৰ শিল্পকৰ্মই আৰু এজন সাংস্কৃতিক কৰ্মীক তেওঁৰ জীৱনভোৰা অবদানে সমাজৰ স্মৃতিত স্থায়ী কৰি ৰাখে। সেয়েহে আমাৰ লক্ষ্য বঁটাৰ সংখ্যা বৃদ্ধি কৰা নহয়, বঁটাৰ মৰ্যাদা ৰক্ষা কৰাহে হ'ব লাগে। আয়োজকসকলে স্বচ্ছতা, নিৰপেক্ষতা আৰু নৈতিক দায়িত্বক আগ্ৰাধিকাৰ দিব লাগিব। সৃষ্টিৰ কঠীয়া সিচা সকলে বঁটাৰ মোহতকৈ সৃষ্টিৰ সাধনাক অধিক মূল্য দিব লাগিব আৰু পাঠক-সমাজেও প্ৰতিটো সম্মানক অন্ধভাৱে গ্ৰহণ কৰাৰ সলনি তাৰ যোগ্যতা আৰু প্ৰক্ৰিয়াক লৈ সুস্থ প্ৰশ্ন উত্থাপন কৰিব লাগিব। আমি মনত ৰখা উচিত বঁটাই সাহিত্যিক ডাঙৰ নকৰে, সাহিত্যিকৰ সৃষ্টিয়েহে সাহিত্যিক আৰু বঁটাক ডাঙৰ কৰে। সম্মানৰ মূল্য মানপত্ৰৰ কাগজত নহয়, সেই সম্মান লাভ কৰা মানুহজনৰ সাধনা আৰু সৃষ্টিৰ গভীৰতাত নিহিত হৈ থাকে। সেই মৰ্যাদা অক্ষুণ্ণ ৰখাটো সাহিত্য-সংস্কৃতিৰ সৈতে জড়িত প্ৰতিজন মানুহৰ এক নৈতিক দায়িত্ব। যিদিনাখন এজন সৃষ্টিশীল ব্যক্তিৰ পৰিচয় তেওঁৰ চিনাকি, কন্ধা বা সামাজিক প্ৰভাৱৰ নহয়, তেওঁৰ সৃষ্টিয়ে নিৰ্ধাৰণ কৰিব, যিদিনাখন এখন মানপত্ৰৰ মূল্য তাৰ কাগজত নহয়, তাৰ আঁৰত থকা যোগ্যতাত নিৰ্ভৰ কৰিব, সেইদিনাই সাহিত্য আৰু সংস্কৃতিত সম্মান পুনৰ নিজৰ প্ৰকৃত মৰ্যাদালৈ উভতি আহিব।

নৈতিকতাৰ অৱলোকন

প্ৰদীপ দাস

মানৱ সভ্যতাৰ ক্ৰমবিকাশৰ ইতিহাস কেৱল বিজ্ঞান, প্ৰযুক্তি বা ভৌতিক প্ৰগতিৰ ইতিহাস নহয়, বৰঞ্চ ই মানুহৰ অন্তর্নিহিত চেতনা আৰু মূল্যবোধৰো এক দীঘলীয়া যাত্ৰা। এই যাত্ৰাপথত মানুহক বনা প্ৰণীতকৈ পৃথক কৰি এক সুসভ্য সমাজ গঢ়ি তোলাৰ ক্ষেত্ৰত আটাইতকৈ গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে 'নৈতিকতা'ই। নৈতিকতা হৈছে মানৱ জীৱনৰ সেই অন্তর্নিহিত কম্পাছ (Compass) যিয়ে ব্যক্তিক শুদ্ধ আৰু অশুদ্ধ, ন্যায় আৰু অন্যায়ৰ মাজৰ প্ৰভেদ দেখুৱাই দিয়ে। সাধাৰণ অৰ্থত যি নীতি বা নিয়মৰ দ্বাৰা মানুহৰ চৰিত্ৰ আৰু আচৰণ পৰিচালিত হয়, তাকেই নৈতিকতা (Morality) বুলিব পাৰি। ই কোনো লিখিত আইন নহয়, যিখন অন্যায় কৰিলে ন্যায়ালয়ে সততে শাস্তি দিব পাৰে। ই হৈছে সমাজ আৰু ব্যক্তিৰ বিবেকৰ দ্বাৰা নিৰ্ধাৰিত এক অলিখিত নিয়মাবলী। নৈতিকতাৰ মূল ভিত্তি হ'ল- সততা, সত্যবাদিতা, দয়া, ক্ষমা, সহানুভূতি, ন্যায়পৰায়ণতা আৰু দায়িত্ববোধ। ই মানুহৰ মনত একোটা কাম কৰাৰ পূৰ্বে "মই এইটো কৰা উচিতনে অনুচিত ?"- এই প্ৰশ্নৰ উদয় কৰে। যেতিয়া এজন ব্যক্তিয়ে নিজৰ স্বাৰ্থতকৈ সমাজ বা আনৰ মংগলক আগ্ৰাধিকাৰ দিয়ে, তেতিয়াই তেওঁৰ মাজত নৈতিকতাৰ প্ৰকাশ ঘটে বুলি ক'ব পৰা যায়।

মানৱ সমাজত নৈতিকতাৰ ধাৰণাটো এদিনতে গঢ়ি উঠা নাই। ইয়াৰ আঁৰত শতিকা জোৰা ক্ৰমবিকাশৰ ইতিহাস আছে। পৃথিবীৰ প্ৰতিটো ধৰ্মই নৈতিকতাক আটাইতকৈ বেছি গুৰুত্ব দিয়া দেখা যায়। হিন্দু ধৰ্ম বেদ-উপনিষদ-গীতা, ইছলাম ধৰ্ম কোৰান, খ্ৰীষ্টান ধৰ্ম বাইবেল বা বৌদ্ধ আৰু জৈন ধৰ্ম অহিংসাৰ বাণী— এই সকলোবোৰত মানুহক সজ পথেৰে চলিবলৈ আৰু সমাজৰ মংগলৰ অৰ্থে কাম কৰিবলৈ উপদেশ দিয়া হৈছে। অনাহাতে যুগ যুগ ধৰি সমাজত চলি অহা কিছুমান নীতি-নিয়ম, লোক-সংস্কৃতি আৰু সামাজিক ৰীতি-নীতিয়ে মানুহৰ নৈতিক চৰিত্ৰ গঠনত সহায় কৰে। ডাঙৰক সমান কৰা, অতিথি পৰায়ণতা আদি ইয়াৰ সুন্দৰ উদাহৰণ। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ, মহাত্মা গান্ধী, ছক্ৰেটিছ, গৌতম বুদ্ধ, মাদাৰ টেৰেছা আদি মহান ব্যক্তিসকলৰ জীৱন দৰ্শন আৰু ত্যাগে সমাজত নৈতিকতাৰ একো একোটা নতুন মাপকাঠী নিৰ্ধাৰণ কৰি গৈছে।

মহাত্মা গান্ধীৰ জীৱন দৰ্শন আছিল নৈতিকতাৰ এক উৎকৃষ্ট উদাহৰণ। তেওঁ সাতটা সামাজিক নীতিৰ (Seven Social Sins) কথা উল্লেখ কৰিছিল, যাৰ ভিতৰত আছিল— "ৰিতি অবিহনে জ্ঞান" আৰু "নৈতিকতা অবিহনে বাণিজ্য।" বৰ্তমান সমাজত এইবোৰী সমস্যাৰ প্ৰাসংগিক যথাৰ্থতা দাৰ্শনিক কন্ধোৱা মতে- মানুহৰ অন্তৰাত্মা বা বিবেকেই হৈছে নৈতিকতাৰ আটাইতকৈ ডাঙৰ উৎস। বাহ্যিক কোনো চাপ নোহোৱাকৈও মানুহৰ বিবেকেই তেওঁক ভাল কাম কৰিবলৈ প্ৰেৰণা যোগায়।

ব্যৱহাৰিক দিশৰ পৰা নৈতিকতাক মূলতঃ দুটা প্ৰধান ভাগত বিভক্ত কৰিব পাৰি— ব্যক্তিগত নৈতিকতা আৰু সামাজিক নৈতিকতা। ব্যক্তিগত নৈতিকতা (Personal Morality) এজন ব্যক্তিৰ নিজৰ চিন্তা, ধাৰণা আৰু চৰিত্ৰৰ সৈতে জড়িত। যেনে— নিজৰ কামৰ প্ৰতি সততা বজাই ৰখা, জীৱ-জন্তুৰ প্ৰতি দয়াশীল হোৱা, লোভ বা ক্ৰোধ সম্ভৱণ কৰা ইত্যাদি। ব্যক্তিগত নৈতিকতা শক্তিশালী হ'লেহে এজন ব্যক্তি আদর্শ মানুহ হিচাপে গঢ়ি উঠে। সামাজিক নৈতিকতাই (Social Morality) মানুহক সমাজৰ এক অংশ হিচাপে আন মানুহৰ প্ৰতি থকা কৰ্তব্য আৰু আচৰণক প্ৰতিপন্ন কৰে। ইয়াত সমাজৰ নিয়ম-কানুন মানি চলা, দুৰ্বলক সহায় কৰা, সামূহিক স্বাৰ্থৰ বাবে কাম কৰা আদি অন্তর্ভুক্ত হৈ থাকে।

সাহিত্য আৰু সংস্কৃতি কোনো সমাজৰ কেৱল মনোৰঞ্জন উপাদান নহয়, ই এটা জাতিৰ চিন্তা, চেতনা, ইতিহাস, মূল্যবোধ আৰু আত্মা পৰিচয়ৰ দাপোণ। এজন সাহিত্যিকৰ কলমত সময়ৰ কথা কোৱা হয়, এজন শিল্পীৰ সৃষ্টিত সমাজৰ অনুভূতি প্ৰতিফলিত হয় আৰু এজন সাংস্কৃতিক কৰ্মীৰ সাধনাই এটা জাতিৰ ঐতিহ্যক পৰৱৰ্তী প্ৰজন্মলৈ কঢ়িয়াই নিয়ে। সেই বাবেই সাহিত্য-সংস্কৃতিৰ ক্ষেত্ৰত আগবঢ়োৱা বঁটা বা পুৰস্কাৰৰ তাৎপৰ্য যথেষ্ট গভীৰ। সাহিত্য আৰু সংস্কৃতিৰ জগতখনত 'সম্মান' শব্দটোৰ এক নিজস্ব পৰিত্ৰতা আছে। সম্মান মানুহৰ বাবে কেৱল এখন মানপত্ৰ, এটা স্মাৰক বা মঞ্চত ডিঙিত পিন্ধাই দিয়া এখন গামোচা নহয়। সম্মাননৰ আঁৱত থাকে স্বীকৃতিৰ এক গভীৰ অনুভৱ, দীঘদিনৰ নীৰৱ সাধনাই এদিন সমাজৰ চকুত পৰাৰ এক মুদু আনন্দ। এজন কবিৰ বাবে তেওঁৰ কবিতাৰ স্বীকৃতি, এজন সাহিত্যিকৰ বাবে তেওঁৰ সৃষ্টিৰ মূল্যায়ন, এজন শিল্পীৰ বাবে তেওঁৰ সাধনাৰ প্ৰতি সমাজৰ কৃতজ্ঞতা, আচলতে এইবোৰৰ মাজতেই সম্মানৰ প্ৰকৃত সৌন্দৰ্য লুকাই থাকে। এটা বঁটা বা সম্মানে কেবল এজন ব্যক্তিক আনন্দিত নকৰে, ই তেওঁৰ সৃষ্টিশীল সাধনাক সামাজিক স্বীকৃতি দিয়ে আৰু নতুন প্ৰজন্মকো সৃষ্টিৰ পথত আগবাঢ়িবলৈ অনুপ্ৰেৰণা যোগায়।

সাহিত্য-সংস্কৃতিৰ ক্ষেত্ৰত বঁটা হৈছে এক সামাজিক স্বীকৃতি। এটা সময়ত এগৰাকী কবি বা শিল্পী অথবা সাহিত্যিকৰ আত্মবিশ্বাস বৃদ্ধি কৰে, পূৰ্ব তুলনাত নিজৰ ক্ষেত্ৰখনত অধিক কাম কৰিবলৈ প্ৰেৰণা দিয়ে, পাঠকে নতুন লেখকৰ সাহিত্যৰ সৈতে পৰিচিত হয়, নতুন শিল্পীয়ে নিজৰ কামৰ বাবে উৎসাহ লাভ কৰে আৰু সমাজেও সৃষ্টিশীল কৰ্মৰ মূল্য উপলব্ধি কৰে। অৰ্থাৎ, সঠিক ব্যক্তি সঠিক সময়ত দিয়া এটা বঁটা ব্যক্তিৰ বাবে যেনেকৈ স্বীকৃতি, সমাজৰ বাবেও তেনেকৈ এক সাংস্কৃতিক বিনিময়ো। কিন্তু কেতিয়াবা এনে অনুভৱ হয় বঁটে যেন এতিয়া কেৱল যোগ্যতাৰ স্বীকৃতি নহয়, বৰ্তমান ই নিজৰ প্ৰভাৱ প্ৰদৰ্শনৰ এক মাধ্যমহে হৈ উঠিছে। বৰ্তমান সময়ত বঁটা-পুৰস্কাৰৰ এই মহৎ উদ্দেশ্য আৰু বাস্তৱ পৰিস্থিতিৰ মাজত কেতিয়াবা এক আচৰিত ব্যৱধান পৰিলক্ষিত হয়। বিভিন্ন দল-সংগঠন, সামাজিক মাধ্যমৰ গোট, অনুষ্ঠান বা ব্যক্তিগত উদ্যোগে সাহিত্য-সংস্কৃতিৰ নামত বিভিন্ন বঁটা প্ৰদান কৰি আহিছে। এনে উদ্যোগ নিশ্চয় প্ৰশংসনীয়। কিন্তু যেতিয়া কোনো সম্মানৰ মূল আধাৰ প্ৰতিভা, সাধনা, সৃষ্টিশীলতা আৰু অৱদানৰ সলনি ধন, ব্যক্তিগত চিনাকি, প্ৰভাৱ, গোষ্ঠীগত সম্পৰ্ক অথবা ক্ষমতাৰ সমীকৰণ হৈ পৰে, তেতিয়া বঁটাটোৱ উদ্দেশ্যই প্ৰশ্নৰ সম্মুখীন হয়।

লেখক-পাঠকৰ অভিন্ন সম্পৰ্ক

এজন লেখক বা সাহিত্যিকৰ বাবে পাঠকৰ সঁহাৰি বা এযাৰ মন্তব্যই তেওঁৰ সাহিত্যিক যাত্ৰাত এক চালিকা শক্তি হিচাপে কাম কৰে। সাহিত্যৰ জগতত লেখক আৰু পাঠক এই দুয়ো এটা মুদ্ৰাৰ ইপিঠি-সিপিঠিৰ দৰে। লেখক এজন যদি ডেকা, তেন্তে পাঠকজন হৈছে সেই সৃষ্টিৰ মূল্যায়নকাৰী আৰু সজীৱ ৰূপদাতা। পাঠকৰ এযাৰি মাত এজন লেখকৰ বাবে আটাইতকৈ ডাঙৰ প্ৰেৰণা আৰু সৃষ্টিৰ মূল শক্তি। সাহিত্য সৃষ্টিৰ যাত্ৰাটো তেতিয়াহে সম্পূৰ্ণ হয়, যেতিয়া লেখক এজনে লিখা শব্দবোৰে পাঠকৰ হৃদয় স্পৰ্শ কৰে। পাঠক অবিহনে লেখকৰ সৃষ্টিশীলতা অসম্পূৰ্ণ। লেখকজন হৈছে স্ৰষ্টা আৰু পাঠকজন হৈছে সেই সৃষ্টিৰ সাৰ্থক ৰূপায়ণকাৰী। সাহিত্য কেৱল এজন লেখকৰ একপক্ষীয়া সৃষ্টি নহয়, ই হ'ল লেখক আৰু পাঠকৰ মাজৰ এক নীৰৱ আৰু গভীৰ সংযোজন। এজন লেখকে যেতিয়া নিজৰ চিন্তা, অনুভৱ আৰু শব্দবোৰ কাগজৰ বুকুত উজাৰি দিয়ে, তেতিয়া তেওঁৰ সৃষ্টিশীল যাত্ৰাটো আধৰুৱা হৈ থাকে। সেই যাত্ৰাই পূৰ্ণতা তেতিয়াহে পায়, যেতিয়া এগৰাকী পাঠকে সেই লেখা বা সৃষ্টি পঢ়ি নিজৰ প্ৰতিক্ৰিয়া ব্যক্ত কৰে। পাঠকৰ নিঃস্বাৰ্থ মমৰ আৰু সঁহাৰিয়েই এজন লেখকৰ জীয়াই ৰাখে আৰু তেওঁৰ সৃষ্টিশীলতাক চিৰপ্ৰহৰমান কৰি তোলে। ইয়েন অবিহনে যেনেকৈ গাড়ী এখন চলিব নোৱাৰে, ঠিক তেনেদৰে পাঠকৰ মৰম, উৎসাহ আৰু এযাৰ মাত অবিহনে এজন লেখকৰ সৃষ্টিশীল যাত্ৰা আগবাঢ়িব নোৱাৰে। পাঠকৰ সঁহাৰিয়েই লেখকক বুজাই দিয়ে যে তেওঁৰ সৃষ্টি বা কষ্ট সাৰ্থক হৈছে। কেৱল প্ৰশংসাই নহয়, পাঠক বা পুৰ্বৈৰ গঠনমূলক পৰামৰ্শই এজন সচেতন লেখকক নিজৰ ভুলবোৰ শুধ

শিৱসাগৰৰ জনপ্ৰিয় শৰ্মা নিউজ পেপাৰ এজেঞ্চীৰ স্বত্বাধিকাৰী তুলুমনি পাঠক শৰ্মাৰ মৃত্যু; শোকস্তব্ধ শিৱসাগৰ

অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, শিৱসাগৰ, ১ নৱেম্বৰ ঃ শিৱসাগৰৰ সৰ্বাধিক বাতৰি কাকত আৰু আলোচনী বিক্ৰীৰ জনপ্ৰিয় প্ৰতিষ্ঠান শৰ্মা নিউজ পেপাৰ এজেঞ্চীৰ স্বত্বাধিকাৰী তুলুমনি পাঠক শৰ্মাৰ যোৱা নিশা প্ৰায় ৯ বজাত শিৱসাগৰ নগৰৰ মেলাচকৰৰ বাসভৱনত আকস্মিকভাবে মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স ছিল ৫৮ বছৰ। কেইবছৰমানৰ আগতে তেখেতৰ স্বামী তথা অসম আন্দোলনৰ নেতা বিপুল শৰ্মাবো মৃত্যু হৈছিল। শিৱসাগৰৰ সমাজ জীৱনৰ সৈতে নিবিড় ভাবে জড়িত এই জনপ্ৰিয় মহিলা গাধকীৰ মৃত্যুৰ খবৰ বিয়পি পৰাৰ লগে-লগে যোৱা নিশাৰে অগণন ওপঙুষ্ক তেখেতৰ বাসভৱনলৈ সমাগম হয়। সমাজহিতৈষী মহিলা গধাকীৰ মৃত্যুত সমগ্ৰ অঞ্চলটোতে শোকৰ ছাঁ পৰে। মৃত্যুৰ সময়ত তেওঁ পুত্ৰ তথা যুব ব্যবসায়ী বিদিত দেৰ শৰ্মা আৰু জীয়াৰী বিদিশা শৰ্মাক ই'হ সংসাৰত এৰি থৈ যায়। আজি পুবা তেওঁৰ বাসভৱনত অনুষ্ঠিত এক শ্ৰদ্ধাঞ্জলি অনুষ্ঠান শিৱসাগৰৰ কেইবাটাও সামাজিক, সাংস্কৃতিক অনুষ্ঠানে তুলুমনি পাঠক শৰ্মাৰ নশ্বৰ দেহত পুষ্পাঞ্জলি অৰ্পণেৰে শেষ শ্ৰদ্ধা নিবেদন কৰে। ইয়াৰ পিছতেই পুবা ১০ বজাত নগৰৰ থানামুখ শান্তিবন শ্মশানত তেওঁৰ শেষকৃত্য সম্পন্ন কৰা হয়। তুলুমনি পাঠক শৰ্মাৰ আকস্মিক মৃত্যুত মেলাচকৰ নামঘৰ সমাজ, হিন্দু ধৰ্মসভা নামঘৰ সমিতি, কালি মন্দিৰ পৰিচালনা সমিতি, শিৱসাগৰ নাট্য সমাজ, সেউজীয়া সমাজ সঙ্গীত মহাবিদ্যালয়, চাওলুং চুকাফা ইনডৰ ষ্টেডিয়াম পৰিচালনা সমিতি, উজনি অসম মুছলিম কল্যাণ পৰিষদ, শিৱসাগৰ প্ৰেছ ক্লাব, শিৱসাগৰ জিলা বাৰ্তাজীবি সংঘ, শিৱসাগৰ জিলা সাংবাদিক সংস্থা, ডাঁমৰিদল ছিলাম বড়া স্মৃতিৰক্ষা সমিতি, অসম সাংস্কৃতিক মহাসভা, শিৱসাগৰ জিলা বাতৰি কাকত বিতৰক সঘ, ৰংপুৰ জ্যোতি ক্লাব, শিৱসাগৰ ক্ৰীড়া সংস্থাকে ধৰি বহু অনুষ্ঠান প্ৰতিষ্ঠানে শোক প্ৰকাশ কৰিছে।

অসমত নদী পৰ্যটন বিকাশ কৰাৰ লক্ষ্যৰে আজি শ্বেখৰজ্যোতি বৰদলৈয়ে বাঁহৰ ভোৰেৰে ড° ভূপেন হাজৰিকা সেঁতুৰ পৰা যাত্ৰা কৰিলে ধুবুৰীলৈ

অসম বাৰ্তা, ছৈখোৱা, ১ নৱেম্বৰ ঃ নদী মাতৃক বাজ্য হিচাপে অসমৰ নাম বিশ্বত পৰিচিত যদিও নদী পৰ্যটনৰ ক্ষেত্ৰত কিন্তু এতিয়াও বাজ্যখন চালুকীয়া অবস্থাতেই আছে। এই নদী পৰ্যটনৰ দিশটো বিকাশ কৰা আৰু নানান আপুৰুগীয়া সম্পদেৰে ভৰপুৰ একমাত্ৰ পুৰুষ নদী ব্ৰহ্মপুত্ৰৰ পাৰিপাৰ্শ্বিকতা অটুট ৰখাৰ উদ্দেশ্য আগত লৈয়েই কাইনৈ পুবা ছয় বজাত ড° ভূপেন হাজৰিকা সেতুৰ তলৰ পৰা এখন বাঁহৰে নিৰ্মিত ভোৰেৰে অসমৰ শেষ সীমা ধুবুৰীলৈ যাত্ৰা কৰিব নগাঁৰৰ জিলাৰ দুসাহসিক ক্ৰীড়াৰ লগত জড়িত শ্বেখৰজ্যোতি বৰদলৈয়ে। দুসাহসিক ক্ৰীড়াৰ লগত পূৰ্বৰে পৰা জড়িত এজন যুৱক শেখৰ বৰদলৈ। তেওঁ ২০১৫, ২০২০ আৰু ২০২১ত ব্ৰহ্মপুত্ৰৰ বুকুৰেদি বিভিন্ন ঠাইলৈ এনেদৰেনাও সাজি অভিযান চলাইছিল। এইবাৰ তেওঁ এই অভিযানৰ নাম ৰাখিছে "কিনতাপ অভিযান"। এইবাৰ তেওঁ অকলশৰে নাৱেৰে যাত্ৰা কৰিব। নগাঁৰৰ শেখৰ পৰ্বতাৰোহণৰ লগতো জড়িত। বৰদলৈৰ এই যাত্ৰাৰ মিডিয়া কোষৰ আহ্বায়ক আইচংকাঙথুবই প্ৰকাশ কৰা অনুসৰি আনুষ্ঠানিকভাবে শুভাৰম্ভ কৰা এই যাত্ৰা কাইলৈ পুবা ছয় বজাত পৰা আৰম্ভ হৈ ২ নৱেম্বৰত গুইজান ঘাট পাবঁগৈ। ইয়াৰ পাছতে ডিব্ৰুগড়, নিমাটিঘাট, শিলঘাট, গুৱাহাটী আদি অতিক্ৰম কৰি ২২ দিনৰ মুৰত ভাৰত বাংলাদেশৰ সীমান্ত ধুবুৰী পাবঁগৈ। উল্লেখ্য এই বাইৰ ভোৰঘৰ নিৰ্মাণ কৰোঁতে এটা বেচকাৰী স্বেচ্ছাসেবী সংগঠনে সহায় সহযোগ কৰাৰ উপৰিও বিভিন্ন দিশত সেই সংগঠনটোৰে সহযোগ কৰা বুলি প্ৰকাশ। শ্বেখৰজ্যোতি বৰদলৈৰ এই ব্ৰহ্মপুত্ৰৰ বুকুৰেদি তীব্ৰ প্ৰতিযাত্ৰান নেওচি সাহসিকতাৰে যাত্ৰা কৰা কাযাই অসমৰ নদী পৰ্যটনৰ ক্ষেত্ৰত এক নতুন দিগন্তৰ সূচনা কৰিব বুলি আশা কৰা হৈছে।

লোকপিয়ল সন্দৰ্ভত অনুষ্ঠিত হ'ব ৰাজ্যিক আলোচনা-চক্ৰ

লখিমপুৰত সদৌ অসম আদিবাসী ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সভা

অসম বাৰ্তা, লীলাবাৰী, ১ নৱেম্বৰ ঃ সদৌ অসম আদিবাসী ছাত্ৰ সন্থা চমুকৈ 'আছা'ৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সভাখনি উক্ত লখিমপুৰ সাহিত্য সভা ভবনত ৩১ অক্টোবৰত অনুষ্ঠিত হৈ যায়। সংগঠনটি সভাপতি গডউইন হেমৰমৰ পৌৰোহিত্যত আৰু প্ৰায়কেইখন জিলাৰ বিষয়বৰীয়াৰ উপস্থিতিত অনুষ্ঠিত সভাখনত বহুকেইটা গুৰুত্বপূৰ্ণ সিদ্ধান্ত লয়। উল্লেখযোগ্য যে, সংগঠনটোৰ উদ্যোগত অহা নৱেম্বৰ মাহত জাতিগত লোকপিয়ল সন্দৰ্ভত ৰাজিক পৰ্যায়ত আলোচনা-চক্ৰ অনুষ্ঠিত হ'ব। ইয়াৰ সমাম্বালেচক সংগঠনটোৰ চলিত কাৰ্যনিৰ্বাহকক ২০ ডিচেম্বৰ পৰ্যন্ত কাৰ্যভাৰ চলাই নিয়াৰ সিদ্ধান্ত লয়। শোণিত পুৰ জিলাৰ আটিঘাত ১৯, ২০ ডিচেম্বৰত অনুষ্ঠিত হ'ব সংগঠনটোৰ কেন্দ্ৰীয় অধিবেশন। সেয়েহে, ১৫ ডিচেম্বৰৰ পূৰ্বে সমূহ জিলা আৰু আঞ্চলিকৰ অধিবেশন অনুষ্ঠিত কৰাৰ নিৰ্দেশনা জাৰি কৰিছে কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সমিতিয়ে। অন্তঃৰ্যা যে, তিনিটা ভাগত বিভক্ত সংগঠনটোৰ এগৰাকী প্ৰতিযোগীৰ বাবেই সি সমূহ দক্ষতা আৰু যোগ্যতাৰ প্ৰয়োজন, সেই সমূহ দিশৰ প্ৰতি লক্ষ্য ৰাখিয়েই শিশুসকলৰ এই কৰ্মশালাৰ জৰিয়তে বিশেষ প্ৰশিক্ষণ প্ৰদান কৰা হৈছে। ইয়াৰ জৰিয়তে শিশুসকলে সৰুৰে পৰাই নিজকে বাষ্ট্ৰীয় পৰ্যায়ৰ বিভিন্ন বিয়েলিটি শ্ব'ত অংশগ্ৰহণৰ বাবে উপযুক্ত কৰি তুলিব পাৰিব বুলি তেওঁ আশা প্ৰকাশ কৰে। কৰ্মশালাৰ আৰম্ভণি অনুষ্ঠানত সকণথাৰ পৌসভাৰ পৌৰপতি উষা আগৰবালাই উপস্থিত থাকি অনুষ্ঠানটি উপভোগ কৰাৰ লগতে এনে ব্যক্তিক্ৰমী পদক্ষেপৰ প্ৰতি উৎসাহ প্ৰকাশ কৰে। আনহাতে এই কৰ্মশালাত প্ৰশিক্ষণ প্ৰদান কৰা দুই ৰাষ্ট্ৰীয় পৰ্যায়ৰ কবিয়া'গ্ৰাফাৰ পংকজ থাপা আৰু ৰ'ছা পাত্ৰই সকণথাৰ অঞ্চলৰ শিশুসকলৰ নৃত্যৰ প্ৰতি থকা আগ্ৰহ আৰু উদামৰ ভূয়সী প্ৰশংসা কৰে। এনে কৰ্মশালাই শিশুসকলৰ সুপ্ত প্ৰতিভা বিকাশৰ লগতে ভবিষ্যতে বৃহত্তৰ মঞ্চত নিজৰ প্ৰতিভা প্ৰদৰ্শনৰ ক্ষেত্ৰত বিশেষ সহায় কৰিব বুলি আশা প্ৰকাশ কৰা হৈছে।

লখিমপুৰ জিলা 'আটছা' আৰু 'আটুৰা' 'সাধাৰণ পৰিষদ সভা'

অসম বাৰ্তা, লীলাবাৰী, ১ নৱেম্বৰ ঃ অসম চাহ জনজাতি ছাত্ৰ সন্থা চমুকৈ 'আটছা' আৰু অসম চাহ জনজাতি মহিলা সন্থা চমুকৈ 'আটুৰা', লখিমপুৰ জিলা সমিতিৰ 'সাধাৰণ পৰিষদ সভা'খন আজি লখিমপুৰ জিলা পৰিষদৰ সভাকক্ষত অনুষ্ঠিত হৈ যায়। 'আটছা' লখিমপুৰ জিলা সমিতিৰ সভাপতি চন্দ্ৰ গোঁড়ৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত 'আটছা' আৰু 'আটুৰা'ৰ জিলা আৰু প্ৰতিটো শাখা, উপ-শাখা সমিতিৰ বিষয়বৰীয়াসকলে অংশগ্ৰহণ কৰে। 'আটছা'ৰ জিলা সম্পাদক ৰিঞ্জোছ ঢডবায়ে আঁত ধৰা অসমীয়াত জিলা, শাখা আৰু উপ-শাখা সমিতি বহুকেইটা গুৰুত্বপূৰ্ণ সিদ্ধান্ত লয়। উল্লেখযোগ্য যে, সংগঠনটোৰ হোৱা প্ৰত্যাহ্বান আৰু সাংগঠনিক ভেটিক দৃঢ় কৰা সন্দৰ্ভত বিশদভাবে আলোচনা কৰি কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰে। সাধাৰণ পৰিষদৰ সভাখনত 'আটছা'ৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক সুনীল তিকী, কাৰ্যনিৰ্বাহক সদস্য সুমিত্ৰ বাদী, 'আটুৰা'ৰ কেন্দ্ৰীয় সহকাৰী সম্পাদিকা বিপ্লৱীকা কুমিয়ে অতিথি ৰূপে অংশগ্ৰহণ কৰে।

কৃষ্ণাই ছোৱালী স্কুলৰ সহকাৰী প্ৰধান শিক্ষক তথা বিশিষ্ট সমাজকৰ্মীৰ পৰলোকপ্ৰাপ্তি

অসম বাৰ্তা, কৃষ্ণাই, ১ নৱেম্বৰ ঃ কৃষ্ণাই আৰিয়া নিবাসী তথা কৃষ্ণাই ছোৱালী হাই স্কুলৰ অৱসৰপ্ৰাপ্ত সহকাৰী প্ৰধান শিক্ষক, বিশিষ্ট শিক্ষাবিদ তথা সমাজকৰ্মী নুৰ ছছেইন ছাৰৰ আজি পুবা প্ৰায় ৮ বজাত গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত পৰলোকপ্ৰাপ্তি ঘটে। মৃত্যুৰ সময়ত তেখেতৰ বয়স ছিল ৭৮ বছৰ। মৃত্যুৰ সময়ত তেখেতে তিনিজন পুত্ৰ, দুগৰাকী জীয়াৰী, নাতি-নাতিনীৰ লগতে অসংখ্য আত্মীয় আৰু গুণমুগ্ধক ই'হ সংসাৰত এৰি থৈ যায়। আজি আবেলি ২ বজাত তেখেতৰ নিজা বাসগৃহত জনাজাৰ নামাজ সম্পন্ন কৰা হয়। তেখেতৰ বিয়োগত কৃষ্ণাই অঞ্চলৰ শিক্ষা সমাজত গভীৰ শোকৰ ছাঁ পৰিছে। বিভিন্ন দল-সংগঠন আৰু বিশিষ্ট ব্যক্তিয়ে তেখেতৰ মৃত্যুত গভীৰ শোকপ্ৰকাশ কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰিছে।

বিহালীত কৃষি বিভাগৰ আলু খেতিয়কৰ সৈতে মত-বিনিময়

অইল পাম খেতিৰ সজাগতা শিবিৰ সম্পন্ন

অসম বাৰ্তা, জিনজিয়া, ১ নৱেম্বৰ ঃ আগন্তুক আলু খেতিৰ বতৰৰ প্ৰস্তুতিৰ সন্দৰ্ভত বিহালী বিধানসভা সম্ভিৰ অন্তৰ্গত জিনজিয়া আঞ্চলিক কৃষি উন্নয়ন চক্ৰৰ আলু খেতিয়কসকলৰ সৈতে আজি জিনজিয়াৰ পৰিদৰ্শন ভবনত এক মত-বিনিময় অনুষ্ঠান অনুষ্ঠিত হয়। অনুষ্ঠানত আলু খেতিৰ ক্ষেত্ৰত খেতিয়কসকলে সম্মুখীন হোৱা বিভিন্ন সমস্যা, বীজৰ উপলব্ধতা, আৰু ভবিষ্যতৰ কৰ্মপন্থা সম্পৰ্কত বিস্তৃতভাবে আলোচনা কৰা হয়। উক্ত অনুষ্ঠানত বিহালী বিধান সভা সমষ্টিৰ বিধায়ক মুনীদ্ৰ দাস, কিষাণ মৰ্চাৰ জিলা সভাপতি সুমন শৰ্মাৰ লগতে জিলা কৃষি বিভাগৰ কৃষি উন্নয়ন বিষয়াছা ক্ৰমে হোমাংা কাশ্যপ আৰু পাৰ্থ প্ৰতিম বৰুৱা তথা বি টি এম, সহকাৰী কৃষি পৰিদৰ্শক, কৃষি সম্প্ৰসাৰণ সহায়ক, আৰু স্থানীয় আলু খেতিয়ক সকল উপস্থিত থাকে। অনুষ্ঠানৰ লগতে খেতিয়কসকলৰ মাজত অইল পাম খেতিৰ সম্ভৰ্ভতো এক সজাগতা শিবিৰৰ আয়োজন কৰা হয়, যাত অইল পাম খেতিৰ সুবিধা, চৰকাৰী সাহায্য আৰু ইয়াৰ ভবিষ্যত সম্ভাৱনাৰ বিষয়ে কৃষকসকলক অৱগত কৰা হয়।

হঠাৎ এটা প্ৰচণ্ড শব্দ... আৰু তাৰ পাছতেই ধোঁৱাময় হৈ পৰিল সমগ্ৰ আকাশ

শিৱসাগৰৰ নামতিত হঠাৎ সৃষ্টি তীব্ৰ আতংক; প্ৰচণ্ড শব্দ আৰু ধোঁৱাই চানি ধৰিলে সমগ্ৰ অঞ্চল

অসম বাৰ্তা, আমগুৰি, ১ নৱেম্বৰ ঃ শিৱসাগৰ জিলাৰ নামতিৰ গৰখীয়া নগৰত হঠাৎ সংঘটিত হোৱা এক বোমা বিস্ফোৰণ সদৃশ ঘটনাই সমগ্ৰ অঞ্চলটোত আতংকময় পৰিস্থিতিৰ সৃষ্টি কৰিছে। প্ৰচণ্ড বিকট শব্দৰ লগতে আকাশ ঘন ক'লা ধোঁৱাই আকাশ চানি ধৰে। জানিব পৰা মতে, নামতি চাৰি আলিৰ ঐতিহাসিক ঘোৰ আলিৰ সমীপবৰ্তী গৰখীয়া নগৰত অঞ্চলিজি য়ে ব্যবহাৰৰ অনুপযোগী বোমা বিস্ফোৱণ ঘটোৱাৰ ফলতেই এই পৰিস্থিতিৰ সৃষ্টি হয়। হঠাৎ হোৱা প্ৰচণ্ড শব্দৰ পিছতে সমগ্ৰ অঞ্চলটো ক'লা ধোঁৱাই আবৰি ধৰা দেখি গৰখীয়া নগৰকে ধৰি নামতিৰ কাষৰীয়া অঞ্চলৰ বহু লোক আতংকিত হৈ পৰে। এই ঘটনাৰ ফলত অঞ্চলটোত বায়ু প্ৰদূষণৰ আশংকাই দেখা দিয়াৰ লগতে স্থানীয় ৰাইজৰ মাজত স্বাস্থ্য আৰু পৰিবেশৰ সুৰক্ষাক লৈ উদ্বেগৰ সৃষ্টি হৈছে। বিশেষকৈ জনবসতিপূৰ্ণ অঞ্চলৰ সমীপত এনেদৰে ব্যবহাৰৰ অনুপযোগী বোমা বিস্ফোৰণৰ ঘটোৱা কাৰ্যক লৈ সচেতন মহলৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। স্থানীয় ৰাইজে জনবসতিপূৰ্ণ অঞ্চলৰ সমীপত এনে কাৰ্য সম্পাদনৰ ক্ষেত্ৰত অধিক সাৱধানতা অবলম্বন কৰাৰ লগতে জনসাধাৰণৰ সুৰক্ষা আৰু পৰিবেশৰ প্ৰতি বিশেষ গুৰুত্ব দিবলৈ সংশ্লিষ্ট কৰ্তৃপক্ষৰ প্ৰতি আহ্বান জনাইছে। উল্লেখ্য যে, এনে বিস্ফোৰণৰ সময়ত নিৰাপত্তা ব্যবস্থা, পৰিবেশৰ ওপৰত পৰা প্ৰভাৱ আৰু জনসাধাৰণৰ সুৰক্ষা নিশ্চিত কৰাৰ বিষয়টোৰে এতিয়া বিশেষ চৰ্চা লাভ কৰিছে।

দেৱালীক লৈ ব্যস্ততা বাঢ়িছে অধ্যয়নৰত কিশোৰী, মহিলাকে ধৰি আবাল বৃদ্ধ বনিতালৈকে

নলবাৰীৰ বলোৱা কুমাৰীকাটা হীৰা চুবুৰীত মৃৎ শিল্পীৰ জীৱন সংগ্ৰাম

অসম বাৰ্তা, বৰক্ষেত্ৰী, ১ নৱেম্বৰ ঃ নলবাৰী জিলাৰ টিহু বিধানসভা সমষ্টিৰ অন্তৰ্গত বলোৱা কুমাৰীকাটা ছুইটাপাৰাৰ হীৰা চুবুৰীয়ে জীয়াই ৰাখিছে পুৰাণৰ পৰম্পৰা। বলোৱা কুমাৰীকাটা গাঁও পঞ্চায়তৰ অন্তৰ্গত এই সৰু চুবুৰীটোত মাত্ৰ ১৫ ঘৰ লোকে বাস কৰে। কিন্তু এই ১৫ ঘৰ মানুহেই বহুবৰ পিছত বহুৰ ধৰি জীয়াই ৰাখিছে অসমৰ হেৰাই যাব ধৰা মৃৎ শিল্পৰ লোকসংস্কৃতি। সমাগত দেৱালী আৰু কালী পুজাক লৈ হীৰা চুবুৰীত এতিয়া সীমাহীন ব্যস্ততা। কিশোৰীৰ পৰা মহিলা, আবাল-বৃদ্ধ সকলোৱেই লাগি গৈছে নিজৰ নিজৰ কামত। সকলোলে লগে ভাগে নিৰ্মাণ কৰিছে মাটিৰ চাকি, মাটিৰ কলহ, চৰকলৈ ধৰি বিভিন্ন সা-সামগ্ৰী। প্লাষ্টিক আৰু চীনা সামগ্ৰীৰে ভৰি পৰা বজাৰত মাটিৰ বাচনে ক্ৰমান্বয়ে হেৰুৱাইছে আদৰ। তথাপিও যেন হাৰ মনা নাই এই শিল্পীসকলে। নিজৰ হাতেৰে মাটিৰে জীৱন গঢ়া এই পৰিয়ালসমূহে অসমীয়া সংস্কৃতিৰ চাকি জ্বলাই ৰাখিছে। কিন্তু পৰ্যাপ্ত চৰকাৰী সহায় আৰু বজাৰৰ অভাবত তেওঁলোকৰ জীৱন সংগ্ৰাম কঠিন হৈ পৰিছে। দীপাবলীত সকলোৱে যদিহে মাটিৰ চাকি ব্যবহাৰ কৰে, তেন্তে এই পৰিয়াল সমূহৰ ঘৰতো যেন আশাৰ পোহৰ জ্বলিব।

চৰকাৰী আঁচনিৰ পৰা বঞ্চিত মঙলদৈৰ হতভাগীয়া পৰিয়াল

ভঙা জুপুৰীত তিনিটা কণমানিৰে জীৱন যুঁজ কৰবী দেৰীৰ

অসম বাৰ্তা, মঙলদৈ, ১ নৱেম্বৰ ঃ এফাৰে চৰকাৰৰ উন্নয়নৰ ফুলজৰি, আনফালে মঙলদৈৰ এগৰাকী অসহায় মহিলাৰ দুৰ্দশাৰ কৰুণ কাহিনীয়ে সকলোকে চকুলো টুকিবলৈ বাধ্য কৰিছে। তিনিটা কণমানি সন্তানক লৈ এটা ভঙা জুপুৰীত অতি কষ্টেৰে জীবন সংগ্ৰাম চলাই আছে কৰবী দেৰীয়ে। মঙলদৈৰ ৰামহবি পঞ্চায়তৰ অন্তৰ্গত লুকাচুৰিগাৱৰ কৰবী দেৰীৰ ঘৰত নাই পকী ঘৰ, নাই বিদ্যুৎ সংযোগ, নাই চুহা ব্যৱস্থাৰ। বহুযুগ দিলে জুপুৰীৰ চালেদি পানী সৰে, খৰালি দিলে ধূলিবে ভৰি পৰে। দিনৰ পিছত দিন এবেলা খাই এবেলা লংঘোণে থাকি কোনোমতে জীয়াই আছে পৰিয়ালটো। স্বামীয়ে কৰ্মসূত্ৰে গুজৰাটৰ থাকে যদিও কণকণ তিনিটা সন্তানক ডাঙৰ কৰাৰ দায়িত্ব অকল কৰবীৰ মুৰত। স্থানীয় লোকে জনোৱা মতে, কৰবী দেৰীয়ে প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ ঘৰ এটাৰ বাবে, বিদ্যুৎ সংযোগৰ বাবে বাৰে বাৰে পঞ্চায়ত আৰু সংশ্লিষ্ট বিভাগৰ দুৱাৰ-দলিয়াই ছে যদিও আজিলৈকে কোনো চৰকাৰী সহায় লাভ কৰা নাই। তালিকাত নাম নাই বুলি কে তেওঁক ঘৰাই পঠিওৱা হয়। অসহায় কৰবী দেৰীয়ে এইবাৰ অসমৰ মুখ্যমন্ত্ৰীলৈ কাতৰ আহ্বান জনাইছে। তেওঁ কয়, "মোৰ নিজৰ বাবে একো নালাগে, মোৰ কণমানি কেইটাৰ মুখত এটা চালি আৰু দুবেলা মুঠিটা ভাতৰ ব্যৱস্থা কৰি দিয়ক।" এইখৰৰ প্ৰকাশৰ পিছত স্থানীয় সচেতন মহলে প্ৰশাসনক তৎকালে এই দুখীয়া পৰিয়ালটোৰ খবৰ লৈ উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনাইছে।

লেখাপানীৰ বম'গাৰাত নিষিদ্ধ হেৰ'ইনসহ এজন সৰবৰাহকাৰীক আটক; নগদ ধন উদ্ধাৰ

লিডু আৰক্ষীৰ ড্ৰাগছ বিৰোধী অভিযান

অসম বাৰ্তা বিশেষ, জাগুন, ১ নৱেম্বৰ ঃ তিনিচুকীয়া জিলাৰ মাৰ্ঘেৰিটা সমষ্টিলাৰ লিডু আৰক্ষী চকীৰ অন্তৰ্গত লেখাপানীৰ বম'গাৰা অঞ্চলত শনিবাৰে নিশা নিষিদ্ধ ড্ৰাগছ বিৰোধী এক অভিযান চলায় লিডু আৰক্ষীয়ে। লিডু আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া বৌচন থাপা আৰু তিনিচুকীয়া জিলা অপাবেচন শাখাৰ ডি, এছ, পি ফৈয়জ আহমেদৰ যৌথ অভিযানত নিষিদ্ধ হেৰ'ইন আৰু নগদ ধন সহ এজন লোক আটক কৰিবলৈ সক্ষম হয়। আটকাধীন লোকজন লিডু ঝৰ্ণা বস্তি অঞ্চলৰ আলি আহমেদ বুলি জানিব পৰা গৈছে। আৰক্ষীৰ এই অভিযান কালত আটকাধীন লোকজনৰ পৰা তিনিটা চাৰোনৰ বাকচত প্ৰায় ৩৩.২৮ গ্ৰাম হেৰ'ইন, নগদ ১,২০,০০০.০০ (এক লাখ বিশ হাজাৰ) টকা আৰু এটা মোবাইল ফোন জব্দ কৰিবলৈ সক্ষম হয়।

মাজুলী জিলা চুতীয়া ছাত্ৰ সন্থাৰ প্ৰথম কাৰ্যনিৰ্বাহক সভা সম্পন্ন

বিকাশ ৰৰবৰাক মুখ্য সাংগঠনিক সম্পাদকৰ দায়িত্ব অৰ্পণ

অসম বাৰ্তা, উজনি মাজুলী, ১ নৱেম্বৰ ঃ মাজুলীৰ লুইতপৰীয়া গাঁও পঞ্চায়তৰ কাৰ্যালয়ৰ সভাগৃহত আজি সদৌ মাজুলী জিলা চুতীয়া ছাত্ৰ সন্থাৰ প্ৰথমখন কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হৈ যায়। জিলা চুতীয়া ছাত্ৰ সন্থাৰ সভাপতি বুধিন শই কীয়াৰ গাঙ্গীপূৰ্ণ সভাপতিত্বত অনুষ্ঠিত এই সভাত বহুকেইয়া কাৰ্যপন্থা আৰু ভবিষ্যতৰ কাৰ্যপন্থাৰ দিশ গুৰুত্বপূৰ্ণ আলোচনা কৰা হয়। জিলা চুতীয়া ছাত্ৰ সন্থাক অধিক শক্তিশালী কৰাৰ লক্ষ্যৰে অনুষ্ঠিত হোৱা এই গুৰুত্বপূৰ্ণ সভাখন আঁত ধৰে সাধাৰণ সম্পাদক ডিম্পল বৰাই। সভাত উপস্থিত থাকি সদৌ অসম চুতীয়া ছাত্ৰ সন্থাৰ সহকাৰী সম্পাদক ৰূপজ্যোতি বৰাই তেওঁ নিজৰ ভাষণত মাজুলী জিলা চুতীয়া ছাত্ৰ সন্থাক সাংগঠনিক দিশত অধিক গতিশীল আৰু সক্ৰিয় কৰি তোলাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। লগতে ছাত্ৰ সমাজে জাতিটোৰ প্ৰাপ্য অধিকাৰ আদায়ৰ সংগ্ৰামৰ লগতে মাজুলীৰ বৰ্ত মানৰ জ্বলন্ত সমস্যাসমূহৰ সমাধানৰ বাবে কি কি পদক্ষেপ গ্ৰহণ কৰিব লাগিব, সেই সম্পৰ্কে এক দিকদৰ্শী বক্তব্য প্ৰদান কৰে। তেওঁ শিক্ষা, সমাজ আৰু সংস্কৃতিৰ প্ৰচাৰ তথা প্ৰসাৰৰ ওপৰতো বিশেষভাবে আলোক পাত কৰে। উক্ত কাৰ্যনিৰ্বাহক সভাত জিলা সমিতিৰ কাৰ্যনিৰ্বাহক সদস্য প্ৰণৰ বৰাই উপস্থিত থাকি ছাত্ৰ সন্থাৰ কাৰ্যসূচীক আগুৱাই নিয়াৰ দৃঢ় পণ লৈ প্ৰথম কাৰ্যনিৰ্বাহক সভাখনৰ সফল সমাপ্তি ঘটে।

সাংস্কৃতিক অনুষ্ঠানত সাংবাদিক প্ৰশান্ত শইকীয়াক প্ৰদান কৰিব সংবাদ ৰত্ন বঁটা-২০২৬

ডিব্ৰুগড়ত ড° ভূপেন হাজৰিকাৰ মৃত্যুবাৰ্ষিকী ব্যাপক প্ৰস্তুতি

অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ১ নৱেম্বৰ ঃ ডিব্ৰুগড়ৰ বগীবিল গাভৰু জাতি সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ ১৫ সংখ্যক মৃত্যু বাৰ্ষিকীৰ ব্যাপক প্ৰস্তুতি কৰা হৈছে। এই উদ্দেশ্যে ৫ নৱেম্বৰত বস্তি প্ৰজ্বলন আৰু সাংস্কৃতিক অনুষ্ঠান। অসমীয়া জাতিৰ প্ৰাণ প্ৰতিম, ভাৰতৰত্ন, সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ ১৫ সংখ্যক মৃত্যু বাৰ্ষিকীলৈ মাজত মাৰ্ঘেলি কেইটামান দিন বাকী। সুধাকণ্ঠৰ অমৰ সৃষ্টিকে সেঁাৱৰি ডিব্ৰুগড় জিলাৰ বগীবিলত অনুষ্ঠিত হ'ব এক বৰ্ণাঢ্য শ্ৰদ্ধাঞ্জলি অনুষ্ঠান। ৫ নৱেম্বৰত ডিব্ৰুগড়ৰ বগীবিল গাভৰু জানত 'লুইতপৰীয়া লোক-সাংস্কৃতিক কলা কেন্দ্ৰ, ডিব্ৰুগড়', 'বগীবিল ব্ৰহ্মপুত্ৰ কলা কেন্দ্ৰ' আৰু 'আশাৰ বেঙনি নাট্য গোষ্ঠী'ৰ যুটীয়া উদ্যোগত এই কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব। দিনজোৰা কাৰ্যসূচীৰ অংশ হিচাপে সুধাকণ্ঠৰ স্মৃতিত বস্তি প্ৰজ্বলন আৰু এখনি আকৰ্ষণীয় সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হৈছে। এই অনুষ্ঠানলগত সংগতি ৰাখিয়ে উক্ত সাংস্কৃতিক অনুষ্ঠানতে ডিব্ৰুগড়ৰ বিশিষ্ট সাংবাদিক প্ৰশান্ত শইকীয়ালৈ 'সংবাদ ৰত্ন বঁটা ২০২৬' প্ৰদানৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। সুধাকণ্ঠৰ অমৰ সৃষ্টিৰাজিক চিৰস্মৰণীয় কৰি ৰাখিবলৈ আয়োজিত এই অনুষ্ঠানত ডিব্ৰুগড়ৰ বগীবিল তথা দাঁতি-কাষৰীয়া অঞ্চলৰ সকলো শুভাকাংক্ষী আৰু কলা-সংস্কৃতিপ্ৰেমী ৰাইজৰ উপস্থিতি আৰু সহযোগিতা আয়োজক সমিতিয়ে আন্তৰিকতাৰে কামনা কৰিছে।

শদিয়াত তিনিদিনীয়া হস্তশিল্প প্ৰশিক্ষণ আৰু সজাগতা কাৰ্যসূচী অনুষ্ঠিত

অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, ডুমডুমা, ১ নৱেম্বৰ ঃ ভাৰত চৰকাৰৰ বস্ত্ৰ মন্ত্ৰালয়ৰ অন্তৰ্গত যোহষ্টফিত উন্নয়ন আয়ুক্ত (হেণ্ডিক্ৰাফট) হস্তশিল্প সেৱা কেন্দ্ৰৰ উদ্যোগত যোৱা ২৯-৩১ অক্টোবৰলৈ ঐতিহ্যমণ্ডিত শদিয়া চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত এক হস্তশিল্প প্ৰশিক্ষণ আৰু সজাগতা কাৰ্যসূচী অনুষ্ঠিত হৈ যায়। ৰাষ্ট্ৰীয় হস্তশিল্প উন্নয়ন কাৰ্যসূচী (এন এইচ ডি পি)ৰ অধীনত বাঁহ, পানী হাইছিল্ল, ছ'লা-পিথ আৰু জনজাতীয় বস্ত্ৰ শিল্প সম্পৰ্কীয় উক্ত তিনিদিনীয়া প্ৰশিক্ষণত বাঁহ, কুঁহিলা, মেটেকা তথা তাঁতশাল, চিলাইকাষ আদি বিষয়ত প্ৰায় ৭০

ভোট বচাও, দেশ বচাও শ্লো'গানেৰে কঁপিল

আৰম্ভী বাহিনী (চিএপিএফ), চিআৰপিএফ আৰু বেপিড একচন বাহিনী (আৰএএফ)কে ধৰি প্ৰায় ১০ হাজাৰ আৰম্ভী আৰু অৰ্দ্ধসামৰিক জোৱানক মোতায়েন কৰা হয়। ইপিনে ইণ্ডিয়া জোটৰ শীৰ্ষ নেতাসকলে জনাইছে যে গণতন্ত্ৰ আৰু ভোটাৰসকলৰ অধিকাৰ সুৰক্ষিত নোহোৱালৈকে তেওঁলোকৰ এই আন্দোলন অব্যাহত থাকিব। প্ৰশিধানযোগ্য যে লোকসভাৰ বিৰোধী দলপতি ৰাহুল গান্ধীয়ে কৰা অভিযোগ অনুসৰি, সমাৰেশৰ অংশগ্ৰহণকাৰীসকলক স্থানীয় বজাৰত সামগ্ৰী ক্ৰয় কৰিবলৈ তেওঁ আহ্বান জনোৱাৰ পাছতো বিজেপিয়ে ইচ্ছাকৃতভাবে কনট প্লেচৰ দোকান-পোহাৰসমূহ বন্ধ কৰি ৰাখিছিল। কংগ্ৰেছে ছিটিয়েল মিডিয়া প্লেটফৰ্মত এক্সত প্ৰকাশ কৰা অনুসৰি, তেওঁলোকে ৰেলীত অংশগ্ৰহণ কৰা ব্যবসায়ীসকলৰ প্ৰতি সমৰ্থন আগবঢ়াবলৈ স্থানীয় দোকানসমূহৰ পৰা বজাৰ কৰিবলৈ আহ্বান জনাইছিল; কিন্তু কনট প্লেচত উপস্থিত হৈ তেওঁলোকে প্ৰায়ভাগ দোকান বন্ধ থকা দেখিবলৈ পায়। কংগ্ৰেছৰ অভিযোগ মতে, স্থানীয় ব্যবসায়ীসকলৰ আৰ্থিক ক্ষতি সাধন কৰাৰ উদ্দেশ্যেৰে বিজেপিয়ে এই পদক্ষেপ গ্ৰহণ কৰিছে। আনহাতে, শাসকীয় দলটোৰে পূৰ্বৰে পৰা অভিযোগ কৰি আহিছে যে বিৰোধীৰ এই প্ৰতিবাদৰ ফলত বহুলী পথাত থকা ব্যবসায়ীসকলৰ বিস্তৰ ক্ষতিসাধন হৈছে। এইবিষয়ে উল্লেখ কৰিব লাগিব যে বামলীলা ময়দানত আয়োজিত সমাবেশত ভাষণ দি সাঙ্গৰাণী পাৰ্টী (সপা)ৰ প্ৰধান অখিলেশ যাদবে সকলো দলৰ নেতা-কৰ্মীক আদৰণি জনায়। তেওঁ কয়, "সত্যটো হ'ল তেওঁলোকে (বিজেপি) নিজৰ পৰাজয়ৰ দোষ আন কাৰোবাৰ ওপৰত জাপি দিব বিচাৰে। যিসকলে ডাবল ইঞ্জিন চৰকাৰ বুলি দাবী কৰিছিল, কাশীবাসীয়ে তেওঁলোকক ডাবল জিৰ' দিছে।"

নৱবৰ্ষত অসমলৈ আহিব প্ৰসিদ্ধ

'আই এম হোম ট্ৰাৱৰ অন্তিম অনুষ্ঠান হিচাপে ওৱাহাটীত অনুষ্ঠিত এই কাৰ্যসূচীত বাইজে দেখুওৱা মৰম, উৎসাহ আৰু প্ৰশংসাই তেওঁক সঁচাকৈয়ে আনন্দিত কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে তেওঁৰ বাবে আটাইতকৈ আনন্দৰ কথাটো হ'ল অসমৰ এতিয়াবৃহৎ পৰিসৰৰ বাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় সংগীতানুষ্ঠানৰ সংখ্যা ক্ৰমাৎ বৃদ্ধি পাইছে আৰু বাইজেও এই অনুষ্ঠানসমূহক উষ্ণ আদৰণি জনাইছে। তেওঁ এই পৰিৱৰ্তনক অসম চৰকাৰৰ 'কনাডাৰ্ট অৰ্থনীতি'ৰ এক ইতিবাচক ফলাফল বুলি অভিহিত কৰে। তেওঁৰ মতে, চৰকাৰৰ লক্ষ্য কেৱল সংগীতানুষ্ঠান আয়োজনতে সীমাবদ্ধ নাথাকি অসমক দেশৰ এক অন্যতম সাংগীতিক আৰু মনোৰঞ্জনৰ প্ৰাণকেন্দ্ৰ হিচাপে গঢ়ি তোলা। এতিয়া সকলোৱে অনুভৱ কৰিব পৰাকৈ লাহে লাহে অসম সেই দিশত আগবাঢ়িছে বুলি তেওঁ উল্লেখ কৰে। এই মুহূৰ্তত জনতাৰ মৰমৰ শিখা সুনিধি চৌহানৰ লগতে তেওঁৰ টীম তথা এই অনুষ্ঠান সফল কৰিবলৈ তোলা প্ৰতিগৰাকী ব্যক্তি, দৰ্শক আৰু অনুবাগীলৈ মুখ্যমন্ত্ৰীগৰাকীয়ে আন্তৰিক অভিনন্দন আৰু ধন্যবাদ জ্ঞাপন কৰে। তেওঁ লগতে কয় যে এয়া মাত্ৰ আৰম্ভণিহে; অসমত এনে বহুতো সংগীতময় সন্ধিয়া আৰু স্মৰণীয় মুহূৰ্ত বাবে বাইজ সাজু হ'ব লাগে। তেওঁ মনলৈ আহোঁতেই উল্লেখ কৰে যে শ্ৰেয়া ঘোষাল, চন্দ্ৰ নিগম, মোহিত চৌহান, গানহু এণ্ড বোজহু, গৰিলাজ আদি সংগীত জগতৰ প্ৰসিদ্ধ শিল্পী তথা বেগুনমুলা অসমলৈ আহি আছে।

সদৌ অসম কৰ্মচাৰী পৰিষদৰ নতুন

কাৰ্যবাহী সদস্যৰে নতুন সমিতিখন গঠন কৰা হৈছে। ঐতিহ্যিক অসম আন্দোলনৰ শহীদ তথা সিচঁবাসৰ কৰ্মচাৰী দিলীপ চক্ৰৱৰ্তীৰ স্মৃতিত আয়োজিত কেন্দ্ৰীয় শহীদ দিৱসৰ কাৰ্যসূচীৰ মাজতে এই শপতগ্ৰহণ অনুষ্ঠান অনুষ্ঠিত হয়। উল্লেখ্য যে ১৯৮০ চনৰ ১ নৱেম্বৰত অসম আন্দোলনত আত্মগ্ৰহণ কৰাৰ সময়ত আৱষ্কীয় নিৰ্যাতনত চৰকাৰী কৰ্মচাৰী দিলীপ চক্ৰৱৰ্তী শহীদ হৈছিল। পুৱা ৯ বজাত পৰিষদৰ পতাকা উত্তোলনেৰে কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হয়। ইয়াৰ পাছতে শহীদ দিলীপ চক্ৰৱৰ্তীৰ প্ৰতিচ্ছবিত বন্থি প্ৰজ্বলন আৰু পুষ্পাঞ্জলি অৰ্পণ কৰি শ্ৰদ্ধাজ্ঞলি জ্ঞাপন কৰা হয়। পৰবৰ্তী সময়ত 'দিহা' নামেৰে সভাৰ কাৰ্যসূচী আৰম্ভ কৰা হয়। সভাত পূৰ্বণি সমিতিৰ ভংগ কৰি নতুন সমিতিৰ সদস্যসকলৰ শপতগ্ৰহণ অনুষ্ঠান সম্পন্ন কৰা হয়। নতুন সভাপতি কুমুদ কথকীয়ে শহীদ দিলীপ চক্ৰৱৰ্তীৰ ত্যাগক স্মৰণ কৰি কয় যে কৰ্মচাৰী সমাজৰ অধিকাৰ আৰু স্বাভিমান বক্ষাৰ বাবে তেওঁ আগবঢ়োৱা আত্মবলিদান সদায় স্মৰণীয় হৈ থাকিব। শহীদগৰাকীৰ আদৰ্শৰে অনুপ্ৰাণিত হৈ কৰ্মচাৰীসকলৰ সমস্যা সমাধান আৰু সামগ্ৰিক উন্নয়নৰ বাবে নিষ্ঠাৰে কাম কৰি যোৱাৰ সংকল্প নতুন সমিতিয়ে গ্ৰহণ কৰে। ইফালে, নতুন সমিতিয়ে দায়িত্বভাৰ গ্ৰহণ কৰিয়েই পূৰণি পেঞ্চন ব্যবস্থা পুনৰ প্ৰবৰ্তনৰ দাবীৰে NPSৰ বিৰুদ্ধে মাত মাতিব বুলি জনাবিলে দিছে সম্পাদক প্ৰধান প্ৰণব ভূঞাইহে। আনহাতে, অসমৰ সমাজ জীৱনত সদৌ অসম কৰ্মচাৰী পৰিষদৰ ভূমিকা আৰু অৱদানৰ কথা স্মৰণ কৰে পৰিষদৰ প্ৰাক্তন সভাপতি তথা প্ৰধান সম্পাদকসকলে। তেওঁলোকৰ মতে, অসম আন্দোলনৰ সময়ৰ পৰা আৰম্ভ কৰি অসমৰ সংকটপূৰ্ণ ৰাজনৈতিক পৰিস্থিতিতো পৰিষদে অসমৰ বাইজৰ হকে বলিষ্ঠ ভূমিকা গ্ৰহণ কৰি আহিছে। শপতগ্ৰহণ অনুষ্ঠানত পৰিষদৰ পৰা প্ৰতিনিধিত্ব কৰি প্ৰথমখন অসম গণ পৰিষদ নেতৃত্বাধীন অসম চৰকাৰত মন্ত্ৰীৰ দায়িত্ব পালন কৰা প্ৰয়াত কামাখ্যা চৰণ চেৰুঙীৰ পুত্ৰ তথা অসম চৰকাৰৰ প্ৰাক্তন আমোলা-অভিযন্তা প্ৰদ্যুৎ কুমাৰ চৌধুৰী উপস্থিত থাকে। ইয়াৰ উপৰিনগেন কলিতা, বাসব কলিতা, চৰণ ডেকাকে ধৰি বহু বিশিষ্ট ব্যক্তি আনুষ্ঠানটোত উপস্থিত থাকে। সদৌ অসম কৰ্মচাৰী পৰিষদৰ হৈ শৈলেন্দ্ৰ পাণ্ডেই সংবাদ মাধ্যমক জানিবলৈ দিয়া মতে, ১৯৯গৰাকী কাৰ্যবাহী সদস্যৰে গঠিত নতুন সমিতিখনে আগন্তুক দিনত অসম আৰু অসমীয়াৰ কল্যাণ তথা প্ৰগতিৰ বাবে দায়বদ্ধতাৰে কাম কৰি যাব। নতুন সমিতিখনে কৰ্মচাৰী সমাজৰ সমস্যা সমাধানৰ লগতে বাজাৰ সামগ্ৰিক উন্নয়নৰ ক্ষেত্ৰতো ইতিবাচক ভূমিকা পালন কৰিব বুলি কৰ্মচাৰী সমাজে আশা প্ৰকাশ কৰিছে।

২০২৪ৰ লোকসভা নিৰ্বাচন

হাৰিয়ানা, ছত্তীশগড় মহাৰাষ্ট্ৰ আৰু কৰ্ণাটকতো ভোট চুৰি হৈছে। ইয়াৰ পিছত ২০২৪ চনৰ লোকসভা নিৰ্বাচনতো ভোট চুৰি কৰা হৈছে। তেওঁ অভিযোগ কৰে যে ইডিএমৰ জৰিয়তে ভোট চুৰি কৰা হৈছে আৰু ভোটাৰ তালিকাৰ পৰা নাম কৰ্তন কৰিও ভোট চুৰি কৰা হৈছে। তেওঁ লগতে কয়, "মই এটা সৰু উদাহৰণ দিছো- ২০২৪ চনৰ নিৰ্বাচনৰ পিছত ভোটাৰ তালিকাৰ পৰা ১৩.৫ কোটি ভোটাৰৰ নাম কৰ্তন কৰা হৈছে। ২০২৪ চনৰ নিৰ্বাচনৰ পিছত বহু শতাংশ ভোটাৰক তালিকাৰ পৰা বাদ দিয়া হৈছে। ২০২৪ চনত আমাৰ এনডিএৰ মাজত মাত্ৰ, শতাংশ ভোটহৈছে ব্যবধান আছিল। তাৰ পিছত বহু শতাংশ ভোটাৰক তালিকাৰ পৰা আঁতৰাই দিয়া হ'ল। ইয়াৰ অৰ্থ হ'ল ২০২৪ চনৰ নিৰ্বাচনটো আছিল ভোট চুৰিৰ নিৰ্বাচন।" পুৰণি ভোটাৰ তালিকাক আধাৰতে এই ভোটাৰসকলৰ নাম কৰ্তন কৰা হৈছিল বুলি উল্লেখ কৰি বাহুল গান্ধীয়ে কয়, "জ্ঞানেশ কুমাৰ জে'লৈলে যাব। এয়া কোনো সাধাৰণ চুৰি নহয়। এয়া নাগৰিকৰ স্বাধীনতা আৰু মত প্ৰকাশৰ অধিকাৰ চুৰি কৰা। ইয়াক দেশদ্ৰোহ বুলি কোৱা হয়। জ্ঞানেশ কুমাৰ নাথাকিলে নৱেন্দ্ৰ মোদী প্ৰধানমন্ত্ৰী হ'ব নোৱাবিলেহেঁতেন আৰু অমিত শ্বাহ গৃহমন্ত্ৰী হ'ব নোৱাবিলেহেঁতেন। আৱগ্ৰহণছে এই দেশৰ সকলো প্ৰতিষ্ঠান নিজৰ নিয়ন্ত্ৰণলৈ আনিছে।" তেওঁ লগতে দাবী কৰে যে নৱেন্দ্ৰ মোদী, অমিত শ্বাহ আৰু জ্ঞানেশ কুমাৰে বাতি শান্তিৰে শুব পৰা নাহি। তেওঁৰ মতে, ভোট চুৰি হৈছিল বাবেই এই লোকসকলৰ টোপনি হৰণ হৈছে।

কাজিৰঙাত ২০২৬-২৭

আমেৰিকা যুক্তৰাষ্ট্ৰৰ মিডৰেষ্টৰ পৰা অহা এগৰাকী পৰ্যটকে কয় যে হাতী চাফাৰী কৰি তেওঁ কেইটামান এশিঙীয়া গড় দেখাৰ সুযোগ পাইছিল আৰু তাৰে এটাই পানী খোৱা দৃশ্য দেখিবলৈ পাইছিল। অষ্ট্ৰেলিয়াৰ ব্ৰিছবেনৰ পৰা অহা এগৰাকী পৰ্যটকে জীৱনত প্ৰথমবাৰৰ বাবে গঁড় দেখাৰ অভিজ্ঞতা লাভ কৰি ইয়াক অত্যন্ত সুন্দৰ বুলি অভিহিত কৰে। বেলজিয়াম এগৰাকী মহিলা পৰ্যটকে কয় যে হাতী চাফাৰীত তেওঁলোক গঁড়ৰ নিচেই কাষলৈ গৈছিল আৰু চাৰিটা গঁড় দেখিছিল; বন্যপ্ৰাণীৰ ইমান ওচৰত থকাটো তেওঁৰ বাবে এক অন্যন্য অভিজ্ঞতা হৈছিল। উল্লেখ্য যে ২০২৬-২৭ পৰ্যটন বৰ্ষৰ বাবে কাজিৰঙা বাষ্ট্ৰীয় উদ্যান মুকলি হোৱাৰ পিছতে হাতী চাফাৰীয়ে পৰ্যটকৰ মাজত বিশেষ উৎসাহ সৃষ্টি কৰিছে। প্ৰথম দিনটোতে দেশী-বিদেশী পৰ্যটকৰ সমাগমে উদ্যানখনৰ পৰ্যটন বৰ্ষ শুভাৰম্ভক অধিক গতিশীল কৰি তুলিছে।

ৰাহুল গান্ধীয়ে জীৱনত প্ৰধানমন্ত্ৰী

ভাষণ প্ৰদান কৰি অমিত শ্বাহে কয়, "ৰাহুল জীক মই ক'ব বিচাৰোঁ যে যদি আপুনি প্ৰধানমন্ত্ৰী হ'ব খোজে, তেন্তে গোটেই জীৱন 'মক পার্লামেণ্ট'ত বহি থাকক; দেশৰ প্ৰধানমন্ত্ৰী হোৱাৰ আপোনাৰ পাল কেতিয়াও নাহে।" মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰিবলৈ ৩০-৩৪ অক্টোবৰত কংগ্ৰেছ সভাপতি মল্লিকাৰ্জুন খাৰ্গেৰ বাসগৃহত বিৰোধী 'ইণ্ডিয়া' মিত্ৰজোঁটে এক প্ৰতীকী 'মক পার্লামেণ্ট'ৰ আয়োজন কৰিছিল। এই কাৰ্যসূচীত বাহুল গান্ধীৰ লগতে ছোনিয়া গান্ধী, প্ৰিয়ংকা গান্ধী আৰু বিৰোধী মিত্ৰজোঁটৰ কেইবাগৰাকীও শীৰ্ষ সাংসদ উপস্থিত আছিল। বিৰোধীয়ে এই পদক্ষেপক তীব্ৰ সমালোচনা কৰি গৃহমন্ত্ৰী অমিত শ্বাহে কয় যে ধাৰাবাহিক নিৰ্বাচনী পৰাজয়ৰ পিছত কংগ্ৰেছে প্ৰধানমন্ত্ৰী পদৰ সপোন দেখিবলৈ এই নতুন পথ বিচাৰি উলিয়াইছে। ছোনিয়া গান্ধীয়ে পুত্ৰক প্ৰধানমন্ত্ৰী কৰিবলৈ দেখা সপোন কেতিয়াও পূৰণ নহয় বুলি তেওঁ দাবী কৰে। তেওঁ লগতে কয় যে ২০২৯ চনৰ সাধাৰণ নিৰ্বাচনৰ পিছতো ৰাহুল গান্ধীয়ে বিৰোধী ধৰি বিৰোধী আসনতে বহিব লাগিব। ৰাহুল গান্ধীৰ 'মহব্বত কী দোকান' শ্লগানটোক ওলোটাই আক্ৰমণ কৰি শ্বাহে কয় যে বিৰোধী দলপতিগৰাকীৰ দোকানত মহব্বতৰ পৰিবৰ্তে কেৱল ঘৃণা আৰু বিশৃংখলাহে ভৰি আছে। সদনত হুলস্থুল কৰা, সংসদ চলিবলৈ নিদিয়া আৰু নিৰ্বাচন আয়োগৰ দৰে সাংবিধানিক প্ৰতিষ্ঠানক আক্ৰমণ কৰাটোৱেই কংগ্ৰেছৰ এতিয়াৰ চৰিত্ৰ বুলি তেওঁ মন্তব্য কৰে। ইফালে আজি দিল্লীৰ বামলীলা ময়দানত বিৰোধী মিত্ৰজোঁটৰ গণতন্ত্ৰ বক্ষা প্ৰতিবাদত দেশৰ বিভিন্ন প্ৰান্তৰ পৰা লাখ লাখ লোক উপস্থিত হৈ জ্ঞানেশ কুমাৰ আৰু বিজেপিৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ কৰা দেখা যায়।

মুখ্য নিৰ্বাচনী বিষয়া ড° থানেশ্বৰ কলিতা;

আৰু সত্ৰ ন্যায়াধীশ তথা বৰ্তমান বয়েল গ্ৰোবল বিশ্ববিদ্যালয়ৰ আইনৰ অধ্যাপক ড° থানেশ্বৰ কলিতাক নিযুক্তি দিয়া হৈছে। উপ-সমিতিখনত আন দুগবাকী সদস্য হিচাপে বিশিষ্ট শিক্ষাবিদ পৰেশ বৈশ্য আৰু ড°বাতুল শইকীয়াক নিযুক্তি দিয়া হৈছে। উল্লেখযোগ্য যে উপ-সমিতিখনক স্বতন্ত্ৰভাবে নিৰ্বাচনী কাৰ্য পৰিচালনাৰ দায়িত্ব অৰ্পণ কৰা হৈছে। নিৰ্বাচনী অধিসূচনাৰ সময়সূচী উপ-সমিতিখনে পৰবৰ্তী সময়ত নিৰ্ধাৰণ কৰিব।

ধুবুৰীৰ ৬৫০ বিঘা মাটিত চলিল উচ্ছেদ

কৰে; জানলী লাভ কৰি ইতিমধ্যে বহু পৰিয়ালে স্বেচ্ছাই সেই ঠাই এৰি যে গৈছে বুলিও জিলা আয়ুক্তগৰাকীয়ে জানিবলৈ দিয়ে। তেওঁ লগতে কয় যে এতিয়ালৈকে কোনো প্ৰতিবেধ হোৱা নাই আৰু অভিযান শান্তিপূৰ্ণভাবে চলি আছে। কেইবাহাজাৰ অসামৰিক আৰু আৰক্ষী জোৱানৰ সহযোগত জিলা প্ৰশাসনে ৫৩খন এক্সকেভেটৰ, বুধৰ সংখ্যক ট্ৰেক্টৰ-ট্ৰলী আৰু অন্যান্য যন্ত্ৰপাতি ব্যহাৰ কৰি অঞ্চলটো পবিষ্কাৰ কৰি আছে। ইপিনে, আলমগঞ্জ নৱম খণ্ডত স্থানীয় লোকসকলে এক ঐতিহাসিক মাজাৰ সুবক্ষাৰ দাবীত আৰেগিক প্ৰতিবাদ কৰা বুলি বাতৰিত উল্লেখ আছে। ধৰ্মীয় স্থাপনা ভাঙি পেলোৱাৰ পিছত স্থানীয় লোকসকলৰ মাজত অসন্তোষো প্ৰকাশ পাইছে বুলি জানিব পৰা গৈছে। ২০২১ চনত হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন চৰকাৰে ক্ষমতালৈ অহাৰ পিছৰে পৰা কথিত বেলখৰণ পথা ভূমি উদ্ধাৰৰ বাবে ধাবাবাহিকভাবে উচ্ছেদ অভিযান চলাই আহিছে। এই উচ্ছেদত প্ৰভাবিতসকলৰ অধিকাংশ বাংলাভাষী মুছলমান বুলি কোৱা হৈছে; স্থানীয়ভাৱে তেওঁলোকক 'মিঞা' বুলি অভিহিত কৰা হয়। 'মিঞা' শব্দটো লৈ বাজনৈতিক বিতৰ্কও চলি আছে। বিধায়ক শ্বেৱমান আলীকে ধৰি একাংশ লোকে এই শব্দই বাংলাভাষী মুছলমানসকলক অপমান কৰে বুলি অভিযোগ কৰি আহিছে। ইয়াৰ পূৰ্বেও অসমত উচ্ছেদ অভিযান চলিছিল। নগাঁও, গোলাঘাট আৰু হোজাই জিলাত চলোৱা অভিযানৰ বিষয়ে উল্লেখ কৰি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই নিজৰ এক্স হেণ্ডেলত কয়, "আমাৰ তিনিখন জিলাৰ বেদখলকাৰীৰ ওপৰত প্ৰশাসনৰ 'ব্ৰহ্ম কপাল' দেখা গ'ল। এইসকল লোকে গোলাঘাট, হোজাই আৰু নগাঁওৰ বৃহৎ অঞ্চল বেদখল কৰিছিল।" তেওঁ লগতে কয় যে অভিযানত ৬৩৮ হেক্টৰৰো অধিক মাটি মুকলি কৰা হৈছে, কিয়নো তেওঁলোক অসমৰ স্বাৰ্থ সুবক্ষিত কৰাৰ দিশত কাম কৰিছে। ইপিনে, পিটিআইয়ে প্ৰকাশ কৰা এক ভিডিঅ'ত উল্লেখ থকা অনুসৰি, ধুবুৰীত, ছজন সন্দেহজনক বাংলাদেশী নাগৰিকক আটক কৰাৰ পিছত আৰক্ষীয়ে চাৰিজন alleged মধ্যস্থতাকাৰীক গ্ৰেপ্তাৰ কৰে। আইন-শৃংখলা পৰিবৰ্তক (আইজিপি) অখিলেশ কুমাৰ সিঙে কয় যে অবৈধ বাংলাদেশী নাগৰিকৰ বিৰুদ্ধে অভিযান অব্যাহত থাকিব আৰু তেওঁলোকৰ প্ৰৰেশ আৰু অবস্থানত সহায় কৰাসকলৰ বিৰুদ্ধেও কঠোৰ ব্যবস্থা গ্ৰহণ কৰা হ'ব।

গুৱাহাটীলৈ সম্প্ৰসাৰিত হ'ব উত্তৰ হাইস্পীড

যে গুৱাহাটীত অনুষ্ঠিত নৈচৰ্তক অন্তৰ্ভুক্ত কৰাৰ দাবীত মুখ্যমন্ত্ৰীগৰাকীয়ে জুলাই মাহত ৰে'লমন্ত্ৰী বৈষ্ণৱক লিখিত অনুৰোধ দাখিল কৰাৰ উপৰি তেওঁৰ সৈতে সাক্ষাৎও কৰিছিল। মুখ্যমন্ত্ৰীগৰাকীয়ে লিখে যে কেতিয়াবা কিছুমান সপোন ইমান ডাঙৰ হয় যে সেইবোৰ বাস্তৱ হ'ব বুলি ভবাৰ সাহসো নহয়। অসমৰ বাবে বুলেট ট্ৰেইন তেনে এক সপোন আছিল। আজি সেই সপোন বাস্তৱায়নৰ দিশত এখোজ আগুৱাই যোৱাত তেওঁ সঁচাকৈয়ে আনন্দিত। দিল্লীৰ পৰা শিলগুৰিলৈ প্ৰস্তাবিত বুলেট ট্ৰেইন কৰিডৰ গুৱাহাটীলৈ সম্প্ৰসাৰণৰ বাবে কৰা প্ৰস্তাবত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ৰে'লমন্ত্ৰী অশ্বিনী বৈষ্ণৱৰ ইতিবাচক সঁহাৰি জনাইছে বুলি তেওঁ উল্লেখ কৰি দুয়োগৰাকী অসমৰিইতৈষীলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰে। গুৱাহাটীৰ পৰা দিল্লীলৈ আঠ ঘণ্টাতকৈও কম সময়ত যাত্ৰা কৰাৰ সম্ভাৱনাই যুৱপ্ৰজন্ম, উদ্যোগী, ব্যবসায়ী আৰু পৰ্যটন ক্ষেত্ৰৰ বাবে কিমান ডাঙৰ সুযোগ মুকলি কৰিব, সেয়া তেওঁ পোষ্ট উল্লেখ কৰা হয়। তেওঁৰ মতে, ইয়াই ৰাবা কেৱল যাত্ৰাৰ সময় সাশ্ৰয় কৰিব নহয়, দেশৰ উন্নয়নৰ গতিতো অসম সমান উত্তৰ-পূৰ্বাঞ্চল অধিক শক্তিশালীভাবে অংশগ্ৰহণ কৰিব। মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে তেওঁ সদায় বিশ্বাস কৰি আহিছে যে অসমৰ বাবে ডাঙৰ সপোন দেখাৰ সময় এয়া আৰু কেই সপোনবোৰ বাস্তৱত পৰিণত কৰাৰ বাবে তেওঁলোকৰ চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ। যি অসমে এসময়ত বুলেট ট্ৰেইনৰ কথা কল্পনাও কৰা নাছিল, সেই অসমেই এতিয়া দেশৰ দ্ৰুততম ৰে'ল যোগাযোগ মানচিত্ৰত স্থান পাবলৈ আগবাঢ়িছে। তেওঁ এই পৰিবৰ্তনক মোদীজীৰ নেতৃত্বত নতুন ভাৰত আৰু নতুন অসমৰ শক্তি বুলি অভিহিত কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে কয় যে দিল্লী আৰু দুখন ৰাজ্যৰ ৰাজধানীলৈ দ্ৰুত, সুলভ আৰু বিমানৰ দৰে যোগাযোগ ব্যবস্থাই অসমৰ সামগ্ৰিক আৰু জীৱিকাৰ ক্ষেত্ৰত অপাৰ সম্ভাৱনা মুকলি কৰিব।

বিলাস ইন হত্যাকাণ্ডৰ অভিযুক্ত ঘনকান্ত

নাতি-বোবাৰীকো চক্ৰবৰ্ত্তত সুমুৱাই হত্যা কৰা হ'ল। বৃদ্ধ বয়সত শাৰীৰিক জীৱনৰ বাকী সময়খিনি কটাব বিচাৰিছিল যদিও এতিয়া প্ৰতিটো মুহূৰ্ত আশান্তি আৰু উদ্বিগ্নতাৰ মাজেৰে পাৰ কৰিবলগীয়া হৈছে বুলি তেওঁ আক্ষেপ প্ৰকাশ কৰে। তুলোলতা ভবালীৰ মত, হত্যাকাণ্ডৰ সৈতে জড়িত দোষীসৈয়ে উপযুক্ত শাস্তি নাপালে সমাজত অপৰাধ প্ৰৱণতা বৃদ্ধি পাব। সেয়েহে এই ঘটনাৰ ন্যায় বিচাৰৰ বাবে কেৱল পৰিয়ালটোৰেই নহয়, সমাজৰ প্ৰতিগৰাকী সচেতন লোক আগবাঢ়ি আহা উচিত বুলি তেওঁ মন্তব্য কৰে। তেওঁ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ প্ৰতিও আহ্বান জনাই কয় যে হত্যাকাৰীয়ে উপযুক্ত শাস্তি লাভ কৰিলেহে তেওঁলোকে কিছু শান্তি লাভ কৰিব পাৰিব। ইফালে, হত্যাকাণ্ড পাছৰে পৰা চৰম নিৰাপত্তাহীনতাত ভুগিছে বৰপেটাৰ নিহত ভূদেৱ ভবালীৰ পৰিয়ালে। এক অজান আতংক আৰু উদ্বিগ্নতাত মাজতে নিশা কটাবলগীয়া হৈছে পৰিয়ালৰ সদস্যসকলে। দেওবাবে সংবাদ মাধ্যমৰ আগত এই কথা প্ৰকাশ কৰে ভূদেৱ ভবালীৰ কন্যা আৰ্কিতা ভবালীয়ে। আংকিতাই জানিবলৈ দিয়া মতে, বৰ্তমান তেওঁলোকৰ পৰিয়ালৰ নিৰাপত্তাক লৈ তেওঁলোক যথেষ্ট চিন্তিত। সোমবাৰে চৰকাৰ আৰু আৰক্ষী প্ৰশাসনৰ ওচৰত হত্যাকাণ্ডটোৰ শীঘ্ৰে আৰু নিৰপেক্ষ তদন্ত সম্পন্ন কৰাব দাবী জনাইছে তেওঁ। লগতে হত্যাকাণ্ডৰ সৈতে জড়িত দোষীসকলক কঠোৰৰ পৰা কঠোৰতম শাস্তি প্ৰদান কৰাৰ লগতে পৰিয়ালটোক পৰ্যাপ্ত নিৰাপত্তা প্ৰদান কৰিবলৈও চৰকাৰ-প্ৰশাসনক আহ্বান জনাইছে আৰ্কিতাই। উল্লেখ্য যে বিগত সোমবাৰে ওৱাহাটীত দোষী জোকাৰি যোৱা বিলাস ইন হত্যাকাণ্ড সংঘটিত হৈছিল। নিমিষতে ঘাতক ঘনকান্তৰ গুলীয়ে ভূদেৱ ভবালী, হেলেনা ভবালী, দেবৰ্ষি ভবালী আৰু বিশিকা ভবালীৰ মৃত্যু হৈছিল। ওৱাহাটীৰ বৰা ছাৰ্ভিছৰ পথা গ্ৰয়াত বিলাস ভবালীৰ সপোনৰ বিলাস ইন পুত্ৰ-কন্যাৰ বন্ধুবে বন্ধাস্তৰ হৈ পৰিছিল। ঘটনাৰ পিছতে ওৱাহাটী আৰক্ষীয়ে ঘাতক ঘনকান্ত গগৈক গ্ৰেপ্তাৰ কৰিছিল। বৰ্তমান তেওঁ পলিচবজাৰ আৰক্ষীৰ জিম্মাত আছে। আনহাতে, সম্পূৰ্ণ মৌনতা অবলম্বন কৰি তাৰুলেই পলিচবজাৰ থানাত উপস্থিত হৈছে ঘাতক ঘনকান্ত গগৈৰ পত্নী জোনমণি গগৈ। তদন্তৰ সহায় হোৱাকৈ ঘনকান্তৰ নথি-পত্ৰ আৰু বাহনৰ চাবি বিচাৰি জোনমণি গগৈক থানাত তলব কৰা হৈছে। হাতত ফাইল লৈ মুখত মাস্ক পিন্ধি তেওঁ থানাত হাজিৰ হোৱা বুলি জানিব পৰা গৈছে।

শিখ সমাজৰ বুকুৰ ঘাঁতত নিমখ ছটিয়াইছে

ইন্দিৰা গান্ধীৰ হত্যাকাণ্ডৰ পিছত সংঘটিত শিখ বিৰোধী সংঘাতৰ বিষয়ত কংগ্ৰেছক ক্ষমা খুজিবলৈ দাবী জনাই প্ৰতিবাদী সমদল উলিয়ায়। ইয়াৰ মাজতে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ৰাহুল গান্ধী তথা কংগ্ৰেছক সমালোচনা কৰি কয় যে ১৯৮৪ চনৰ এই দিনটোতে দিল্লীৰ লগতে দেশৰ বিভিন্ন প্ৰান্তত শিখ সম্প্ৰদায়ৰ বিৰুদ্ধে গণহত্যা চলিছিল; এনে দিনত দিল্লীত কংগ্ৰেছৰ বেলী আয়োজন কৰাটো শিখ সম্প্ৰদায়ৰ মনৰ ঘাঁতত নিমখ ছটিওৱাতকৈ কোনো ওগণেই কম নহয়। সামাজিক মাধ্যমত প্ৰকাশ কৰা পোষ্টত মুখ্যমন্ত্ৰী শৰ্মাই কয়, "ৰাহুল গান্ধী আৰু ইণ্ডিয়া ব্লকৰ সকলো নেতাৰে এটা অনুবোধ-আপুনি এই সমদল অন্য এটা দিনতো আয়োজন কৰিব পাৰিলেহেঁতেন। কিন্তু সম্ভৱতঃ শিখসকলৰ প্ৰতি সংবেদনহীন হোৱাটো আপোনাৰ ডিএনএত আছে। যিহেতু আপোনালোক সকলোৱে কৰিবই চাহিছে গোটা খাইছে, অন্ততঃ অনুগ্ৰহ কৰি সেই মঞ্চৰ পৰা দেশৰ শিখ সম্প্ৰদায়ৰ ওচৰত ক্ষমা বিচাৰক আৰু দুই মিনিট মৌনতা অবলম্বন কৰি তেওঁলোকৰ আত্মাৰ শান্তিৰ বাবে প্ৰাৰ্থনা কৰক।" তেওঁ অভিযোগ কৰে যে আইতাৰ হত্যাৰ প্ৰতিশোধৰ জুইত পিতৃ আৰু সহকর্মীসকলৰ নেতৃত্বত, হাজাৰবো অধিক শিখক হত্যা কৰা হৈছিল। আন এক পোষ্টত মুখ্যমন্ত্ৰীগৰাকীয়ে ১৯৪৬ চনৰ কংগ্ৰেছ সভাপতি নিৰ্বাচনৰ প্ৰসংগ উত্থাপন কৰি কয় যে সেই সময়ত ১৫খন প্ৰাদেশিক কংগ্ৰেছ কমিটিৰ ভিতৰত ৰৰ্ষাদন চৰ্দাৰ বল্লভভাই পেটেলক সমৰ্থন কৰিছিল আৰু এখনো প্ৰাদেশিক কংগ্ৰেছ কমিটিয়ে জবাহৰলাল নেহৰুক সমৰ্থন কৰা নাছিল। তেওঁ দাবী কৰে যে ব্যাপক সমৰ্থন লাভ কৰাৰ পিছতো চৰ্দাৰ পেটেলক প্ৰাৰ্থিত্ব প্ৰত্যাহাৰ কৰিবলৈ হেঁচা প্ৰয়োগ কৰা হৈছিল; ফলত নেহৰুৰ বাবে কংগ্ৰেছৰ সভাপতি আৰু স্বাধীন ভাৰতৰ প্ৰথমগৰাকী প্ৰধানমন্ত্ৰী হোৱাৰ পথ প্ৰশস্ত হৈ পৰিছিল

"সাহিত্যই চিকিৎসক কৰি তোলে অধিক সহমর্মী" -চাহেৰালা

আমগুৰি গ্ৰন্থমেলাত চিকিৎসক-সাহিত্যিক ডাঃ নির্মল চাহেৰালা

অসম বার্তা, আমগুৰি, ১ নৱেম্বৰ ঃ এগৰাকী সফল চিকিৎসক হ'বলৈ কেৱল চিকিৎসা বিজ্ঞানৰ জ্ঞানেই যথেষ্ট নহয়, সাহিত্যৰ অনুধাৱনো সমানেই প্ৰয়োজনীয়। বিশিষ্ট চিকিৎসক, লিখক তথা এখন জনপ্ৰিয় অসমীয়া দৈনিক কাকতৰ মুখ্য সম্পাদক ডাঃ নির্মল চাহেৰালাই এই অভিমত ব্যক্ত কৰে। শিৰসাগৰ জিলাৰ আমগুৰিৰ চন্দ্ৰপ্ৰসাদ শইকীয়া ক্ষেত্ৰত অনুষ্ঠিত হৈ থকা প্ৰথম আমগুৰি গ্ৰন্থমেলা ২০২৬ ৰ চতুৰ্থ দিনা সন্ধিয়া 'চিকিৎসকৰ লগত মত বিনিময়' অনুষ্ঠানৰ উদ্বোধন কৰি তেওঁ কয়, বৌদ্ধিক চিন্তা-চৰ্চাৰ ঊর্ব্ব ভূমি আমগুৰিত এনে গ্ৰন্থমেলাৰ আয়োজনে অঞ্চলটোৰ সাংস্কৃতিক জীৱনক অধিক চহকী কৰিলে। ভাষণ প্ৰসংগত তেওঁ আমগুৰিৰ লগত জড়িত নিজৰ শৈশৱৰ স্মৃতি সোঁৱৰি আৰেগিক হৈ পৰে আৰু অসমৰ সাহিত্য জগতৰ অনাতম কাণ্ডাৰী চন্দ্ৰপ্ৰসাদ শইকীয়াৰ গভীৰ শ্ৰদ্ধা জ্ঞাপন কৰে। ডাঃ চাহেৰালাই কয়, চিকিৎসকসকলে জন্মৰ পৰা মৃত্যুলৈকে জীৱনটোক অতি ওচৰৰ পৰা প্ৰত্যক্ষ কৰাৰ সুযোগ পায় আৰু ৰোগীসকলে নিজৰ অন্তৰৰ বেদনা চিকিৎসকৰ আগত উজাৰি দিয়ে। সেয়েহে ৰোগীৰ প্ৰতি সহমর্মিতা জগাই তুলিবলৈ চিকিৎসকে সাহিত্য চর্চা কৰা উচিত। বিশ্বৰ প্ৰেক্ষাপট দাঙি ধৰি তেওঁ জনায় যে বর্তমান আমেৰিকাৰ প্ৰায় ৭৫-৮০ শতাংশ 'মেডিকেল স্কুল'ত সাহিত্যক এটা বিষয় হিচাপে অন্তর্ভুক্ত কৰা হৈছে, যাতে ভবিষ্যতৰ চিকিৎসকসকল ৰোগীৰ প্ৰতি অধিক সহানুভূতিশীল হয়। অসমৰ চিকিৎসক-সাহিত্যিক ডাঃ ভৃগুশ্বৰ শর্মা, ডাঃ ধ্ৰুবজ্যোতি বৰা, ডাঃ জয়ন্ত বৰপীৰ লগতে কপাৰনিকাছ আৰু এণ্টন চেখভৰ দৰে বিশ্ব বিখ্যাত চিকিৎসক-লিখকৰ উদাহৰণ দি তেওঁ চিকিৎসকসকলক সৃষ্টিশীল কর্মত জড়িত হৈ থাকিবলৈ আহ্বান জনায়। আমগুৰিৰ বিশিষ্ট চিকিৎসক ডাঃ ৰুবুল চন্দ্ৰ বৰুৱাই আঁত ধৰা অনুষ্ঠানটোত বিশিষ্ট কবি-চিকিৎসক ডাঃ মাখন কলিতাই অংশগ্ৰহণ কৰি চিকিৎসক আৰু কবিৰ ৰূপত নিজৰ অভিজ্ঞতাৰ লগতে কবিতা লিখাৰ অনুপ্ৰেৰণাৰ বিষয়ে আলোচনা কৰে। তেওঁ অনুষ্ঠানত কবিতা পাঠো কৰে। মত বিনিময়ৰ সময়ত বিভিন্ন জনৰ প্ৰশ্নৰ উত্তৰত ডাঃ চাহেৰালাই কয় যে, ওচৰৰ চাহবাগিছাত ট্ৰেক্টৰে হাৰা বোৱা দেখি তেওঁৰ খেতিয়ক হোৱাৰ হেঁপাহ জাগিছিল। সেই অনুযায়ী কৃষিবিজ্ঞান পঢ়িলৈ পৈছিল যদিও ৰেগিঙৰ বলি হৈ আধাতে এবি পিছত চিকিৎসা বিজ্ঞানৰ ছাত্ৰ হয়। গতিকে ঘটনাক্ৰমেহে তেওঁ চিকিৎসক হৈছিল। ভাষা শিক্ষাৰ অন্তৰায় নহয় বুলি উল্লেখ কৰি তেওঁ কয়, সকলো ক্ষেত্ৰতে আৰ্থিক অবস্থা নহয়, ইচ্ছা, সাহস আৰু সপোনহে আছল। অসমীয়াৰ কর্মবিমুখতাত খেদ প্ৰকাশ কৰি তেওঁ মন্তব্য কৰে যে জাতিৰ অর্থনৈতিক মেৰুদণ্ড শক্তিশালী নহ'লে জাতিৰ উন্নয়ন সম্ভৱ নহয়। হোমেন বৰগোহাঁইৰ অনুপ্ৰেৰণাতে তেওঁ লিখক হিচাপে আত্মপ্ৰকাশ কৰা আৰু পৰৱৰ্তী সময়ত এখন অসমীয়া দৈনিক বাতৰি কাকত সম্পাদনা আৰু প্ৰকাশ কৰাৰ কথাও ডাঃ চাহেৰালাই জনায়। অনুষ্ঠানত আমগুৰিৰ বিশিষ্ট চিকিৎসক ডাঃ হেমেন গগৈ, ডাঃ বিদ্যুৎ বিকাশ শইকীয়া, ডাঃ নির্মল চাহেৰালাৰ সহধর্মিণী সবিতা চাহেৰালা, ডাঃ মাখন কলিতাৰ সহধর্মিণী আৰু বিশিষ্ট শিক্ষাবিদ ড' জ্যোতিৰেখা হাজৰিকা উপস্থিত থাকে।

বকোৰ শিছাপীঠত পূব বেকেলী কোচ ৰাজবংশী সন্মিলনীৰ দ্বি-বার্ষিক অধিবেশন সম্পন্ন

অসম বার্তা, বকো, ১ নৱেম্বৰ ঃ ধলগিৰী ভূমিপুত্ৰ কোচ ৰাজবংশী জনগোষ্ঠীৰ জাতীয় সংগঠন কোচ ৰাজবংশী সন্মিলনীৰ দ্বি-বার্ষিক অধিবেশন সম্পন্ন। বকোৰ শিছাপীঠত অনুষ্ঠিত পূব বেকেলী কোচ ৰাজবংশী সন্মিলনী আৰু মহিলা সন্মিলনীৰ দ্বি-বার্ষিক অধিবেশনত নতুন সমিতি গঠন কৰা হয়। কামৰূপ জিলাৰ বকোৰ শিছাপীঠ কোচ ৰাজবংশী গাঁও শাখাৰ উদ্যোগত অনুষ্ঠিত হয় পূব বেকেলী কোচ ৰাজবংশী সন্মিলনী আৰু মহিলা সন্মিলনীৰ দ্বি-বার্ষিক অধিবেশন। জনগোষ্ঠীটোৰ ঐক্য, সংহতি আৰু সাংগঠনিক ভেটি অধিক শক্তিশালী কৰাৰ লক্ষ্যে আয়োজন কৰা এই অধিবেশনত সংগঠনটোৰ বিষয় ৰবীয়া, প্ৰতিনিধি তথা সদস্যসকলে অংশগ্ৰহণ কৰে। অধিবেশনৰ কার্যসূচীত পতাকা উত্তোলন, স্মৃতি তর্পণ, বিশ্ব মহাবীৰ চিলাৰায়ৰ প্ৰতিচ্ছবিত বন্তিপ্ৰজ্বলন আৰু মাল্যার্পণ। পূব বেকেলী কোচ ৰাজবংশী সন্মিলনীৰ সম্পাদক ব্ৰজেন দাস আৰু সহযোগী পবিত্ৰ কুমাৰ দাসৰ তৎপৰতাত অনুষ্ঠিত অধিবেশনৰ কার্যসূচী পৰিচালনা কৰে উপ-সভাপতি নাৰায়ণ মেধিয়ে। অধিবেশনত জিলা সমিতিয়ে নিয়োগ কৰা পর্যবেক্ষকৰ লগতে জিলা সমিতিৰ সাধাৰণ সম্পাদক দীপক কুমাৰ বয়ে অংশগ্ৰহণ কৰি সংগঠনটোৰ সাংগঠনিক দিশ সম্ভর্ত বিভিন্ন দিহা-পৰামর্শ আগবঢ়ায়। উল্লেখ্য যে, অধিবেশনৰ অংশ হিচাপে অনুষ্ঠিত প্ৰতিনিধি সভাত পূব বেকেলী প্ৰাথমিক গোটৰ সভা উদ্বোধন কৰে যুব ছাত্ৰ সম্মিলনীৰ সাধাৰণ সম্পাদক ৰঞ্জুমণি দত্ত। অধিবেশনৰ সামাজিক আৰু জাতীয় স্বার্থ হকে কাম কৰি যোৱাৰ ক্ষেত্ৰত নতুন উদ্যমৰ সৃষ্টি কৰিব বুলি সমিতিয়ে আশা প্ৰকাশ কৰে।

প্ৰতিনিধি সভাত নতুন সমিতি গঠন

ৰাজবংশী যুব ছাত্ৰ সম্মিলনীৰ সভাপতি মিলন কুমাৰ দাস, সম্পাদক দিপেন দাসৰ লগতে বহু কেইজন বিষয়ৰবীয়াক লৈ গঠন কৰা হৈছে। ইয়ালৈ কোচ ৰাজবংশী মহিলা সন্মিলনীলৈ নতুন সমিতি গঠন কৰা হয় সভানেত্ৰী প্ৰভা চৌধুৰী, সম্পাদীকা নেনা ঠাকুৰীয়া, উপ সভানেত্ৰী হিৰামনী দাস, মনোমতী দাস, সহ সম্পাদীকা কবৰী দাস আৰু প্ৰমিতা দাস, সাংগঠনিক সম্পাদীকা সংগীতা দাস, প্ৰচাৰ সম্পাদীকা কল্পনা দাসৰ লগতে বহু কেই জন বিষয়বৰীয়াক লৈ সমিতিখন গঠন কৰা হয়। সামগ্ৰিকভাবে, দ্বি-বার্ষিক অধিবেশনখনে কোচ ৰাজবংশী জনগোষ্ঠীৰ সাংগঠনিক ভেটি শক্তিশালী কৰাৰ লগতে আগন্তুক দিনত জনগোষ্ঠীটোক সামুহিক উন্নয়ন আৰু ঐক্যবদ্ধ প্ৰচেষ্টাক অধিক গতিশীল কৰি তুলিব বুলি আশা প্ৰকাশ কৰা হয়।

গাংমৌ সাংস্কৃতিক কলা কেন্দ্ৰৰ দ্বিতীয় বর্ষপূর্তি উপলক্ষে শতাংশ ভিত্তিত নৃত্য প্ৰতিযোগিতা

অসম বার্তা, জিনজিয়া, ১ নৱেম্বৰ ঃ বৰগাঙৰ শংকৰদেৱ প্ৰেক্ষাগৃহত আজি গাংমৌ সাংস্কৃতিক কলা কেন্দ্ৰৰ দ্বিতীয় বর্ষপূর্তি অনুষ্ঠান অনুষ্ঠিত হয়। পুৱা আয়োজক সমিতিৰ সভাপতি সীমান্ত বৰাই পতাকা উত্তোলনেৰে অনুষ্ঠানৰ শুভাৰম্ভ কৰে। ইয়াৰ পিছতে ডিব্ৰুম্বৰ মাটিৰ শিল্পী জুবিন গার্গৰ প্ৰতিচ্ছবিত বন্তিপ্ৰজ্বলন কৰে। বিহাগী মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক টুনটুন বৰাই বর্ষপূর্তিৰ মঞ্চ মুকলি কৰে। বর্ষপূর্তিৰ লগত সংগতি ৰাখি শতাংশ ভিত্তিত নৃত্য প্ৰতিযোগিতাৰ আয়োজন কৰা হয়। বিচাৰকৰ আসনত আছিল ৰুণ্টু ফুকন, দিপাংকৰ কৌৰৱ আৰু ৰুবুল দাস। বিশ্বনাথ জিলাৰ লগতে বিভিন্ন অঞ্চলৰ ১০০ গৰাকীতকৈও অধিক নৃত্য শিল্পীয়ে প্ৰতিযোগিতাত অংশগ্ৰহণ কৰে। অনুষ্ঠানত পৰিত্ৰ দু-ধ্বনি, উপেন বৰা, অৰ্পনা শইকীয়া দাস, সাংবাদিক ভুবন মুইলৈচ, খগেন মটক, ৰুবণ শইকীয়া, চুৰেশ বৰা, মিণ্টু বৰাকে ধৰি বিহাগীৰ বিভিন্ন ক্ষেত্ৰৰ বহু বিশিষ্ট ব্যক্তি উপস্থিত থাকে। কেন্দ্ৰৰ সঞ্চালক প্ৰাঞ্জুমন ভূঞা, নিতুন চন্দ্ৰ দাস, জুন দাস, নেহা বৰাৰ লগতে কার্যকর্তাসকলৰ অক্লান্ত প্ৰচেষ্টাত গঢ় লৈ উঠা অনুষ্ঠানটিলৈ বাইজে মৰম আৰু আশীৰ্বাদ প্ৰদান কৰিছে।

অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ, খেৰাজখাত আঞ্চলিক সমিতিত সদস্য যোগদান

অসম বার্তা, বান্দৰদেৱা, ১ নৱেম্বৰ ঃ আজি ভৰালিমুখ জিলাৰ অসম অৱণাচল সীমান্তবর্তী বান্দৰদেৱাৰ সমীপৰ পথালিপাহাৰ বি.কে. চাৰিআলিত অনুষ্ঠিত হোৱা অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ লখিমপুৰ জিলা সমিতিৰ অন্তর্গত খেৰাজখাত আঞ্চলিক সমিতিৰ এখন সভাত অঞ্চলটোৰ ১২ গৰাকী যুৱকে সদস্য হিচাপে যোগদান কৰে। উক্ত যোগদান কার্যসূচীত খেৰাজখাত আঞ্চলিক সমিতিৰ সভাপতি দিবা জ্যোতি বৰুৱা, উপদেষ্টা বসন্ত দত্তৰ লগতে সমিতিৰ অন্যান্য বিষয়ৰবীয়া আৰু সদস্যসকল উপস্থিত থাকে। নবাগত সদস্যসকলক সংগঠনৰ তৰফৰ পৰা আন্তৰিক অভিনন্দন আৰু উষ্ণ আদৰণি জনোৱা হয়। লগতে আগন্তুক দিনত সংগঠনৰ নীতি-আদর্শক সমুখত ৰাখি জাতি, মাটি আৰু ভেটিৰ স্বার্থত ঐক্যবদ্ধভাবে কাম কৰি যাবলৈ আহ্বান জনোৱা হয়। যুৱসমাজৰ এনে সক্রিয় অংশগ্ৰহণে সংগঠনৰ সাংগঠনিক ভেটি অধিক সুদৃঢ় কৰাৰ লগতে আগন্তুক দিনত সামাজিক আৰু জাতীয় স্বার্থ হকে কাম কৰি যোৱাৰ ক্ষেত্ৰত নতুন উদ্যমৰ সৃষ্টি কৰিব বুলি বিশ্বাস কৰা হয়।

ডিব্ৰুগড়ৰ কানৈ মহাবিদ্যালয়ত ৰাষ্ট্ৰসংঘ দিৱস উদ্‌যাপন



অসম বার্তা, ষ্টাফ ৰিপ'টাৰ ডিব্ৰুগড়, ১ নৱেম্বৰ ঃ বিশ্বশান্তি, মানৱাধিকাৰ আৰু আন্তঃৰাষ্ট্ৰীয় সহযোগিতা সুদৃঢ় কৰাৰ ক্ষেত্ৰত ৰাষ্ট্ৰসংঘৰ ভূমিকা অতুলনীয়। বিশ্বৰ বিভিন্ন প্ৰান্তত সংঘটিত সংঘাত, মানৱীয় সংকট আৰু নিৰাপত্তাজনিত প্ৰত্যাহ্বানৰ সময়ত ৰাষ্ট্ৰসংঘই শান্তি প্ৰতিষ্ঠা, মানৱাধিকাৰ সুৰক্ষা আৰু আন্তঃৰাষ্ট্ৰীয় সহযোগিতাৰ এক গুৰুত্বপূর্ণ মঞ্চ হিচাপে দায়িত্ব পালন কৰি আহিছে। ডিব্ৰুগড় হনুমান বক্স সুজমল কানৈ মহাবিদ্যালয়ত 'স্বায়ত্তশাসিত) অনুষ্ঠিত "ৰাষ্ট্ৰসংঘ দিৱস'ৰ অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকি ৰাষ্ট্ৰসংঘৰ বিভিন্ন সংস্থাৰ পৰামর্শদাতা তৰু বাহেলে এই দৰে কয়। বিশ্বশান্তি, মানৱাধিকাৰ, আন্তঃৰাষ্ট্ৰীয় সহযোগিতা আৰু মানৱীয় মূল্যবোধৰ প্ৰসাৰৰ লক্ষ্যৰে মহাবিদ্যালয় বিদেশী ভাষা অধ্যয়ন কেন্দ্ৰ, সমাজশাস্ত্ৰ বিভাগ, ৰাজনীতি বিজ্ঞান বিভাগ, দর্শন বিভাগ আৰু কম্পিউটাৰ বিজ্ঞান বিভাগৰ যৌথ উদ্যোগত তথা নতুন দিল্লীৰ ইণ্ডিয়ান ফেডাৰেচন অফ ইউনাই টেড নেচনছ এছোচিয়েচনছ আৰু ইউ এন-এনই আৰ বিচ'চ চেণ্টাৰৰ সহযোগত অনুষ্ঠিত অনুষ্ঠানত বাহেলে আৰু কয় যে ৰাষ্ট্ৰসংঘৰ প্ৰতিষ্ঠাৰ মূল লক্ষ্য হৈছে বিশ্বত শান্তি আৰু নিৰাপত্তা বজাই ৰখা, ৰাষ্ট্ৰসমূহৰ মাজত বন্ধুত্বপূর্ণ সম্পর্ক গঢ়ি তোলা সম্ভৱ হ'ব। মুখ্যদ্বাৰৰ পৰা আৰম্ভ কৰি গায়ন-বায়ন আৰু এনচিচি কেডেটে উন্মুক্ত আদৰণি জনাই অনা সভাত বাহেলে যুৱ প্ৰজন্মৰ ভূমিকাৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰি কয় যে এখন শান্তিপূর্ণ, ন্যায়সংগত আৰু সমতাপূর্ণ সমাজ গঢ়াৰ ক্ষেত্ৰত যুৱসমাজৰ দায়িত্ব অপৰিসীম। আন্তঃৰাষ্ট্ৰীয় বিষয়সমূহৰ প্ৰতি সচেতনতা, মানৱাধিকাৰৰ প্ৰতি সম্মান, উন্নয়ন, লিংগ সমতা প্ৰতিষ্ঠা, পৰিবেশ সংৰক্ষণ তথা বহনক্ষম উন্নয়নৰ ক্ষেত্ৰতো ৰাষ্ট্ৰসংঘৰ বিভিন্ন সংস্থাই গুৰুত্বপূর্ণ ভূমিকা পালন কৰি আহিছে বুলি তেওঁ উল্লেখ কৰে। তেওঁ লগতে কয় যে বর্তমানৰ বিশ্ব পৰিস্থিতি ক্ৰমাৎ অধিক জটিল আৰু প্ৰত্যাহ্বান পূর্ণ হৈপৰিছে। যুদ্ধ-বিগ্ৰহ, ৰাজনৈতিক অস্থিৰতা, জলবায়ু পৰিবর্তন, দৰিদ্ৰতা, বৈষম্য আৰু মানৱীয় সংকটে বিশ্ববাসীৰ সম্মুখত নতুন নতুন প্ৰত্যাহ্বান সৃষ্টি কৰিছে বুলি উল্লেখ কৰি কয়— এনে পৰিস্থিতিত ৰাষ্ট্ৰসংঘৰ প্ৰতিষ্ঠা কালিন আদর্শ আৰু উদ্দেশ্য পূর্বতকৈও অধিক প্ৰাসংগিক হৈ পৰিছে। কেৱল ৰাষ্ট্ৰসংঘৰ প্ৰচেষ্টাই নহয়, বিশ্বৰ প্ৰতিখন দেশৰ দায়িত্বশীল সহযোগিতা আৰু জনসাধাৰণৰ সচেতন অংশগ্ৰহণৰ জৰিয়তেহে এখন শান্তিপূর্ণ আৰু নিৰাপদ পৃথিৱী গঢ়ি তোলা সম্ভৱ হ'ব। মুখ্যদ্বাৰৰ পৰা আৰতি কৰি গায়ন-বায়ন আৰু এনচিচি কেডেটে উন্মুক্ত আদৰণি জনাই অনা সভাত বাহেলে যুৱ প্ৰজন্মৰ ভূমিকাৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰি কয় যে এখন শান্তিপূর্ণ, ন্যায়সংগত আৰু সমতাপূর্ণ সমাজ গঢ়াৰ ক্ষেত্ৰত যুৱসমাজৰ দায়িত্ব অপৰিসীম। আন্তঃৰাষ্ট্ৰীয় বিষয়সমূহৰ প্ৰতি সচেতনতা, মানৱাধিকাৰৰ প্ৰতি সম্মান, উন্নয়ন, লিংগ সমতা প্ৰতিষ্ঠা, পৰিবেশ সংৰক্ষণ তথা বহনক্ষম উন্নয়নৰ ক্ষেত্ৰতো ৰাষ্ট্ৰসংঘৰ বিভিন্ন সংস্থাই গুৰুত্বপূর্ণ ভূমিকা পালন কৰি আহিছে বুলি তেওঁ উল্লেখ কৰে। তেওঁ লগতে কয় যে বর্তমানৰ বিশ্ব পৰিস্থিতি ক্ৰমাৎ অধিক জটিল আৰু প্ৰত্যাহ্বান পূর্ণ হৈপৰিছে। যুদ্ধ-বিগ্ৰহ, ৰাজনৈতিক অস্থিৰতা, জলবায়ু পৰিবর্তন, দৰিদ্ৰতা, বৈষম্য আৰু মানৱীয় সংকটে বিশ্ববাসীৰ সম্মুখত নতুন নতুন প্ৰত্যাহ্বান সৃষ্টি কৰিছে বুলি উল্লেখ কৰি কয়— এনে পৰিস্থিতিত ৰাষ্ট্ৰসংঘৰ প্ৰতিষ্ঠা কালিন আদর্শ আৰু উদ্দেশ্য পূর্বতকৈও অধিক প্ৰাসংগিক হৈ পৰিছে। কেৱল ৰাষ্ট্ৰসংঘৰ প্ৰচেষ্টাই নহয়, বিশ্বৰ প্ৰতিখন দেশৰ দায়িত্বশীল সহযোগিতা আৰু জনসাধাৰণৰ সচেতন অংশগ্ৰহণৰ জৰিয়তেহে এখন শান্তিপূর্ণ আৰু নিৰাপদ পৃথিৱী গঢ়ি তোলা সম্ভৱ হ'ব।

মুখ্য অতিথি ৰাষ্ট্ৰসংঘৰ পৰামর্শদাতা তৰু বাহেলা

মনোজাবেৰে যুৱ প্ৰজন্মই বিশ্ব নাগৰিক হিচাপে নিজকে গঢ়ি তুলিব লাগিব। জাতি, ধর্ম, ভাষা আৰু ৰাষ্ট্ৰীয় পৰিচয়ৰ সীমাবদ্ধতাৰ ঊর্ধ্বলৈ গৈ মানৱতাৰ স্বার্থক কাম কৰাৰ মানসিকতা গঢ়ি তোলাটো আজিৰ সময়ৰ একান্ত প্ৰয়োজন বুলিও তেওঁ মত প্ৰকাশ কৰে। যুৱসমাজৰ চিন্তা, উদ্ভাৱনী শক্তি আৰু সক্রিয় অংশগ্ৰহণে ৰাষ্ট্ৰসংঘৰ লক্ষ্যসমূহ বাস্তৱায়িত কৰাৰ ক্ষেত্ৰত বিশেষ অবিহণা যোগাব পাৰে বুলি তেওঁ আশা প্ৰকাশ কৰে। কানৈ মহাবিদ্যালয়ৰ বিদেশী ভাষা অধ্যয়ন কেন্দ্ৰৰ সমন্বয়ক তথা দর্শন বিভাগৰ অধ্যাপিকা ড' মৌচুমী হাজৰিকাই আঁত ধৰা অনুষ্ঠানটিত আদৰণি ভাষণ প্ৰদান কৰি মহাবিদ্যালয়ৰ অধ্যক্ষ ড' শশীকান্ত শইকীয়াই কয় যে ৰাষ্ট্ৰসংঘে কেৱল এখন আন্তঃৰাষ্ট্ৰীয় সংস্থানহয়, ই হৈছে বিশ্বৰ বিভিন্ন ৰাষ্ট্ৰৰ মাজত ঐক্য, সহযোগিতা আৰু পাৰস্পৰিক বুজাবুজি প্ৰতিষ্ঠাৰ এক শক্তিশালী মঞ্চ। ৰাজনীতি বিজ্ঞান বিভাগৰ মুৱৰী অধ্যাপিকা ড' নির্মালী পেগুৰ উদ্দেশ্য ব্যাখ্যা কৰা অনুষ্ঠানটি সঞ্চালনা কৰে ৰাজনীতি বিজ্ঞান বিভাগৰ অধ্যাপক ড' নির্মলী পেগুৰে। শেষত ধন্যবাদ জ্ঞাপন কৰে কানৈ মহাবিদ্যালয়ৰ বিদেশী ভাষা অধ্যয়ন কেন্দ্ৰৰ সমন্বয়ক তথা প্ৰাণী বিজ্ঞান বিভাগৰ অধ্যাপিকা পলী সৰকাৰে। উল্লেখ্য যে ৰাষ্ট্ৰসংঘৰ উৰৱ-পূর্ব সম্পদ কেন্দ্ৰ ডিব্ৰুগড় শাখাৰ এটি কার্যালয় কানৈ মহাবিদ্যালয়ত মুকলি কৰে তৰু বাহালে।

চপাইৰ মানৱদৰদী ব্যক্তিয়ে আগবঢ়ালে হুইল চেয়াৰ

ৰোগ শয্যাত মণ্ডলদৈৰ অৱসৰপ্ৰাপ্ত ধাত্ৰী লক্ষ্মী ৰয়



অসম বার্তা, মণ্ডলদৈ, ১ নৱেম্বৰ ঃ মণ্ডলদৈ চহৰৰ নিকটবর্তী চপাই চৌকাৰ নিবাসী, অৱসৰপ্ৰাপ্ত ধাত্ৰী তথা এগৰাকী মানৱদৰদী ব্যক্তি লক্ষ্মী ৰয় (৭১) বর্তমান শয্যাগত। বিভিন্ন ৰোগত আক্রান্ত হৈ তেওঁ কিছুদিন ধৰি বিছনাত পৰি আছে। তেওঁ অবসৰকালীন যি সামান্য ধন লাভ কৰে, তাৰে চিকিৎসা কৰা আৰু পৰিয়াল চলাওঁতেই নোযোৱে। এসময়ত বহুতৰ চপাই অঞ্চলৰ চিকিৎসা প্ৰদানৰ ক্ষেত্ৰত নিঃস্বার্থ ভাৱে বিশেষ বৰঙনি আগবঢ়োৱা এই গৰাকী ধাত্ৰী বর্তমান খোজকাঢ়িব নোৱাৰে। বিছনাতেই তেওঁ শৌচ পেচাব কৰিবলগীয়া হৈছে। এনে সন্ধিক্ষণত চপাই খিয়েটাৰ পৰিচালনা সমিতি সম্পাদক গণেশ দত্তৰ নেতৃত্বত চপাই অঞ্চলৰ একাশে মানৱদৰদী ব্যক্তি এগলই আহিল লক্ষ্মী বয়ক অলপ সহায়, সাহস আৰু প্ৰেৰণা দিবলৈ। এই ক্ষেত্ৰত অমিয় দত্ত, ৰমণী মোহন শর্মা, হাচিনুৰ ছুজেন, তাপস ডেকা, জয়ধন ডেকা, বাজীব নাৰায়ণ ডেকা, নৰকান্ত শর্মা, খগেন্দ্ৰ নাথ, শান্তিৰাম শিকদাৰ, ৰমেশ চহৰীয়া, জয়শ্ৰী দেৱী, আকাশ ৰবদলৈ, কবিতা ৰাণী দুৱৰা, লিডিমণি দাস, অমল চন্দ্ৰ দে, জ্যোতিষ দে, হেম নাথ, বিপুল চন্দ্ৰ ডেকা, নাৰায়ন ডেকা, মদন চহৰীয়া, জগত চন্দ্ৰ নাথ ভাবত, ইনামুল হুছেইন, বিপুল ৰবৰা, মহেন্দ্ৰ ডেকা, ভাগ্য ৰবৰা, বিজয় ৰয়, ফুলেন শর্মা, শশীপ্ৰ কলিতা, বিপুল চন্দ্ৰ ডেকা, কল্পেশ্বৰ ৰবৰা, মনোজ কুমাৰ শর্মা, মধুৰা ডেকা, জুনু দেৱী, গোলোক ৰবা, লিখন দাস, প্ৰাঞ্জল চৌধুৰী, সাগৰ ৰবা, দেবেন ৰবৰা, অম্বিষাম ডেকা, অৰূপ কুমাৰ চহৰীয়া, ধনমণি ডেকা, মহেন্দ্ৰ মোহন চৌধুৰী, পুলকেশ ডেকা, লক্ষ্মীকান্ত শর্মা, উপেন চন্দ্ৰ ডেকা, অনিল শর্মা, ই বিনাথ ৰাভাই স্ব-ই চ্ছাই আগবঢ়োৱা ধনেৰে ৩১ অক্টোবৰৰ সন্ধিয়া ধাত্ৰী লক্ষ্মী বয়ক এখন অত্যাধুনিক ছইল চেয়াৰ আৰু শৌচ পেচাব কৰাৰ সুবিধার্থে এখন বিশেষ চকী প্ৰদান কৰা হয়। ইয়াবোপৰি তেওঁৰ চিকিৎসাৰ ক্ষেত্ৰত আর্থিক সহযোগ কৰাৰ অঙ্গীকাৰ কৰে চপাই অঞ্চলৰ মানৱদৰদী ব্যক্তি সকলে।

আমিনগাঁৰত নিশা ঘৰে-ঘৰে অসম আৰক্ষীৰ দল; ভাড়াটীয়া পৰীক্ষণৰ অর্থে বিশেষ অভিযান কামৰূপ আৰক্ষীৰ

ষ্টাফ ৰিপ'টাৰ, অসম বার্তা, ১ নৱেম্বৰ ঃ কামৰূপ জিলাৰ অপৰাধ প্ৰতিৰোধ আৰু আইন-শৃংখলা পৰিস্থিতি সুস্থিৰ কৰি ৰখাৰ লক্ষ্যত এই ৰাৰ নিশা বলিউড'সিংঘম'ৰ আৰ্হিত ঘৰে ঘৰে উপস্থিত হ'ল অসম আৰক্ষীৰ দল। ভাড়াটীয়াৰ পৰিচয় গোপন কৰি আশ্ৰয় প্ৰদান কৰা ঘৰ মালিকসকলক সতর্ক কৰাৰ লগতে অপৰাধমূলক কার্যকলাপ বোধৰ বাবে আমিনগাঁও অঞ্চলত বিশেষ সজাগতামূলক অভিযান চলায় কামৰূপ আৰক্ষীয়ে। কোনো আসাধু চক্রই ভাড়াটীয়াৰ পৰিচয় গোপন কৰি অসামাজিক তথা কু-চাঘাতমূলক কার্যকলাপ সংঘটিত কৰিব নোৱাৰে, তাৰ প্ৰতি লক্ষ্য ৰাখি কামৰূপ আৰক্ষীয়ে এই পদক্ষেপ গ্ৰহণ কৰে। অভিযানকালত ভাড়াঘৰৰ মালিক সকলক প্ৰতিগৰাকী ভাড়াটীয়াৰ স্থায়ী ঠিকনা, কর্মৰত প্ৰতিষ্ঠানৰ সবিশেষ, আধাৰ কার্ড, পান কার্ড আৰু মোবাইল নম্বৰসহ প্ৰয়োজনীয় তথ্য আৰক্ষীক দাখিল কৰিবলৈ সজাগ কৰা হয়। ইয়াৰ উপৰি ভাড়াঘৰ থকা চৌহদৰ কোঠাৰ সংখ্যা আৰু ঘৰ মালিকৰ সম্পর্কে তথ্যও আৰক্ষীক প্ৰদান কৰিবলৈ ভাড়াঘৰৰ মালিকক আহ্বান জনোৱা হয়। সদাহত যে আমিনগাঁৰৰ পানীপাৰা আৰু মধ্যম চুৰবী অঞ্চলত চলোৱা এই অভিযানত ঘৰ মালিকসকলক ভাড়াটীয়া ৰখাৰ পূর্বে পৰিচয় নিশ্চিত কৰা আৰু প্ৰয়োজনীয় তথ্য আৰক্ষীক অবগত কৰাৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব আৰোপ কৰা হয়। কামৰূপ আৰক্ষীৰ উপ-আৰক্ষী অধীক্ষক টিংকুজ্যোতি চৌধুৰী, দেৰধৈ দাস আৰু দীপক শর্মাৰ নেতৃত্বত হাজো আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া ৰূপম হাজৰিকা, চাংসাৰী আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া অপূর্ব কলিতা, আমিনগাঁও আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া অবিনাশ শইকীয়াৰ লগতে আমিনগাঁও আৰক্ষী চকীৰ অন্য এগৰাকী বিষয়া যোগেশ কলিতা, দদবা আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া বিশাল ৰবমুহ কামৰূপ আৰক্ষীৰ এটা বৃহৎ দলে এই বিশেষ অভিযান ৰূপায়িত কৰে। উল্লেখ্য যে, ভাড়াটীয়া পৰিচয় আৰু প্ৰয়োজনীয় তথ্য আৰক্ষীক ওচৰত নথকাৰে সুযোগ লৈ কোনো অপৰাধীয়ে যাতে অঞ্চলটোত আশ্ৰয় গ্ৰহণ কৰিব নোৱাৰে, তাৰ বাবে ঘৰ মালিকসকলক অধিক সজাগ আৰু দায়িত্বশীল হ'বলৈ আহ্বান জনাইছে কামৰূপ আৰক্ষীয়ে। অপৰাধ প্ৰতিৰোধৰ ক্ষেত্ৰত জনসাধাৰণৰ সহযোগিতা নিশ্চিত কৰাৰ লক্ষ্যত কামৰূপ আৰক্ষীৰ এই সজাগতা অভিযান অব্যাহত থাকিব বুলি জানিব পৰা গৈছে।

মৰিগাঁৰত ৰাষ্ট্ৰীয় একতা দিৱস পালন

অসম বার্তা, ষ্টাফ ৰিপ'টাৰ, মৰিগাঁও, ১ নৱেম্বৰ ঃ ভাৰতৰ স্বাধীনতা-উত্তৰ ই তিহাসত দেশৰ ঐক্য আৰু অখণ্ডতা সুদৃঢ় কৰাৰ ক্ষেত্ৰত অনন্য অৱদান আগবঢ়োৱা লৌহমানৱ চৰ্দাৰ ৰল্লভভাই পেটেলৰ জন্মজয়ন্তী উপলক্ষে আজি ৩১ অক্টোবৰত মৰিগাঁৰত ৰাষ্ট্ৰীয় একতা দিৱস পালন কৰা হয়। এই উপলক্ষে আজি জিলা আয়ুজ্ভৰ কার্যালয়ৰ সভাকক্ষত ৰাষ্ট্ৰীয় একতা দিৱসৰ শপত গ্ৰহণ কার্যসূচী অনুষ্ঠিত হয়। উপস্থিত বিষয়া-কর্মচাৰীসকলে দেশৰ ঐক্য, অখণ্ডতা আৰু সংহতি অটুট ৰখাৰ লগতে ৰাষ্ট্ৰীয় একতাৰ আদর্শ অক্ষুণ্ণ ৰখ